২০১৭-১৮ বৰ্ষ

# জ্যোতিষ্মান



সম্পাদক ঃ কাকুমণি কটকী

## গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ

# সমবেত সংগীত

ৰচনা ঃ পুনাৰাম নেওগ (প্ৰতিষ্ঠাপক অধ্যক্ষ)

জেউতি চৰাই যাওঁ
জেউতি চৰাই যাওঁ
দুবৰি বনৰ পাতৰ আঁৰত
কিজানি মুকুতা পাওঁ।
জেউতি চৰাই যাওঁ।।


ভৱ সাগৰৰ বুকুত আমি
পাল তৰি ল'লো নাও
পাল ফাটি গ'লে
বঠা বাই বাই
সিপাৰে কি আছে চাওঁ!
জেউতি চৰাই যাওঁ।।

মুক্ত আকাশত হংসৰ জাক
অসীম তৃষ্ণাত উৰে
আমাৰ চকুতো অসীম দৃষ্টি
লক্ষ্য বহুত দূৰে
যাওঁ আগুৱাই যাওঁ।
জেউতি চৰাই যাওঁ।।

নৱ জেউতি পৰশত সৌৰা
মৰহা কঙ্কাল জীৱন পালো
বন্ধ আত্মা জিকাৰি উঠিল
মুকুতিৰ মহা সংগীত গালো
শ্মশানত আমি গোলাপী সৌৰভ
বিলাই বিলাই যাওঁ।
জেউতি চৰাই যাওঁ।।

জয়ধ্বনি কৰা সবে
জয় মানৱৰ জয়
জয়ধ্বনি কৰা সবে
প্ৰতিষ্ঠাতাৰ জয়।

এই মন্দিৰত সোমাই আহা
জ্ঞান পূজাৰীৰ দল, পণ কৰাহে দীন দুখীয়াক
বিলাম নতুন বল
সেৱাৰ মহিমা গাওঁ।
জেউতি চৰাই যাওঁ।।









## গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ

# সমবেত সংগীত

ৰচনা ঃ পুনাৰাম নেওগ (প্ৰতিষ্ঠাপক অধ্যক্ষ)

জেউতি চৰাই যাওঁ
জেউতি চৰাই যাওঁ
দুবৰি বনৰ পাতৰ আঁৰত
কিজানি মুকুতা পাওঁ।
জেউতি চৰাই যাওঁ।।


ভৱ সাগৰৰ বুকুত আমি
পাল তৰি ল'লো নাও
পাল ফাটি গ'লে
বঠা বাই বাই
সিপাৰে কি আছে চাওঁ!
জেউতি চৰাই যাওঁ।।

মুক্ত আকাশত হংসৰ জাক
অসীম তৃষ্ণাত উৰে
আমাৰ চকুতো অসীম দৃষ্টি
লক্ষ্য বহুত দূৰে
যাওঁ আগুৱাই যাওঁ।
জেউতি চৰাই যাওঁ।।

নৱ জেউতি পৰশত সৌৰা
মৰহা কঙ্কাল জীৱন পালো
বন্ধ আত্মা জিকাৰি উঠিল
মুকুতিৰ মহা সংগীত গালো
শ্মশানত আমি গোলাপী সৌৰভ
বিলাই বিলাই যাওঁ।
জেউতি চৰাই যাওঁ।।

জয়ধ্বনি কৰা সৱে
জয় মানৱৰ জয়
জয়ধ্বনি কৰা সৱে
প্ৰতিষ্ঠাতাৰ জয়।

এই মন্দিৰত সোমাই আহা
জ্ঞান পূজাৰীৰ দল, পণ কৰাহে দীন দুখীয়াক
বিলাম নতুন বল
সেৱাৰ মহিমা গাওঁ।
জেউতি চৰাই যাওঁ।।









# জ্যোতিষ্মান

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ আলোচনী

২০১৭-১৮ বৰ্ষ

শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰী / শ্ৰীমতী ..........................................................................ৰ হাতত

'জ্যোতিষ্মান'ৰ এই সংখ্যাটি অৰ্পণ কৰিলো ।

সম্পাদক ঃ কাকুমণি কটকী

**JYOTISHMAN :**

An annual souvenir of Golaghat Commerce College, Golaghat for the session 2017-18, Edited by Kakumoni Kotoky and Printed at Dristikon Offset, Court Road, Golaghat.




## সম্পাদনা কক্ষ

উপদেষ্টা : অৰিন্দম বৰা
অনামিকা হাজৰিকা
নন্দিনী বৰুৱা
জোনটি দুৱৰা

সম্পাদক : কাকুমণি কটকী

বেটুপাত পৰিকল্পনা : সম্পাদনা সমিতি

বেটুপাতৰ শেষপৃষ্ঠাৰ শিল্পী : ৰাণা কলিতা

মুদ্ৰণ : দৃষ্টিকোণ অফ্‌ছেট, কৰ্ট ৰোড, গোলাঘাট

# উৎসৰ্গা

মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আঁৰত যিসকল মহান ব্যক্তিয়ে

জীৱনৰ মূল্যৱান সময়খিনিৰ

সদ্ব্যৱহাৰ কৰিছিল।

তেখেতসকলৰ

নামত

এই বৰ্ষৰ জ্যোতিখানখনি উৎসৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

# সূচীপত্ৰ


- সম্পাদকীয় ক
- সেই আঙুলিবোৰ ✍ ড° দিপালী গগৈ ১
- অপেক্ষা ✍ জোনামণি বৰা ১
- কবিতা ✍ প্ৰণামী কাশ্যপ দাস ২
- শংখ-নিনাদ ✍ ধীমান ভূঞা ২
- তোমাক ভালপাওঁ বাবেই ✍ মানস বৰা ৩
- আঙঠি ✍ কাকুমণি কটকী ৩
- সুখ-দুখ ✍ লুইত দাস ৪
- বৰপেৰা ঃ তোমালোকলৈ ✍ ৰীমাৰেখা বুঢ়াগোহাঁই ৪
- হুমুনিয়াৰ হাট ✍ কুল বৰা ৫
- অসমীয়া ভাওনা ঃ এক চমু অৱলোকন ✍ দিব্যজ্যোতি ৰাজখোৱা ৬
- আব্ৰাহাম লিঙ্কনৰ চিঠি, শিক্ষকতা আৰু বহুতো ✍ জ্যোতিৰেখা বৰা ১১
- A Brief History of Golaghat ✍ Alaktaragg Thengal ১৩
- পকা কঁঠাল ✍ ড° যতীন নাথ ১৪
- হৃদয়ৰ আঁৰে আঁৰে ✍ জোনামণি বৰা ১৭
- जीवन रस में पगी कविताएं ✍ गीताश्री बरा ২০
- ডিজিটেল গ্ৰন্থাগাৰত এভুমুকি ✍ ফণীধৰ শইকীয়া ২৩
- The Value of Time ✍ Ajay Kr. Prasad ২৬
- True Friendship ✍ Santana Gupta ২৭
- প্ৰতীক্ষা ✍ কাকুমণি কটকী ২৮
- চিন্তা ✍ পৰাগ প্ৰতিম শইকীয়া ৩১
- The Camp – a lot of memories ✍ Susmita Deb ৩৪
- The Untold Tale of The Nightingale ✍ Nandini Gupta ৩৫
- Womanhood ✍ Nandini Gupta ৩৬
- फिरभी कुछ कम है ✍ नन्दिनी गुप्ता ৩৭
- हे शिक्षक तुम्हे प्रणाम ✍ विट्ठु गुप्ता ৩৭
- मानवता ✍ कौशिक चाह्नु ৩৮
- जिन्दगी ✍ रुही खातुन ৩৮
- ৰাজস্থান ভ্ৰমণ ✍ চিম্পী ৰাজবংশী ৩৯
- বিশ্ব পৰিৱেশ দিৱস ✍ দিগন্ত ফুকন ৪৪
- মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জোৰাম থাংগাৰ লগত অন্তৰংগ আলাপ ✍ প্ৰণৱ পাঠৰী ৪৬
- দুখৰ অধিকাৰ ✍ অমিয়া বৰা ৫১
- चन्द्रगुप्त : ध्रुवस्वामिनी नाटक के आधार पर ✍ हेमाश्री सैकीया ৫৩
- এক প্ৰয়াস ✍ শিল্পী গগৈ ৫৬
- Ancient Indian Scientists Acharya Patanjali ✍ Subhir Paul ৫৮
- Report from President ৬০
- উপ-সভাপতিৰ প্ৰতিবেদন ৬১
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৬২
- আলোচনী সম্পাদকৰ প্ৰতিবেদন ৬৫
- Report from Assistant General Secretary ৬৭
- সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৬৮
- তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭০
- সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭১
- সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭২
- ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭৩
- ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭৪
- গুৰুক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন ৭৫
- ক্ৰিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭৬

সম্পাদকীয়

# অসমীয়া সাহিত্যৰ সমাজখনত আলোচনীৰ ভূমিকা



অসমীয়া সাহিত্য জগতত শিশু বিষয়ক বহুতো আলোচনী পোৱা যায়। করুণাভিৰাম বৰুৱাৰ 'ল'ৰাবন্ধু" নামৰ প্ৰথম শিশু বিষয়ক আলোচনীখনৰ পৰা বৰ্তমানলৈকে বহুতো শিশু বিষয়ক আলোচনী প্ৰকাশ হৈছে। এই সমূহৰ ভিতৰত 'মৌ', 'জিজ্ঞাস', 'বাৰ-ওঠৰ', 'কণ-কণ' আদিকে ধৰি বিভিন্ন সাহিত্যালোচনী সৃষ্টি হোৱা দেখা পোৱা যায়।

ইয়াৰোপৰি গৰিয়সী, সাতসৰী, প্ৰকাশ আদি সাহিত্য বিষয়ক আলোচনীসমূহেও সাহিত্যৰ ভঁৰাল চহকী কৰিছে। বৰ্তমান অসমীয়া সাহিত্য জগতত ইন্টাৰনেট মাধ্যমৰ জৰিয়তেও বিভিন্ন সাহিত্য আলোচনীৰ প্ৰচাৰ তথা প্ৰসাৰ হোৱা পৰিলক্ষিত হৈছে, যিবোৰ আলোচনীক 'ই-আলোচনী' বুলি কোৱা হয়। ইলেকট্ৰনিক মাধ্যমৰ প্ৰচাৰ তথা প্ৰসাৰৰ ফলশ্ৰুতিত ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে সৃষ্ট এই আলোচনীসমূহ ইন্টাৰনেটত উপলব্ধ। এই আলোচনীসমূহে অসমীয়া সাহিত্যিক আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰিছে। 'বৰ্ণিল', 'চিঞাহী', 'উজ্জীৱন' আদি এই শ্ৰেণীৰ আলোচনী। এইদৰেই অসমীয়া সাহিত্যত আলোচনীয়ে নিজস্ব বিশেষত্বৰে প্ৰভাৱ বিস্তাৰ কৰি অহা পৰিলক্ষিত হৈছে।

আলোচনী এখনে সমাজত কেনে প্ৰভাৱ পেলায় সেয়া বিচাৰ্য বিষয়। মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ত প্ৰকাশিত আলোচনীয়েও অসমীয়া সাহিত্য জগতত যথেষ্ট অৰিহণা যোগোৱা দেখিবলৈ পোৱা যায়। কিয়নো মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত প্ৰকাশিত সাহিত্য আলোচনীৰ গাত ভেঁজা দিয়ে সৃষ্টি হয় নবীন সাহিত্যিকৰ। বিশ্ববিদ্যালয় পৰ্যায়ত প্ৰকাশিত আলোচনী এখনে সমাজলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰে। এনে আলোচনীত সন্নিৱিষ্ট হৈ থাকে যুৱ-প্ৰজন্মৰ চিন্তা-চৰ্চা আৰু সৃষ্টিশীল মনোভাৱ। সামাজিক ক্ষেত্ৰখনলৈ নতুনত্ব কঢ়িয়াই অনা এই আলোচনীসমূহেই একোখন সমাজক প্ৰতিনিধিত্ব কৰিব পাৰে। ঠিক একেদৰেই মহাবিদ্যালয়ৰ পৰ্যায়ৰ আলোচনীয়ে ন-কৈ উঠি অহা এজাক কিশোৰ-কিশোৰীক সাহিত্যৰ নানা দিশৰ লগত পৰিচয় কৰায়। ভৱিষ্যতে এজন ভাল সাহিত্যিক হোৱাৰ বাট দেখুৱায়। সাহিত্যৰ ভেটি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়ৰ এই আলোচনীসমূহৰ গুৰুত্ব প্ৰণিধানযোগ্য।

আলোকেৰে দীপ্ত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'জ্যোতিষ্মান' মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱা পিছৰ বৰ্ষৰ পৰাই ধাৰাবাহিকভাৱে প্ৰকাশ

হৈ আহিছে। 'জ্যোতিষ্মান' আলোচনীখনে মহাবিদ্যালয়খনৰ একোটা বৰ্ষৰ স্মৃতিও ধৰি ৰাখে। সাহিত্য সমাজৰ দাপোণ স্বৰূপ। সাহিত্য অবিহনে একোখন সমাজৰ অস্তিত্ব শোচনীয়। সাহিত্যৰ ভেটি প্ৰতিষ্ঠিত হয় কাকত-আলোচনীৰ ওপৰত ভিত্তি কৰিয়ে। এই কাকত-আলোচনীৰ ইতিহাস বহু পুৰণি। অসমীয়া সাহিত্য জগতৰ কাকত-আলোচনীৰ কথা আলোচনা কৰিলে আমি প্ৰথমেই নাম ল'ব লাগিব 'অৰুণোদই' কাকতৰ। ১৮৪৬ চনত খ্ৰীষ্টান মিছনেৰী নাথান ব্ৰাউনৰ দ্বাৰা সম্পাদিত এই কাকতেই আধুনিক অসমীয়া সাহিত্য চৰ্চাৰো বুনিয়াদ ৰচনা কৰা প্ৰথমখন কাকত। সেই তেতিয়াৰ পৰা বৰ্তমানলৈকে কাকত-আলোচনীয়ে সাহিত্যৰ ভেটি শক্তিশালী কৰি আহিছে। এই কাকত-আলোচনীসমূহৰ ভিতৰত 'জোনাকী', 'বাঁহী'কে ধৰি 'আসাম বিলাসিনী', 'অসম দৰ্পণ', 'আসাম দীপক', 'আসাম নিউজ', 'আসাম বন্ধু', 'মৌ' আদিয়ে অসমীয়া সাহিত্যত একোটা যুগৰ সৃষ্টি কৰিছিল। কলিকতাত পঢ়িবলৈ যোৱা তিনিজন ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ সহযোগত ১৮৮৯ চনত 'জোনাকী' আলোচনী প্ৰকাশ পায়। অসমীয়া সাহিত্য জগতত 'জোনাকী' আলোচনীয়ে এটি নতুন যুগৰ সূচনা কৰে। জোনাকী আলোচনীৰ পাততেই প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা 'বনকুঁৱৰী' প্ৰকাশ হয়। ইয়াৰোপৰি চুটিগল্প, ৰস ৰচনা, প্ৰবন্ধ, আত্মজীৱনী আদিৰ দৰে নতুন সাহিত্যৰ ধাৰাৰ উদ্ভৱ হ'বলৈ ধৰিলে।

অসমীয়া সাহিত্য আলোচনীত মহিলা বিষয়ক আলোচনীৰ কথা প্ৰণিধানযোগ্য। ১৯২৭ চনত পোনপ্ৰথম বাৰৰ বাবে 'ঘৰ-জেউতি' নামৰ মহিলা বিষয়ক এখন আলোচনী প্ৰকাশ হয়। সাম্প্ৰতিক সময়তো 'নন্দিনী', 'পুবালী', 'প্ৰিয় সখী', 'শ্ৰীময়ী', 'কংকন' আদি বিভিন্ন নামেৰে প্ৰকাশিত মহিলা বিষয়ক আলোচনীয়ে অসমীয়া সাহিত্য জগত চহকী কৰিছে। মহাবিদ্যালয়ৰ একোটা শিক্ষাবৰ্ষত অনুষ্ঠিত হোৱা সাংস্কৃতিক কাৰ্যসূচী, বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা সফলতা আদি বাৰ্ষিক আলোচনীখনে সংৰক্ষণ কৰে। মহাবিদ্যালয় আলোচনী 'জ্যোতিষ্মান'ৰ পাততেই বহুকেইগৰাকী নতুন লেখকৰ সাহিত্য জীৱনৰ আৰম্ভণি ঘটা বুলি ক'ব পাৰি।

সাহিত্যৰ লগত জড়িত থাকি ভালপোৱাৰ বাবেই মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দায়িত্ব লৈছিলো। সফলতা কিমান পালো নাজানো কিন্তু এখন আলোচনী সম্পাদনাৰ বাবে আমাৰ অলপ হ'লেও অভিজ্ঞতা অৰ্জন হ'ল। আশাকৰো প্ৰত্যেক বৰ্ষতে আলোচনী সম্পাদনাৰ বাবে একোগৰাকী উৎসাহী ছাত্ৰ-ছাত্ৰী ওলাই আহক আৰু 'জ্যোতিষ্মান'ৰ আলোকেৰে দীপ্ত কৰি তোলক গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

শেষত গোলাঘাট বাণিজ্য মহাবিদ্যালয় কৰ্তৃপক্ষৰ সকলোৰে প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'জ্যোতিষ্মান' আলোচনীখন ছপা কৰি উলিয়াই দিয়াৰ বাবে দৃষ্টিকোণ অফ্ছেটৰ স্বত্বাধিকাৰ প্ৰমুখ্যে কৰ্মচাৰীসকলক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত 'জ্যোতিষ্মান' আলোচনীৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

**কাকুমনি কটকী**
সম্পাদক, 'জ্যোতিষ্মান'
২০১৭-১৮ বৰ্ষ



গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ চিন্তা-চেতনাক নতুন ৰূপত সজাই তোলা ড° যতীন্দ্র নাথ শইকীয়াদেৱে ২০১৫ বৰ্ষৰ ছেপ্টেম্বৰৰ পৰা ২০১৯ বৰ্ষৰ ২২ ফেব্ৰুৱাৰী পৰ্যন্ত অধ্যক্ষৰ আসন অলংকৃত কৰিছিল। দুৰ্বাৰ কৰ্মশক্তি আৰু প্ৰেৰণাৰ উৎস স্বৰূপ তেখেতে মহাবিদ্যালয়খনিৰ বৌদ্ধিক আৰু সাংস্কৃতিক যাত্ৰাৰ নেতৃত্ব প্ৰদান কৰিছিল। চিৰসুন্দৰৰ মাজত বিলীন হৈ পৰা শ্ৰদ্ধাৰ শইকীয়াদেৱৰ প্ৰতি এই পবিত্ৰ ক্ষণত মহাবিদ্যালয় পৰিয়ালে অশ্ৰুসিক্ত নয়নেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ।



# MESSAGE *from* PRINCIPAL

*I feel proud that our college magazine has successfully travelled a long journey of 46 years since it's first publication in 1973 to it's present existance. The magazine, I am sure, will mirror the creative and innovative ideas of both students and teachers.*

*I congratulate the magazine secretary and the members of her team on being successfully brought out the magazine in a very useful way.*

27/06/201




Teaching staff of Golaghat Commerce College.




Library staff of Golaghat Commerce College.



Principal and Office staff of Golaghat Commerce College. (photo collection 2016)

# EDITORIAL BOARD OF 'JYOTISHMAN'



**Arindom Bora**
Advisor



**Anamika Hazarika**
Advisor



**Junti Dowerah**
Advisor



**Nandini Baruah**
Advisor



**Kakumoni Kotoki**
Editor

# সেই আঙুলিবোৰ

■ ড° দিপালী গগৈ



সেই আঙুলিবোৰ মোক উভোতাই দিয়া
মোৰ নিমাওমাও সময়ক তচনচ কৰিবলৈ
যি নদীৰ দৰে উচ্ছল
মাটিৰ দৰে উৰ্বৰ

তৃষ্ণাৰ্ত চৰাই হৈ যি
মোৰ বাউসীত উচপিচাই আছিল
কুটি খাব খুজিছিল দুচকুৰ মেঘ

ভালপোৱাৰ ধল হৈ
ধুই নিব খুজিছিল মোৰ বৰ্ণহীন সময়

বিচ্ছেদৰ দিনবোৰত যাৰ সোঁৱৰণীয়ে
কাতৰ কৰি তুলিছিল মোৰ ভাৱনাৰ আকাশ
সেই আঙুলিবোৰৰ বাবেই
মৰি মৰি জী উঠে মোৰ জঠৰ কলম। ০০০

# অপেক্ষা

■ জোনামণি বৰা



মোৰ মনৰ পদূলিৰ
হাচনাহানাৰ সুবাসে
কঢ়িয়াই আনে তোমাৰ বতৰা

উতনুৱা বতাহৰ কি উপমা

সপোনে সপোনে
উৰেটো বাতি
কোনে
গুণগুণাই থাকিল বনগীত এফাকি

অৰণ্যমুখী এজাক বৰষুণৰ শ্ৰুতলিপি। ০০০

# কবিতা


■ প্ৰণামী কাশ্যপ দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

কি ফুলৰ গোন্ধ আছিল
শৈশৱতে এবাৰ নে দুবাৰ পাইছিলো
জোনাকে সাবটি অনা
সেই মায়াময় সুবাসত
মই আওৰাইছিলো
বসন্ত গান।

হৃদয়ৰ সমস্ত অনুভূতিত
বাজি আছিল
ৰাগ ভৈৰৱ।

কবিতা
তুমি মোৰ অনুভৱৰ
সোঁৱৰণি। ০০০





# শংখ-নিনাদ

■ ধীমান ভূঞা
ষষ্ঠ ষাণ্মাষিক (অৰ্থনীতি বিভাগ)

এখন প্ৰাচীন অৰণ্যৰ মাজত
বাট হেৰুৱাই মই ৰৈ আছো
বুকুত গুজি লৈছো
তেজৰ সীপাৰৰ শেলুৰৈ সনা
গধূলিৰ অচিনাকি মাত
খহি পৰিব খোজা পাহাৰটোৰ
সীমনাত
প্ৰত্যাশাৰে এতিয়া
অজান লিপিকাৰৰ প্ৰতীক্ষাত...

# তোমাক ভালপাওঁ বাবেই

■ মানস বৰা
পঞ্চম ষান্মাষিক (বাণিজ্য বিভাগ)

তোমাক ভালপাওঁ বাবেই
বুকুৰ সপোনবোৰ আজিও সেউজীয়া

নীলা এসাগৰ অনুৰাগেৰে তোমাক
কঢ়িয়াই লৈ ফুৰিছো
মন আকাশত।

তুমি জীৱনমুখী ৰেলগাড়ীখনত
আৰু মই
এক পৰিতপ্ত ষ্টেচনত

তোমাক লৈ সুখী হোৱাৰ সাধনাৰে
ফিনিক্স পখীৰ সাধুকথা

সেই সাধুকথাৰ যাদুকৰী বাসনাই
মোক মোৰ পৰা তোমালৈ
তোমাক তোমাৰ পৰা মোলৈ
এক ৰাগ ঐনিতম

এজাক ৰিমঝিম বৰষুণে
পাহি মেলে...। ০০০



# আঙঠি

■ কাকুমণি কটকী
পঞ্চম ষান্মাষিক (কলা)

ন-কৈ পাতিব খোজা ঘৰখনিত
দহজনৰ আগত মোৰ আইতাই মাক পিন্ধাইছিল
চিৰদিন দেউতাৰ হৈ যোৱাৰ চিনস্বৰূপে আঙঠিটো


বহু বসন্তৰ পাছতো একেদৰেই আছে
আঙঠিটো...
হাতৰ সেই বিশেষ আঙুলিত

নুখুলে আঙঠিটো মায়ে

মাৰ হয়তো ভয়!
কিজানি লাঞ্চিতা হয়
শকুন্তলাৰ দৰে! ০০০

# সুখ-দুখ

১. সুখ
মোক তই
নিদিবি প্ৰবোধ
যদিও মই
আজন্ম
অবোধ।
২. দুখ
মোৰ বাবে
সদায়
তই কিয়
হৈ থাক
উন্মুখ। ০০০



# বৰপেৰা ঃ তোমালোকলৈ


■ ৰীমাৰেখা বুঢ়াগোহাঁই



তোমালোকৰ বৰপেৰাটোৰ আকাৰ
বৰ সৰু হৈছে জানা
তাত নধৰা হৈছে ক্ৰান্তদৰ্শীৰ আভা
কমাৰ, কুমাৰ, মিস্ত্ৰীৰ নহয় অভাৱ
কাক লাগে মাতা আৰু
বৰপেৰাটো বহলাই তোলা।
অভাৱ যদি সময়ৰ অথবা অৰ্থৰ
মিছ কল্ এটা দিবা
ময়ে কৰিম সকলোবোৰৰ ব্যৱস্থা।
এইযে গাঁও — জকাইচুক, চেঙেলিচুক ৰহঢলা, চিলাপথাৰ
'গ্লবেল ভিলেজ'এ সকলোবোৰক কৰিলে একাকাৰ
তোমালোকৰ বহল বৰপেৰাট
লাগিব থ'ব দেশ-বিদেশৰ অনেক সম্পদ
নহ'লে সময়ে আনিব কঢ়িয়াই অনেক বিপদ
এতিয়া,
জ্ঞানৰ বিস্ফোৰণে কৰিছে পৃথিৱী বহল
প্ৰজ্ঞাৰ সাধনাৰে সেয়েহে
আপোন কৰা আজৰি সময়। ০০০

# হুমুনিয়াৰ হাট

■ কুল বৰা



কান্ধত নিয় মেটমৰা ভাৰ...
ভাবিছিলি বেচি থৈ, আনিম এভাৰ...!
লানি নিচিগা মানুহৰ সোঁত...
পিছে কেৰাহীকৈও নোসোধে তোক...!
দুআসী আঠীয়া, দুকুৰি পাণ...
কেইমুঠিমান ঢেকীয়া, দোৰোণ দুমুঠিমান...!
দুটা কলডিল, কেইমুঠিমান কচুশাক...
তাৰেই তোৰ দুবিঘামান সপোন...!
এইয়া যে তোৰ বাৰীৰ খাঁহ
দাঁত নিকতাইও নোসোধে তোক...!
ইয়াৰেই পোহাৰ মেলনো কিয় তাত,
তোৰ বাবে নহয় দেওবৰীয়া হাট,
এনেয়ে বাটকুৰি বাই আহ অতখন বাট...
এইয়া তোৰ হুমুনিয়াৰহে হাট..!!
বেলি দুপৰলৈ লেৰেলি যায় পোহাৰ,
শেঁতা পৰে মুখ
আঁঠুত মূৰগুজি থাকিব নালাগে
ঘৰলৈ উভতি যা...
হাটতেই দুখবোৰ পুতি থৈ আহ!
কৰিবিনো কি!
কবিনো কি!
আইয়ে সুধিলে...
হাটলৈ নগ'লি নেকি?
হাটৰ পৰা আনিলিনো কি?
উত্তৰ বিচাৰি আঙুলিৰ মূৰত
লেখজোখ কৰনো কিমান...!
অভাৱ যিমান
কিনিলো কিমান!!
কিনিলি কেৱল হুমুনিয়াহে এভাৰ...
উভতিলি লৈ উদং হাত...
এতিয়া বুকুত বাজি উঠে বৰকাঁহৰ মাত...
গৈছিলিযে হুমুনিয়াৰ হাট...!! ০০০

প্ৰবন্ধ







# 'অসমীয়া ভাওনা' — এক চমু অৱলোকন

■ দিব্যজ্যোতি ৰাজখোৱা
প্ৰথম ষাণ্মাষিক, ভূগোল বিভাগ

অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ মূল হোতা শংকৰদেৱৰ সৈতে আমি প্ৰত্যেকজন লোকেই পৰিচিত। গুৰু শংকৰদেৱকেই অনুসৰণ কৰি বহুতো গুৰুৱে সময়ে সময়ে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰি নৱ নৱ সৃষ্টিৰে অসমক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিছে। প্ৰায় ত্ৰয়োদশ শতিকাৰ পৰা সোতৰ শতিকাৰ শেষ ভাগলৈকে অসমৰ সাহিত্যত যি সোণালী যুগৰ সৃষ্টি হৈছিল তাৰ প্ৰভাৱ অসমৰ সংস্কৃতিত বাৰুকৈয়ে পৰিছিল। বৈষ্ণৱ ধৰ্মক প্ৰতিষ্ঠাৰ বাবে তথা চিৰস্থায়িত্ব প্ৰদান কৰিবলৈ প্ৰধানতঃ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে বহুতো নতুন চিন্তা কৰিছিল। ইয়াৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱে বিশেষ শ্ৰেণীৰ নাট ৰচনা কৰি অভিনয়ৰ ব্যৱস্থা কৰিছিল। শংকৰদেৱক অনুসৰণ কৰি পিছলৈ মাধৱদেৱকে আদি কৰি তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলেও এই শ্ৰেণীৰ নাটক ৰচনা আৰু অভিনয়ৰ ব্যৱস্থা কৰিছিল। এই নাটসমূহক অংকীয়া নাট বোলা হয়। বৰ্তমান এনে নাটক ভাওনা বোলা হয় আৰু ৰচনা কাৰ্যক নাট-কটা বা নাট-লেখা বুলি কোৱা হয়। অসমীয়া নাট্য সাহিত্যৰ প্ৰথম নিদৰ্শন অংকীয়া নাট-ভাওনা সৃষ্টিৰ আদৰ্শ মূলতঃ সংস্কৃত নাটক, মধ্যযুগীয় ভাৰতৰ লোকনাট্যানুষ্ঠান আৰু অসমৰ থলুৱা লোকনাট্যানুষ্ঠান। তলত ভাওনাৰ সম্পৰ্কত এক চমু আলোকপাত কৰা হ'ল—

ভাওনাৰ উদ্দেশ্য ঃ-

মহাপুৰুষ শংকৰদেৱৰ নাট্যকৰ্মৰ প্ৰধান উদ্দেশ্য হৈছে ধৰ্ম প্ৰচাৰ, মোক্ষপ্ৰাপ্তি আৰু কাম পূৰণ। শংকৰদেৱৰ নাটৰ প্ৰথম নান্দী শ্লোকৰ পিছত সূত্ৰধাৰৰ শ্লোক আৰু সূত্ৰৰ উক্তিবোৰৰ পৰা এই কথা স্পষ্টকৈ বুজা যায়। সেই সময়ৰ নিৰক্ষৰ জনসাধাৰণে যাতে সহজে ধৰ্মৰ কথাবোৰ উপলব্ধি কৰিব পাৰে তাৰ বাবে শাস্ত্ৰ পাঠ আৰু মৌখিক উপদেশতকৈ নাট্যাভিনয় অধিক ফলপ্ৰদ উপায় আছিল। সেয়ে তেওঁ সংস্কৃতিৰ দিশত লোকব্যঞ্জক আহিলা হিচাপে গ্ৰহণ কৰিছিল

অংকীয়া নাটৰ প্ৰদৰ্শন অৰ্থাৎ ভাওনাক।

**ভাওনা আৰু বিশ্বাস প্ৰথা ঃ-** ভাওনাৰ লগত বহু ধ্যান-ধাৰণা, বিশ্বাস জড়িত হৈ আছে। ভাওনাক ঈশ্বৰৰ দান বুলি গণ্য কৰা হয়। সেয়ে ভাওনাৰ আগদিনা এভাগ শৰাই-শলিতা দি মাহ-প্ৰসাদেৰে নামঘৰত প্ৰাৰ্থনা জনোৱা হয়। ভাওনাৰ এটা দিনৰ আগত পবিত্ৰ মনেৰে সকলোৱে সম্পূৰ্ণ আখৰা সমাপন কৰে আৰু গায়ন-বায়ন, সূত্ৰধাৰ আৰু শ্ৰীকৃষ্ণৰ ভাও লোৱাসকলে উপবাসে থাকি ভাওনাৰ দিনা দিনৰ ভাগত নাম-কীৰ্তনত ভাগ লয়। সকলোৱে ভকত-বৈষ্ণৱক সেৱা কৰি আশীৰ্বাদ লয়।

**বৈশিষ্ট্য ঃ** মহাপুৰুষজনাই ৰচনা কৰা এই নাটসমূহক কিছুমান সুকীয়া বৈশিষ্ট্যই ভাৰতৰ আন নাটসমূহৰ পৰা পৃথক কৰিছে। সেই বৈশিষ্ট্যসমূহ এনেধৰণৰ —

- **সূত্ৰধাৰ ঃ** সূত্ৰধাৰজন হ'ল ভাওনাৰ মূল। সূত্ৰধাৰক কুশল অভিনেতা, গীত-বাদ্য-নাট বিশাৰদ আৰু সুপৰিচালক হিচাপে গুৰুজনাই তেৰাৰ নাটকত ঠাই দিছে।
- **দ্বিতীয় গীত-শ্লোক আৰু পয়াৰৰ প্ৰয়োগ ঃ** মহাপুৰুষ দুজনাই ভাওনাত গীত আৰু শ্লোকৰ ব্যৱহাৰ কৰি পয়াৰ চন্দৰ সমাৱেশ ঘটাইছে।
- **ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ ঃ** ব্ৰজাৱলী হৈছে এটি কৃত্ৰিম সাহিত্যিক ভাষা, পুৰণি অসমীয়া আৰু ব্ৰজভাষাৰ সংমিশ্ৰণত ব্ৰজাৱলী গঢ়ি উঠিছে। এই নাটসমূহৰ ভাষা আছিল ব্ৰজাৱলী।
- **লয়যুক্ত গদ্য প্ৰয়োগ ঃ** ভাওনাত বিভিন্ন লয়-ৰসৰ সমাৱেশ ঘটা দেখা গৈছে। তথা ভাওনাত গীত-শ্লোকৰ লগতে গদ্য শৈলীৰো প্ৰকাশ ঘটিছে।
- **সংস্কৃত শ্লোকৰ ব্যৱহাৰ ঃ** ভাওনাত বিভিন্ন সংস্কৃত শ্লোকৰ ব্যৱহাৰ কৰা দেখা যায়।

**ভাওনাৰ প্ৰতীক ঃ**

ভাওনা সকলো ঠাইতে বা পৰিৱেশতে অনুষ্ঠিত কৰিব পৰাটো অসম্ভৱ। এই ভাওনা সম্পন্ন হ'ব কিছুমান নিৰ্দিষ্ট প্ৰতীকধৰ্মী ঠাই বা উপকৰণৰ সহযোগত। তলত সেইসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল—

- **সাত খলপীয়া সিংহাসন ঃ** কীৰ্তন ঘৰৰ পূৰ্ব দিশৰ দ্বিতীয় কোঠাটোত পশ্চিমমুৱাকৈ থাকে সিংহাসন। যি আসনত সিংহ সংযুক্ত হৈ থাকে সেয়াই সিংহাসন। চতুষ্কোণী সিংহাসনত সাতোটা স্তৰ থাকে, ই হ'ল বৈকুণ্ঠৰ প্ৰতীক। সিংহাসনৰ একেবাৰে ওপৰৰ ভাগটোৰ নাম হ'ল 'আমহী' ঘৰ, য'ত কীৰ্তন-ভাগৱত স্থাপন কৰা হয়। ইয়াতেই থাকে পৰমব্ৰহ্ম। ই হ'ল পূৰ্ণব্ৰহ্মাৰ প্ৰতীক।
- **অগ্নিগড় ঃ** অসমীয়া ভাওনাত কাঠৰ তোৰণাকৃতিৰ ওপৰত ৯ টা অথবা ১৮ টা প্ৰদীপ জ্বলাই তাৰ তলেদি ভাৱৰীয়াক প্ৰৱেশ কৰিবলৈ দিয়া হয়। ইয়াক অগ্নিগড় বোলা হয়। অগ্নিগড়ৰ ন ডাল শলিতা বা প্ৰদীপ হ'ল নৱবিধা ভক্তিৰ প্ৰতীক। অগ্নিগড়ৰ শলিতাবোৰত অগ্নি জ্বলোৱাৰ লগে লগে আৰম্ভ হয় 'বৰ প্ৰৱেশ'ৰ নাচ আৰু 'নটুৱাৰ গান'।
- **ভোটা ঃ** সিংহাসনৰ সোঁহাতে মূঢ়াৰে সৈতে আঢ়ৈ ফুটমান ওখকৈ পোতা কলগছৰ মূঢ়াটোৰ মাজতে খোৰোং কৰি, তাত মিঠাতেল আৰু আৰৈ চাউল দি মাজতে সূতা মেৰোৱা শলা এডাল পুতি জুই লগাই কৰা পোহৰ হোৱা সঁজুলি। ই হ'ল একশৰণ নামধৰ্মৰ প্ৰতীক।
- **আৰিয়া ঃ** আৰিয়া হ'ল ৰাতি অনুষ্ঠিত হোৱা পোহৰৰ মাধ্যম স্বৰূপ। সাধাৰণতে তিনি মিটাৰমান দৈৰ্ঘ্যৰ বাঁহৰ কাঠি কৰি তাৰ ভালেমান মুঠা বান্ধি মুঠাটোৰ এমূৰে মিঠাতেলত জুবুৰিয়াই থোৱা সূতা বা ফটাকানিৰ শকত জুমুঠি এটি ভালদৰে বান্ধি তাত জুই লগোৱা হয়। আৰিয়া হ'ল শ্ৰৱণ-কীৰ্তন আৰু ভক্তিৰ প্ৰতীক।
- **আঁৰ-কাপোৰ ঃ** ছোঁ ঘৰৰ পৰা অভিনেতাসকলক ভাওনাৰ থলীলৈ আনোতে আঁৰ কাপোৰ এখনেৰে আঁৰ দি অনা হয়। ভাৱৰীয়াই নামঘৰৰ মজিয়াত ৰভাৰ খলাখনত আঁঠু দি সেৱা কৰাৰ পাছত, খোলত চাপৰ জোৰালৈকে আঁৰ কাপোৰখনে আঁৰ দি দৰ্শকৰ মনত উৎসুকতা জন্মায়। ই হ'ল মায়া আৰু ভক্তিজ্ঞানৰ প্ৰতীক।

**ভাওনাৰ বৰ্ণনা ঃ**

শংকৰদেৱে তেৰাৰ নাটক 'নাট', 'নাটক' আৰু 'যাত্ৰা' শব্দহে ব্যৱহাৰ কৰিছে। মাধৱদেৱৰ নাটকত 'ঝুমুৰা', 'যাত্ৰা' আদি শব্দ ব্যৱহাৰ হৈছিল। সুখ-দুখৰ উৎপত্তি দেখুওৱা আৰু শৃংগাৰ আদি ৰসৰ পৰিপূৰ্ণতাই নাটৰ বিষয়বস্তু যদিও সাত্বিক, অভিনয়হে মূল কথা। নাটৰ বিভিন্ন বিভাগবোৰক অংক বোলা হয়।

ভৰত মুনিৰ মতে ৰূপক দহবিধ আৰু উপৰূপক ওঠৰবিধ। ৰূপকৰ অংক আৰু উপকৰণৰ হল্লীসৰ লগত অংকীয়া নাটৰ কিছু সাদৃশ্য আছে। ভাওনা হ'ল নাট, নৃত্ত

আৰু নৃত্যৰ সমাহাৰ। ভাওনাৰ শ্লোক, অপিচ আৰু সূত্ৰধাৰৰ বচনৰ ওপৰত সম্পূৰ্ণ পৰিচালনাৰ ভাৰ সূত্ৰধাৰৰে। গীত-পদ-ৰাগ-তালৰ কৰ্তব্যখিনি গায়ন-বায়নৰ ওপৰত নিৰ্ভৰ কৰে। গীত-মাতত মহিলা আৰু ঋষি-মুনিৰ প্ৰৱেশ হয়। ভাওনাৰ আৰম্ভণিতে গায়ন-বায়নৰ জোৰাগোৰা পৰ্বটো অতি গুৰুত্বপূৰ্ণ।

ভাওনাৰ দিনা কীৰ্তনঘৰ, নামঘৰ বা মুকলি মঞ্চ পৰিষ্কাৰ কৰি, কলপুলি ৰুই সজাই-পৰাই সুন্দৰ পৰিৱেশ গঢ়ি তোলা হয়। ইয়াৰ পিছত ভাওনাৰ আৰম্ভণিৰ লগে লগেই এজন এজনকৈ ভাৱৰীয়াই প্ৰৱেশ কৰি অভিনয় মঞ্চস্থ কৰে আৰু কাহিনীৰ শেষত ভাওনাৰ অন্ত হয় আৰু শেষত সকলো ভাৱৰীয়াই সেৱা লয় আৰু ভাৱৰীয়াই প্ৰসাদ গ্ৰহণ কৰে।

**ভাওনাৰ বাদ্যযন্ত্ৰ ঃ**

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত ভাওনাসমূহ সংগীত প্ৰধান। প্ৰথম ভাওনা 'চিহ্নযাত্ৰা'ক গুৰুজনাই চিত্ৰৰ জৰিয়তে আৰু গীত, বাদ্য আৰু নৃত্যৰে মনোমোহা কৰি তুলিছিল। ভাওনাত ব্যৱহৃত অনবদ্য বাদ্যৰ ভিতৰত খোল, মৃদংগ, নাগাৰা আদি পৰে। ঘন বাদ্য অৰ্থাৎ টান পদাৰ্থৰে আঘাত কৰি বজোৱা বাদ্যৰ ভিতৰত পাতিতাল, ভোৰতাল, বৰকাঁহ, খেৰেঙীতাল, খুটিতাল, মন্দিৰা আদি অন্যতম। ভাওনাত ব্যৱহৃত সুষিৰ বাদ্য হৈছে শংখ, বাঁহী ইত্যাদি।

**সাজ-পোছাক ঃ**

ভাৱৰীয়াসকলৰ চৰিত্ৰ অনুযায়ী সাজ-পোছাক বেলেগ বেলেগ হয়। গায়ন-বায়ন আৰু সূত্ৰধাৰৰ পিন্ধনত বগা ধুতি বা ঘোৰী, গাত গেঞ্জী, পাঞ্জাৱী, চেলেং, মূৰত বগা পাগ থাকে। ৰামৰ চৰিত্ৰৰ বাবে গা আৰু হাতত নীল, হালধীয়াৰ ৰং মিশ্ৰিত অনুলেপন সানি কপালত দীঘলীয়া ফোঁট, পিন্ধনত গেৰুৱা বা হালধীয়া ধুতি আৰু ৰঙীন চেলেং চাদৰ। হাত আৰু বাহুত বাজু, ভৰিত কিংকিনি থাকে। কৃষ্ণ আৰু বলোৰামৰ ক্ষেত্ৰত কৃষ্ণক গেৰুৱা-হালধীয়া ধুতি, পিঠিত পিঠিয়া, বুকুত বুকুৱা, গাত ৰঙীন চেলেং চাদৰ, কঁকাল বান্ধনী, মুখ-হাতত বগা-হালধীয়া-নীল মিশ্ৰণ কৰি প্ৰস্তুত কৰা অনুলেপন, কপালত দীঘলীয়া ফোট, হাত-ভৰিত বাজু, ৰাজকীয় পোচাক, ভৰিত জুনুকা, ফুলৰ মালা, মূৰত কীৰিতি, ভীমৰ মূৰত বাৰ্বি, গাত গাঁঠি চোলা, মাণিক-মুকুতা, ৰাজকীয় মালা, ঋষিসকলে মূৰত জঁটা, মুগা-ক'লা বৰণৰ, গাত অনুলেপন, হালধীয়া ধুতি, হালধীয়া চেলেং-চাদৰ, হাত-ডিঙিত মালা, কপালত চন্দনৰ তিলক। অসুৰ ৰজাসকলে মণি-মুকুতা, হাতত গদা বা ত্ৰিশূল, কঁকাল বান্ধনী, ডিঙিত মণি, হাত-বাহুত বাজু, মূৰত চুলি আৰু মুকুট, চকুৰ পতাত ৰঙা ৰংপতা, কপালত দীঘল ফোঁট। বেয়া ৰজা বা অসুৰ প্ৰবৃত্তিৰ চৰিত্ৰই পিন্ধনত ৰঙা শাৰী, কপালত দীঘলীয়া বা পথালিকৈ ফোট, ৰাক্ষস-ৰাক্ষসীৰ পিন্ধনত গাত ক'লা বা ৰঙীণ জলম, মূৰত আউলী চুলি, হাতৰ আঙুলিত দীঘল নখ। ভালুক-বান্দৰৰ জলম ঘৰতে তৈয়াৰ কৰি লোৱা হয়। সকলোবিলাক ভাৱৰীয়াই ভৰিত নূপুৰ, কাণত কুণ্ডল আৰু মণি আদি পিন্ধা দেখা যায়।

**ভাওনাৰ নৃত্য ঃ**

ভাওনাৰ আটাইতকৈ বিশাল তথা মনোৰঞ্জকৰ উপাদানেই হ'ল ভাওনাৰ নৃত্য। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে সৃষ্টি কৰা নাটবোৰত কাহিনী বা সংলাপতকৈ নৃত্যৰ ওপৰতহে গুৰুত্ব অধিক দিছিল। কিন্তু ভাওনাৰ নৃত্যসমূহ আন নৃত্যসমূহতকৈ পৃথক। ভাওনাৰ নাচ-নাটকীয় কাহিনী আধাৰিত হোৱাৰ বাবে ই ভাওনাৰ ৰীতি-নীতি, কলা-কৌশল আদিৰ দ্বাৰা অনুশাসিত। এই নাচসমূহ ভাওনাৰ অবিহনে অন্য অৱসৰত পৰিৱেশন কৰিব পৰা নাযায়। ভাওনাৰ নাচবোৰ সাধাৰণতে এককভাৱেহে প্ৰদৰ্শিত হয়। ভাওনাৰ নাচ, গীত, শ্লোক, ভটিমা, কথা-সূত্ৰ আদি বিভিন্ন প্ৰকাৰৰ সংগীতৰ আধাৰত প্ৰতিষ্ঠিত। ভাওনাত উভয় নৰ্তন ৰীতিৰ সংমিশ্ৰণত সংৰচিত নাচৰো প্ৰয়োগ দেখা যায়। ভাওনাৰ প্ৰায় সকলোবোৰ নাচেই নাট্যশাস্ত্ৰৰ বৰ্ণনাৰ ওপৰত প্ৰতিষ্ঠিত। অৱশ্যে দুই-এটি নাচৰ ক্ষেত্ৰত অভিনয় দৰ্পণ আৰু সংগীত ৰত্নাকৰ শাস্ত্ৰ বৰ্ণিত উপাদানো ৰক্ষিত হৈ থকা দেখিবলৈ পোৱা যায়। তলত ভাওনাৰ বিভিন্ন নাচ বা নৃত্যসমূহৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল —

- **গায়ন-বায়নৰ নাচ ঃ** গায়ন-বায়নৰ নাচ ভাওনাৰ পূৰ্বৰংগ হিচাপে গায়ন-বায়নসকলে অনুষ্ঠিত কৰা সংগীতানুষ্ঠান। এদল গায়ন আৰু এদল বায়নৰ সহযোগত এই নাচ অনুষ্ঠিত হয়। প্ৰধানতঃ ভৰিমানৰ ওপৰতেই এই নৃত্য প্ৰতিষ্ঠিত। তথাপিও কিছু হস্ত, খোলৰ চটা, পাক, হালি, উৎপ্লাৱন আদি

বিভিন্ন নৃত্য-উপকৰণৰো সহযোগ থকা দেখা যায়। তলত অসমৰ বিভিন্ন সত্ৰত প্ৰচলিত গায়ন-বায়নৰ প্ৰয়োগ হৈ থকা ভৰিমানবোৰ হ'ল — ১) পেৰেঙণি, ২) সকটাস্য, ৩) চলনা, ৪) অদ্যাধিকা, ৫) পাও আগুৱা, ৬) জুঁটি, ৭) উৰুদ্ধুত, ৮) খোঁচৰা, ৯) উৎস্যন্দিতা, ১০) আদ্‌জুটি, ১১) সৰণ, ১২) পাক, ১৩) আবিদ্ধা, ১৪) পাৰ্শ্বক্ৰান্তা, ১৫) চংক্ৰমণ, ১৬) বেগিনী, ১৭) টেৰ্‌াই, ১৮) পিটিকা, ১৯) ছিটিকা, ২০) দলচক্ৰ, ২১) দন্তপাদ, ২২) চোলা ঘূৰোৱা, ২৩) টেৰ্‌াই ২৪) লেচেৰী, ২৫) চিৰল ইত্যাদি ইত্যাদি। এই নাচৰ ঘোষা ধেমালিত প্ৰায় ৩৫ খন হস্তৰ প্ৰয়োগ আছে। বিভিন্ন হস্তবোৰ যেনে- মজুৰা, অলপদ্ম, সঁৰাহ, পদ্মকোষ, পতাক, জলক আদি। নাচটিৰ এক অন্যতম বৈশিষ্ট্য হ'ল— গা হালি দিয়া আৰু বিভিন্ন ধৰণৰ দলীয় গোট সংৰচনা।

● **সূত্ৰধাৰী নাচ ঃ** এই নৃত্য ভাওনাৰ সূত্ৰধাৰজনে প্ৰদৰ্শন কৰে। বিলম্বিত লয়ত খোল-মৃদং-তাল বাজে, সূত্ৰধাৰে সৰু ভংগীৰে এটি নাচ আগবঢ়ায়। নাচৰ মাজতেই সূত্ৰধাৰজনে থিয় দিয়ে আৰু মধ্যম লয়ৰ বাজনাত তেওঁ আৰম্ভ কৰে — বৰভংগীৰ নাচ। এই দুই অংশ নাচৰ শেষত সূত্ৰধাৰে স্বস্তিক হস্তেৰে গোটেই ভাওনা থলীৰ চতুস্পৰ্শ পৰিভ্ৰমণ কৰি ৰাইজ তথা দৰ্শকৰ মংগল কামনা কৰে। এই নৃত্যৰ খোলত ১৭ খন আৰু শ্লোকত ৯ খন, মুঠতে ২৬ খন বাজানা থকাটো উল্লেখযোগ্য। ৪, ৭, ১০, ১১, ১২, ১৪, ১৫ আৰু ১৭ সংখ্যক বাজনাত সূত্ৰধাৰে খৰ নাচ প্ৰদৰ্শন কৰাৰ সুযোগ পায়। নৰম বাজানাত বহু পাকৰ নাচ আৰু ষোড়শ বাজনাত জিধিনাকত হাত সলোৱা হাত পৰে। বায়নে যেতিয়া শ্লোক গায়, তেতিয়া সূত্ৰধাৰে নৃত্য নকৰে।

● **গোসাঁই নাচ ঃ** শ্ৰীকৃষ্ণ অথবা ৰামচন্দ্ৰই সংগী সমন্বিতে ৰংগভূমিত যি নাচেৰে প্ৰৱেশ কৰে; তাকেই কোৱা হয় গোসাঁই প্ৰৱেশৰ নাচ। মংগলসূচক ভংগীৰে এইনাচৰ পাতনি মেলা হয়। বহাৰ পৰা গোসাঁই থিয় হয় আৰু পদচালনাৰে নৃত্য কৰি হাতেৰে বংশীবাদন ভংগিমা দেখুৱাই ত্ৰিভংগ ভংগীত থিয় দি, নাচৰ সামৰণি পেলায়। নাচটোৰ প্ৰধান ভাগ দুটা হ'ল — বাজানাৰ নাচ আৰু শ্লোকৰ নাচ। গোসাঁই নাচত বংশী হস্ত, স্বস্তিক পদ্ম/পদ, অলপদ্ম, পতাক লহস্তৰ বাদে অন্য শাস্ত্ৰীয় আংগিকৰ প্ৰয়োগ নাই।

● **গোপবালকৰ নাচ ঃ** মাধৱদেৱৰ বিৰচিত ঝুমুৰাত বালক কৃষ্ণৰ প্ৰৱেশৰ বাবে এক পৃথক প্ৰৱেশ নাচৰ প্ৰয়োগ আছে। এই নৃত্যটি কৃষ্ণ আৰু তেওঁৰ লগৰীয়াসকলে কৰে বাবে গোপবালকৰ নাচ বোলে। এই নাচটি বালকসুলভ, উলাহ, জাঁপ, পাক, দেহৰ উঠা-নমা আদি এই নাচৰ প্ৰধান লক্ষণ। নাচটিত পুৰুষ-ওৰা, পুৰুষ-পাক, শাৰী-পাক, অকল-পাক, ছিটিকা, চটা, জলক, আদি বহুতো মাটি আখৰাৰ প্ৰয়োগ হয়। তাৰোপৰি বিভিন্ন হস্তৰো প্ৰয়োগ ঘটে।

● **স্ত্ৰী-প্ৰৱেশৰ নাচ ঃ** গোসাঁইৰ মাতৃ, পত্নী আৰু যিসকলৰ লগৰীয়াসকল, গোপীসকল আৰু অন্য উচ্চমানৰ স্ত্ৰী-চৰিত্ৰ এই নাচত প্ৰৱেশ কৰে। এই নাচ লাস্যাংগযুক্ত। গোসাঁই নাচৰ পিছতেই এই নাচ প্ৰদৰ্শন হয়। এই নাচত প্ৰৱেশৰ গীত মধুৰ হোৱা বাঞ্চনীয়। সেয়ে এই গীত সুহাই ৰাগ আৰু একতালত গোৱা হয়। এই নাচত প্ৰকৃতি ওৰা আৰু প্ৰকৃতি পাকহে পৰে। এই নাচৰ প্ৰধান ভৰিমান হ'ল — চলনা, জুঁটি, চিৰল, লেছেৰী, টেৰ্‌াই আদি।

● **অন্যান্য ভাৱৰীয়াৰ প্ৰৱেশৰ নাচ ঃ** ভাওনাখনৰ বাকীসকলোবোৰ ভাৱৰীয়াৰ বাবে, অৰ্থাৎ প্ৰৱেশৰ বাবে কিছুমান চুটি, চুটি আৰু ই পুৰ্ণপৰ্যায়ৰ বাজনা আধাৰিত নোহোৱা কিছুমান নৃত্যৰ প্ৰচলন আছে। ইয়াক অন্যান্য ভাৱৰীয়াৰ নাচ বোলে। নাট্যশাস্ত্ৰই নাটকীয় চৰিত্ৰবোৰক উচ্চ, মধ্য আৰু নিম্ন এই তিনিটা মানত বিভক্ত কৰি সিবোৰৰ প্ৰৱেশৰ বাবে ভিন্ন ভিন্ন প্ৰকাৰৰ প্ৰৱেশৰ নিৰ্দেশ কৰি গৈছে।

ধীৰোদাত্ত, ধীৰপ্ৰশান্ত আৰু ধীৰললিত ৰজাৰ প্ৰৱেশৰ নাচঃ এই নাচত দশৰথ, জনক, ভীষ্মক, যুধিষ্ঠিৰ, ৰাম, কৃষ্ণ, দেৱৰাজ ইন্দ্ৰ, নন্দ আদি ৰজা, দেৱতা, ভীষ্ম, দ্ৰোণ, কৰ্ণ আদি উচ্চমানৰ চৰিত্ৰই প্ৰৱেশ কৰে। এই নাচত খোজ ২$\frac{১}{২}$ বেগেত দূৰত্ব হ'ব লাগিব।

● **ভংগী নাচ ঃ** ভংগী নাচৰ মূল হ'ল বিভিন্ন ভংগিমাসমূহ। এই নৃত্য সূত্ৰধাৰ, ভাওনাৰ ভগৱান চৰিত্ৰ, দেৱী চৰিত্ৰসমূহে কৰে। ভংগী নাচ ভাওনাৰ মধ্য অংশতো হ'ব পাৰে। বৰ্তমান সূত্ৰধাৰৰ প্ৰায় তিনিখন ভংগীনাচ বান্ধি দিয়া হৈছে। ভংগীনাচ ভাওনাৰ কিছুমান বিশেষ বিশেষ পৰ্বতো কৰা হয়। উদাহৰণ স্বৰূপে, শ্ৰীৰামচন্দ্ৰই হৰধনু ভঙাৰ প্ৰাক্‌মুহূৰ্তত, শ্ৰীকৃষ্ণই কালীয় দমনৰ প্ৰাক্‌মুহূৰ্তত, ইত্যাদি ইত্যাদি সময়ত।

● **গীত-শ্লোক-ভটিমাৰ নাচ ঃ** লগীত, সংস্কৃত শ্লোক আৰু এক প্ৰশস্তিমূলক গীতৰ সংযোজনত এক প্ৰকাৰ বিশেষ

নৃত্যৰ ভাওনাত স্থান আছে। এই নৃত্য সূত্ৰধাৰে কৰে। সূত্ৰধাৰে খোলৰ বাজানাৰ নাচৰ পিছতেই 'প্ৰথম শ্লোক' বুলি লগীতৰ ৰাগ টানি শ্লোক গায়। পিছত সম্পূৰ্ণ নাটখনৰ সাৰাংশ গীতৰ আকাৰে গাই দিয়ে। তাৰ পিছত ক্ৰমে অৰ্থ ভটিমা সূত্ৰধাৰে গায়। নাটৰ সামৰণিত সকলোৰে মংগলৰ বাবে মুক্তিমংগল ভটিমা গায়। সূত্ৰধাৰে উক্ত ভটিমাসমূহত তাল মিলাই হাতৰ বিভিন্ন ভংগীৰে নৃত্য কৰে।

● **খৰমানৰ নাচ ঃ** ভাওনাৰ শেষত খৰমানৰ নৃত্য প্ৰদৰ্শন কৰা হয়। এই নৃত্য দ্ৰুতগতিত পৰিৱেশন কৰা হয়। সাধাৰণতে সূত্ৰধাৰে আগধৰা নৃত্যটিত বাকী সকলো ভাৱৰীয়াই নচাটো অংকীয়া ভাওনাৰ নিয়ম। খৰমান হ'ল ভাওনাৰ প্ৰায় শেষ হওঁ হওঁ অৱস্থাটো। মুক্তি মংগল ভটিমাৰে এই নৃত্যৰ সামৰণি পৰে। এই নৃত্যত খোল-তাল দ্ৰুত বেগত চলে। এই নৃত্যত ভগৱানৰ গুণানুকীৰ্তন কৰা হয় আৰু সদৌ শেষত প্ৰভুৰ ওচৰত অপৰাধ বিনাশ কৰিবৰ বাবে প্ৰাৰ্থনা কৰা হয়।

● **যুদ্ধৰ নাচ ঃ** যুদ্ধ কৰাৰ আগত আৰু যুদ্ধ কৰোঁতে এক বিশেষ প্ৰকাৰৰ নৃত্য পৰিৱেশন কৰা হয়। যুদ্ধ যাত্ৰা, যুদ্ধৰ পৰা দুখমনে পৰাজয় হৈ আহোতে, যুদ্ধৰ জয়ত সুখী হৈও এই নৃত্য কৰা হয়। যুদ্ধৰ বিভিন্ন ধৰণ অনুযায়ী যুদ্ধৰ নাচবোৰো বেলেগ হয়। সমদল যুদ্ধ, একক যুদ্ধ, দ্বিযুদ্ধ সকলোতে নাচৰ ভংগিমা বেলেগ হয়। ভগৱানৰ চৰিত্ৰই সাধাৰণতে যুদ্ধৰ নাচ নাচে। যুদ্ধৰ নাচত ব্যৱহৃত হোৱা খোলৰ বাজনাৰ উদাহৰণ — • তাতাও তাতাও তাখিতি তাতাও, ততাং তখিতি তা, ধিনা ধীনা, ধীনা দিধীনা ধীনাও, ধীনাও তাখিতি তা • ধেইতাতা খি তি দাও, তাখি তাতা খিতি তাৎ, খিটিতাক ধীনা ধীনা ধেই • ধেইতাক, ধেইতাক, ধেইধিনা জিতধেই, তাও তাক, তাও তাক, তাও তাতা খিটিতাক ইত্যাদি ইত্যাদি।

**বৰ্তমানৰ প্ৰতিযোগিতামূলক ভাওনা ঃ**

পূৰ্বতে অসমৰ (বিশেষকৈ উজনি অসম) প্ৰায় প্ৰত্যেকটো নামঘৰতেই ভাওনাই এক অদ্বিতীয় অধিকাৰ কৰি আছিল। বৰ্তমান সময়ৰ পৰিৱৰ্তনৰ লগে লগে বহু ক্ষেত্ৰত ভাও লোৱা ব্যক্তি আৰু ভাওনা পৰিচালনাৰ বাবে শিল্পীৰ অভাৱ, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন কাৰণবশতঃ ভাওনাৰ পৰিধি ম্লান হ'বলৈ ধৰে। পূৰ্বতে বছৰৰ একোটা নিৰ্দিষ্ট দিন, যাক বৰসবাহ বুলি ধৰা হয়, গুৰু দুজনাৰ আবিৰ্ভাৱ, তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি নামঘৰত ভাওনা অনুষ্ঠিত কৰিছিল। আজিৰ একচেতীয়া ব্যস্ত সমাজখনত পূৰ্বৰ ভাওনাৰ ৰূপ দেখিবলৈ নোপোৱা হ'ল। লাহে লাহে ভাওনা সংস্কৃতি ধৰি ৰাখিবলৈ ঠায়ে ঠায়ে বহুতো শিল্পী মঞ্চ, সাংস্কৃতিক মঞ্চৰ সৃষ্টি হ'ল আৰু সেইসমূহে সময়ে সময়ে গুণসম্পন্ন শিশু-যুৱকক একত্ৰিত কৰি ভাওনাৰ প্ৰশিক্ষণ দিবলৈ ল'লে। সংস্কৃতি ধৰি ৰখাৰ উদ্দেশ্যেৰে অসমৰ বিভিন্ন ঠাইত ভাওনা সমাৰোহ অনুষ্ঠিত হ'বলৈ ল'লে আৰু ভাওনাই প্ৰতিযোগিতাত স্থান পালে। প্ৰতিযোগিতাবোৰত এক নিৰ্ধাৰিত সময়ৰ ভিতৰত অভিনয়ৰ সুযোগ দিয়া হ'ল আৰু প্ৰকৃত ভাওনাৰ কাহিনীবোৰ প্ৰায় চুটি হ'বলৈ ধৰিলে। প্ৰতিযোগিতামূলক ভাওনাই যি সময়ত সংস্কৃতি ৰক্ষাৰ বাবে প্ৰয়াস কৰিছে সেই সময়তে ই বহু চিন্তাবিদৰ দ্বাৰা সমালোচিত হোৱাও পৰিলক্ষিত হৈছে। কিন্তু এই কথাও উল্লেখনীয় যে বৰ্তমান বিশেষকৈ যোৰহাট-গোলাঘাট-শিৱসাগৰ জিলাত, এই ভাওনাৰ অনুশীলন বৃদ্ধি হ'বলৈ লৈছে আৰু ই বিশ্বদৰবাৰতো প্ৰতিষ্ঠিত হৈছে। যাৰ বাবে ভাওনা হৈ পৰিছে বহু শিক্ষিত অথবা অশিক্ষিত ব্যক্তিৰ উপাৰ্জনৰ থল।

যিমানেই যি নহওক ভাওনা হ'ল মহাপুৰুষ দুজনাৰ এনে এক সৃষ্টি যাক বিশ্বৰ কোনো ঠাইতে পোৱা নাযায়। ইয়াৰ অভিনয়, নৃত্য, গীত, সাজপাৰ ইত্যাদিবোৰে ভাওনাক পৃথিৱীত এক বিশেষ শ্ৰেণীৰ নাটৰ স্থান দিছে। বৰ্তমান বহুতো বিদেশী নাগৰিকেও অসমলৈ আহি ভাওনা শিকাৰ প্ৰমাণো পোৱা গৈছে। আমি অসমীয়া হিচাপে, মহাপুৰুষ দুজনাৰ এই সৃষ্টিক সদায় জীয়াই ৰাখিব লাগিব, সেয়া আমাৰ পৰম কৰ্তব্য। আজি যদি আমি অসমতে থাকি অসমৰে সংস্কৃতি চিনি নাপাওঁ, ভাওনা চিনি নাপাওঁ বুজি নাপাওঁ তেন্তে আমি কিদৰে অসমীয়া হিচাপে বিশ্বৰ সন্মুখত পৰিচয় দিব পাৰিম? অভিভাৱক সকলো এই ক্ষেত্ৰত সচেতন হোৱাটো দৰকাৰ, তেওঁলোকে নিজৰ সন্তানক ভাওনাৰ দৰে পবিত্ৰ কৰ্মত যোগ দিবলৈও প্ৰেৰণা দিব লাগে। ভাওনা কেৱল সংস্কৃতি নহয়, ই হৈছে এক মনৰ মহামিলন, একতা, সুপ্ত প্ৰতিভাৰ বিকাশৰ আদিপাঠ।

০০০



# আব্ৰাহাম লিঙ্কনৰ চিঠি, শিক্ষকতা আৰু বহুতো

■ শ্ৰীমতী জ্যোতিৰেখা বৰা
শিক্ষা বিভাগ

আব্ৰাহাম লিঙ্কনৰ বিষয়ে নজনা শিক্ষিত মানুহ হয়তো ক'তো নোলাব। এইজন ব্যক্তিয়ে নিজৰ অধ্যৱসায়, নিষ্ঠা, কঠোৰ শ্ৰম আৰু সাধনাৰ বলত সাধাৰণ কাঠকটীয়া ল'ৰাৰ পৰা আমেৰিকাৰ নিচিনা দেশ এখনৰ ৰাষ্ট্ৰপতি হৈছিলগৈ। আজিৰ লিখনিৰ পটভূমি হ'ল আব্ৰাহাম লিঙ্কনে ডাঙৰ ল'ৰাটোক পাঠশালাত ভৰ্তি কৰোৱাৰ পাছত ল'ৰাটোৰ শিক্ষাগুৰুজনলৈ লিখা এখন চিঠি। চিঠিখনত লিখা মূল কথাবোৰ সম্পাদিত ৰূপত তলত তুলি ধৰা হ'ল—

'শ্ৰদ্ধেয় শিক্ষক মহোদয়, আপুনি মোৰ পুত্ৰক এই শিক্ষা দিব যে সকলো লোক ন্যায়পৰায়ণ আৰু সত্যবাদী নহয়। কিন্তু এই কথাও তাক জনাব যে পৃথিৱীত থকা দুৰাত্মাৰ বিপৰীতে সমান সংখ্যক আদৰ্শ পুৰুষ আছে, স্বাৰ্থপৰ ৰাজনীতিক থকাৰ বিপৰীতে উৎসৰ্গীকৃত নেতা আৰু প্ৰতিগৰাকীৰ জীৱনত এজন যদি শত্ৰু আছে তেন্তে বিপৰীতে এজনকৈ মিত্ৰও আছে। তাক এই কথাও শিকাব যে উপাৰ্জন কৰা এক ডলাৰৰ মূল্য হেৰাই পোৱা বা বকচিচ হিচাপে পোৱা পাঁচ ডলাৰতকৈ বহুগুণেই বেছি। তাক হাৰ মানিবলৈ শিকাব, লগতে শিকাব জয়ৰ আনন্দ লভিবলৈ। যদি পাৰে, হে মহোদয় কেনেকৈ ঈৰ্ষাক পৰাভূত কৰিব পাৰি তাৰ শিক্ষা দিয়াৰ লগতে নীৰৱ অন্তৰ্মুখী হাঁহিৰ বিমল আনন্দৰ কথাও তাক শিকাব। দুৰ্বলীক পীড়ন কৰা উৎপীড়কক পৰাভূত কৰা কেনে সহজ সেই কথা তাক সোনকালে শিকাব। কিতাপৰ মহত্ত্বৰ কথা তাক বুজাব। আকাশত উৰি ফুৰা চৰাই, ৰ'দৰ উজ্জ্বলতাত বিচৰণ কৰা মৌমাখি আৰু পাহাৰৰ সেউজীয়া ঢালত ফুলি থকা ফুলৰ মাজত কি লুকাই থাকে, সেই কথাৰ ধ্যান কেনেকৈ কৰে, সেয়াও তাক শিকাব। পৰীক্ষাত প্ৰতাৰণাৰে নকল কৰাতকৈ অকৃতকাৰ্য হোৱাটো যে বহুগুণে শ্ৰেষ্ঠ সেই কথাৰ শিক্ষাও তাক দিব। সি কৰা ধাৰণা ভুল বুলি সকলোৱে ক'লেও যাতে সি বিচলিত নহয় সেই কথা শিকাব। লগতে শিকাব যে সন্তৰ লগত ভদ্ৰ আৰু দুষ্টৰ লগত কঠোৰ ব্যৱহাৰ কৰিবলৈ যেন সি কুণ্ঠিত নহয়। সকলো লোকৰ কথা সি মন দি শুনি, সত্যৰ চালনীৰে

পৰিশ্ৰুত শুদ্ধ কথাহে সি যাতে গ্ৰহণ কৰে সেই শিক্ষা তাক দিব। দুখৰ মাজতো হাঁহিবলৈ শিকাব আৰু চকুপানীৰ বাবে সি যাতে লাজ নাপায় সেই শিক্ষা তাক প্ৰদান কৰিব। তাৰ বুদ্ধিমত্তা আৰু বাহুবলক সি সৰ্বাধিক মূল্যত নিলাম কৰক, কিন্তু তাৰ হৃদয় আৰু আত্মাক যাতে সি বিক্ৰী নকৰে সেই শিক্ষা তাক দিব। উচ্ছৃংখল লোকৰ দলীয় গৰ্জন সি আওকাণ কৰি তাৰ বিবেচনাত যুক্তিযুক্ত কথাৰ বাবে সি যাতে সংগ্ৰাম কৰে তাৰ বাবে তাক শিক্ষা দিব। তাক আপুনি মৰম কৰিব যদিও প্ৰশ্ৰয় নিদিব। কাৰণ তপত শিখাত গলোৱাৰ পাছতহে লোহা কঠিনতম তীখাত পৰিণত হয়। ধৈৰ্য ধৰিবলৈ সাহসৰ প্ৰয়োজন হোৱাৰ দৰে সাহসী হ'বলৈ ধৈৰ্যৰ প্ৰয়োজন। আত্মবিশ্বাসৰ মহত্বৰ কথা তাক শিকাব যাতে সি মানুহক পৰিপূৰ্ণভাৱে বিশ্বাস কৰিব পাৰে। আপোনাক এক কঠিন কামৰ দায়িত্ব অৰ্পণ কৰিলোঁ। আপোনাৰ শকতিৰে নিশ্চয় এই দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিব।'

আমেৰিকাত শিক্ষকক প্ৰথম শ্ৰেণীৰ বিশিষ্ট ব্যক্তি বুলি ধৰা হয়। সেইবাবে হয়তো পৃথিৱীৰ শ্ৰেষ্ঠ দেশসমূহৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰথম শ্ৰেণীৰ দেশ। দেশৰ ৰাষ্ট্ৰপতিয়েই যেতিয়া শিক্ষকৰ শ্ৰেষ্ঠতাক আন্তৰিকতাৰে উপলব্ধি কৰি নিজৰ সন্তানক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাৰ দায়িত্ব শিক্ষকক অৰ্পণ কৰে তেন্তে জ্ঞান আৰু প্ৰজ্ঞাৰ সম্পৰ্কত আমেৰিকাৰ ধ্যান-ধাৰণা কেনে হ'ব সেয়া সহজেই বুজিব পৰা যায়। শিক্ষকতা হ'ল মহান বৃত্তি। সেয়েহে এজন শিক্ষকে নিজৰ সততা, দায়িত্ববোধ আৰু কৰ্তব্যনিষ্ঠাৰ জৰিয়তে নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিব।

আব্ৰাহাম লিংকনে এজন ছাত্ৰক নিজৰ বুদ্ধিমত্তা আৰু বাহুবলক নিলাম কৰিবলৈ কৈছিল। এজন ছাত্ৰ নিজৰ বুদ্ধিমত্তাৰে সমাজত নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে দেশৰ প্ৰগতিত প্ৰধান বাহক হ'ব পাৰে। এই কথাষাৰ ভাৰতীয় শিক্ষা আয়োগে সমৰ্থন কৰি কৈছিল, "The destiny of India is now being shaped in her classroom."। শ্ৰেণীকোঠাৰ পৰাই দেশৰ ভাগ্য নিৰ্মাণকাৰী ওলাব লাগিব। আব্ৰাহাম লিংকনে লগতে বিচাৰিছিল ভৱিষ্যত প্ৰজন্মই (ছাত্ৰ-ছাত্ৰীসকলে) নিজৰ আত্মাক কোনো ক্ষেত্ৰতে যাতে বিক্ৰী নকৰে। যি মানুহে নিজৰ আত্মাক বিক্ৰী নকৰে তেওঁ কোনো পৰিস্থিতিতেই বেয়া তথা অসৎ কাম কৰিব নোৱাৰে। সেয়া লাগিলে ব্যক্তিগত জীৱনতেই হওক বা পেছাগত জীৱনতেই হওক।

আব্ৰাহাম লিংকনে কিতাপৰ মহত্বৰ বিষয়ে উল্লেখ কৰিছে। বৰ্তমান যুৱ প্ৰজন্মৰ মাজত স্মাৰ্ট ফোনৰ চাহিদা ইমানেই বেছি যে কিতাপ কিনিবলৈ পইচা নাথাকে, স্মাৰ্ট ফোনৰ বাবে থাকে। ইংৰাজীত এষাৰ কথা আছে knowledge feed the mind। ভোকত থকা মানুহে ক্ষুধা নিবাৰণৰ বাহিৰে আন কথা ভাবিব নোৱাৰে। ঠিক সেইদৰে জ্ঞান শূন্য মগজুৰে উচ্চ চিন্তা কৰিব নোৱাৰে।

তেখেতে গুৰুত্ব প্ৰদান কৰা আন এটা কথা হ'ল আত্মবিশ্বাসৰ মহত্ব। জীৱনটো খুবেই প্ৰত্যাহ্বানমূলক। বিভিন্ন সময়ত বিভিন্ন প্ৰত্যাহ্বান আহিব পাৰে। সেইবোৰৰ সন্মুখীন হওঁতে হয়তো কেতিয়াবা আমি পিচলি পৰিব পাৰো, কিন্তু কেতিয়াও আত্মবিশ্বাস হেৰুৱাব নালাগে। কিয়নো "failure is the pillar of success"। জীৱনত অসফল হ'লেহে সফলতাৰ প্ৰকৃত আনন্দ উপলব্ধি কৰিব পৰা যায়। ৰাতিপুৱা ঘৰ চাফা কৰোতে মকৰা জালবোৰ প্ৰত্যেকৰে ঘৰতেই ভাঙি পেলোৱা হয়। কিন্তু মকৰাই কেতিয়াও নিজৰ আত্মবিশ্বাস নেহেৰুৱায়। পাছৰ দিনা আগতকৈও সুন্দৰকৈ মকৰাজাল বান্ধি থয়। আত্মবিশ্বাসেই হ'ল প্ৰত্যেক মানুহৰ মাজত থকা এক প্ৰবল শক্তি যি শক্তিয়ে মানুহক অসাধ্য কাম এটা সাধন কৰাত সহায় কৰিব পাৰে। ই মানুহক সাধাৰণৰ পৰা বিশেষ ব্যক্তিত পৰিণত কৰাত সহায় কৰিব পাৰে। কোনো মানুহেই সাধাৰণ নহয়, প্ৰত্যেকৰে মাজত ঈশ্বৰ প্ৰদত্ত এক শক্তি থাকে— যি শক্তি চিনি তাক আত্মবিশ্বাসত পৰিণত কৰি আমি আগবাঢ়ি যাব লাগে। তেতিয়াহে আমি আমাৰ সপোনবোৰ পূৰ্ণ কৰিব পাৰিম। আমাৰ মা-দেউতাৰ মুখত সন্তুষ্টিৰ হাঁহি প্ৰদান কৰাৰ লগতে আমি দেশৰ বাবে একো একোজন মানৱ সম্পদ হ'বলৈ সক্ষম হ'ম। ০০০



# A BRIEF HISTORY OF GOLAGHAT

■ **Alaktaragg Thengal**

Golaghat, one of the largest sub-division of Assam, spreading around 3,502 sq. km, is situated on the bank of river Dhansiri and Doyang. There is a population of 10 lakhs having a literacy rate of 77.43% (according to 2011 census). The word 'Golaghat' is a combination of two words 'Gola' and 'Ghat' of which 'Gola' means shops and 'Ghat' means river banks. Thus, the origin of its name 'Golaghat' has its root in the history that it is a place on the bank of the river Dhansiri and Doyang where great business took place. During the mid 20th century it was a hub for the Marwadis from Rajasthan who used to sell their goods in boats on the bank of Dhansiri.

Golaghat has a history of its own, the stone inscription found in Nagajuri Khanikar gaon of Sarupathar reveals that there was an independent kingdom in Darrang and Dhansiri Valley during 9th and 10th Century. After the advent of the Ahoms the whole of the Darrang and Dhansiri Valley came under the rule of Ahoms from the 'Herombial' Kacharis. Later, after the annexation of the British rule the whole of Golaghat was included to Sibsagar district in 1839 and thus, forming the largest sub-division of Assam of that time. It got its recognition as a district in 1987.

The local administrative body, Golaghat Municipal Board (GMB) was established in 1920, and is one of the earliest civil bodies of Assam. And it has the earliest host/mail service and telegraphic communication systems in Assam dating back to 1876. It also has the oldest social literature/historical congresses of Assam – 'The Golaghat Sahitya Sabha', of 'Assam Sahitya Sabha' started in 1918. Many historical sites and monuments are found in Golaghat such as the remains of the pillars of Kachomari, the rims of Deopahar of Numaligarh, Negheriting Shiva Dol made by the Ahoms and many more. The world famous Kaziranga National Park is also situated in Golaghat district, where the rare one-horned rhino is found. Golaghat has also played a dominant role in tea producing from time immemorial. It is said that the small tea growers movement also started in Golaghat.

With a briliant history Golaghat will also need a bright future. It is upto the people of Golaghat to make a progressive society that can compete with the global scenerio.+++



# পকা কঁঠাল

■ ড° যতীন নাথ

কঁঠাল গছজোপাৰ ওপৰৰ পৰা মানে মাটিৰ পৰা প্ৰায় দহ-বাৰ হাত মান ওপৰৰ পৰাই হ'ব চাগে, হৰেন পকা কঁঠালটোৰ সৈতে ধমহ্‌কে পিছলি তটা মাটিখনৰ ওপৰতে পৰিল। কঁঠালটো ঠেটেলা খাই চিটিকি তাৰ নাৰী-ভূৰো ওলাই হৰেনৰ পৰা চাৰি কি পাঁচ ফুট মান দূৰৈত ঢেকীয়া গছৰ জোপোহাটোৰ মাজত যেনিবা ব'লগৈ। সি নপৰিবনো কিয়! যিটো ডালত সি এখন হাতেৰে ধৰি বাওঁ ভৰিখনেৰে সৰু ডাল এটাত খোপনি লৈ সোঁ ভৰিখন তিনিটিয়া সৰু চানেকীয়া লাগি থকা কঁঠালৰ মূল ঠাৰিটোত থৈছিল, সেই ডালটোৱে তাৰ আনখন হাতত থকা প্ৰায় পাঁচ কিলোমান ওজনৰ কঁঠালটোৰ সহিতে তাৰ ভৰ সহিব নোৱাৰি ভাগি পৰিল। ফলত সৰু হাতখনেৰে খামুচি ধৰি থকা ঠানিটোৰ লগতে শুকান মাটিত সি ধমহকৈ সৰি পৰিল। লগে লগে তাৰ সৰু হাওঁফাওঁটোৰে কেটলিত গৰম পানী উতলাওঁতে নলীডালেৰে ওলোৱা ভামুক ভামুক ভাপৰ নিচিনাকৈ মাৰিবলৈ ধৰিলে। 'আই ঔ মৰিলো' বুলি যিযাৰ মাত ওলাল তাৰ পাছত সি সংজ্ঞাহীন হৈ পৰিল। গণেশ আছিল তলত। সি একো তলকিবই নোৱাৰিলে। হঠাৎ কি হৈ গ'ল। বেঙে মুটা গৰুৰ দৰে কিংকৰ্তব্যবিমূঢ় হৈ গণেশ ক্ষন্তেক সময় ৰ'ল। তাৰ পাছত হৰেনক গবামাৰি ধৰি গছজোপাৰ গুৰিলৈ কেকোজেকোকৈ চোচৰাই আনি সি দৌৰ মাৰি গ'ল ওচৰতে থকা কচুৰনি ডবালৈ। ডাঙৰ চাই কচুপাত এখন একে আঁজোৰে ছিঙি তাতে পথাৰৰ পানী কাজলি পাতি আনি হৰেনৰ মূৰত ঢালিলেহি। হৰেনৰ কোনো সাৰসুৰেই নাই। সি আকৌ দৌৰি গৈ পানী আনি হৰেনৰ তালুত ঢালি দিলে। হৰেনে এইবাৰ দীঘলকৈ উশাহ এটা ল'লে। গণেশে পুনৰ কচুপাতখিলাত পানী অলপ আনি তাৰে অকণমান হৰেনৰ ওঁঠ দুটা তিয়াই তাৰ চকু দুটাতো সানি দিলে। হৰেনে চকুদুটা লাহেকৈ মেলি গেঙাবলৈ ধৰিলে। গণেশে ইফালে সিফালে চাই কাকো

ক'তো নেদেখিলে। হৰেন যদি আজি মৰি থাকে তাৰ কি দশা হ'ব। গণেশৰ অকণমানি বুকুখনি ধান বনাদি বানিবলৈ ধৰিলে। সি হৰেনৰ হাত দুখন, ভৰি দুটা পিটিকি মোহাৰি চালে। নাই ভৰিকেইটা ভঙা নাই। হাতৰ কিলাকুটিৰ ওচৰতেহে চাল ছিঙি তেজ বিৰিঙিছে। ঠাইডোখৰত নগাকনৰ পাত কেইখিলামান আনি মোহাৰি দাতেৰে চোবাই লগাই দিলে। তাৰ পাছতে সি ক'লা কচুপাতৰ ঠাৰি এটা আনি বুঢ়া আঙুলিৰ নখেৰে চেপিচেপি কচুফেন (ৰস) অকণমানো লগাই দিলে। এইবাৰ সি গাটো খেপিয়াই মূৰ, ৰাজহাড়, কামিহাড় কেইডাল পিটিকি চালে। নাই ভগা যেন অনুমান কৰি তাৰ মনটো অলপ হ'লেও পাতল লাগিল। সি হৰেনৰ মূৰটো কোলাত লৈ লাহে লাহে মোহাৰি দিলে। হৰেনে অকণমান আৰাম পোৱা যেন তাৰ অনুভৱ হ'ল। গণেশৰ মুখখন ভয়ত শুকাই কৰকৰীয়া দিছিল। তাৰ ডিঙিটো শুকাই মুখলৈ সেপকে নহা হ'ল। সি কিন্তু সাহস হেৰোৱা নাছিল। এতিয়া হৰেনে অলপ সাৰ-সিকটি কৰাত সি হৰেনক অভয় দিবলৈ ধৰিলে। এইদৰে কিছু সময় থকাৰ পাছত তাৰ মনত বুদ্ধি এটা খেলালে। সি তাক পিঠিত বোকোচা কৰি হাবিডৰাৰ পৰা মুকলিলৈ নিবলৈ ঠিক কৰিলে। কাৰণ তাক সি ডাংকোলা কৰি নিব নোৱাৰে। সি তাতকৈ গধুৰ।

হৰেনক অলপ জোকাৰি মোকাৰি দিয়াত সি কেকাই গেঠাই উঠিল। গণেশে তাক বহুৱাই দি তাৰ বোকোচাত উঠিবলৈ ক'লে আৰু হাত দুখনেৰে হৰেনক পিঠিলৈ ডাঙি যেনেতেনে তাক বোকোচাত উঠাই লৈ টলংপলংকৈ লতা বৰণৰ মাজে মাজে নি মুকলি ঠাই এডোখৰ দেখি তাতে তাক নমাই দীঘলকৈ শুৱাই দিলে। তাৰ পিন্ধি থকা পানী গামোচাখনেৰে হৰেনৰ মুখখন মচি দি গামোচাখন দুডালকৈ জানিলে তাক বিচিবলৈ ধৰিলে। হৰেনৰ গাত গামোচাৰ বা লগাত অলপ আৰাম পাই সি চকুদুটা মেলি গণেশক সুধিলে সি ক'ত আছে। গণেশে তাক অভয় দি ক'লে তই একো চিন্তা নকৰিবি। তোৰ একো হোৱা নাই। সেই বুলি ক'লে যদিও নেদেখাজনক মনৰ ভিতৰতে প্ৰাৰ্থনা কৰিলে 'হে ভগৱান আজি বাচিলেহে বচা।' নিজকে অভয় দি ক'লে 'অকণমান দুখহে পাইছ। চব ঠিকহে যাব।' হৰেনে তাক সুধিলে তই কঁঠালটো অকলেই খাই পেলালি নেকি? গুটি কেইটামান দিবি দেই। বৌটিক দিম, কাইলৈ মাটিমাহৰ দাইলত দি খাব লাগিব। গণেশৰ হাঁহি উঠি গ'ল, "এই মাত্ৰ তই যমৰ দুৱাৰদলিৰ পৰা কথমপি ঘূৰি আহিছহে, আকৌ কঁঠালগুটি মাটিমাহৰ শাকত দি খাব। হ'ব দে সেইটো কঁঠাল ময়ো নেখাওঁ তয়ো খাব নেলাগে। কঁঠালটোৱেই কিবা কুলক্ষণীয়া। এইটো খালে আৰু বা কি অঘটন ঘটে একো ঠিক নাই। মই হ'লে কৈ থলো। বাৰু এতিয়া অলপ আৰাম পাইছনে?" হৰেনে মূৰ দোপিয়াই পাইছো বুলি ক'লে।

হৰেনে গোটেই ঘটনাটো কেনেকৈ ঘটিল তাক মনত পেলাবলৈ ধৰিলে। মনত পেলাওঁতে সি তাৰ বাওঁহাতৰ কিলাকুটিটোৰে ভেজাদি লাহেকৈ উঠি বহিল। গাটো তাৰ কিবাকিবিখন কৰিছে। গৰমেই উঠিছেনে ঠাণ্ডাই লাগিছে ধৰিবকে পৰা নাই সি। কিছু সময় বহাৰ পাছত গাটো অকণমান পাতল লাগিল। সি যেনেতেনে থিয় হ'বলৈ চেষ্টা কৰিলে। গণেশে তাৰ বাউসিত ধৰি থিয় হোৱাত সহায় কৰি দিলে। সি পোন হৈ দীঘলকৈ উশাহ এটা লৈ হাত-ভৰিকেইটা পোনাই ভালকৈ থিয় দিলে আৰু সি কঁঠালজোপালৈ চালে। 'ব'ল কঁঠালটো আনোগৈ।' গণেশে নাযাওঁ নথওঁ কৰিছিল যদিও হৰেন কঁঠালজোপাৰ গুৰিলৈ যাবলৈ উদ্যত হোৱাত সিও কঁঠালজোপাৰ ওচৰলৈ এখোজ দুখোজকৈ যাবলৈ ধৰিলে। গৈ থাকোতে সি ওপৰলৈ চালে; বেলি পৰিবলৈ আৰু বেছি সময় নাই। আজিৰ এই ঘটনাটো ঘৰত কেনেবাকৈ গম পাবলৈ হ'লে দুয়োটাকে হালোৱা এচাৰিৰে পিঠি ফাল ফাল কৰিব। তহঁতে কি কঁঠাল খাই পোৱা নাই। এৰাবাৰীৰ কঁঠাল।

হয়, এৰাবাৰীৰ কঁঠাল গছ। এই এৰাবাৰীখনে সিহঁতক সদায় হাত বাউল দি মাতে। কি আকৰ্ষণ আছে বাৰু এই জয়াল এৰাবাৰীখনৰ। বাৰে কিছিমৰ চৰাই চিৰিকটি, সোণ পৰুৱা, নানা কীট-পতঙ্গৰ বাসস্থান এই এৰাবাৰীখন। বাৰীখন তিনি হালিচামানৰ হ'ব। বেছি হ'লেও কম নহয়। নানা তৰহৰ গছ-গছনিৰে গেজেপ খাই থকা। উত্তৰ ফালে দহ-বাৰ জোপা মান বাঁহৰ এখন বাঁহনি। উল্লেখযোগ্য কথাটো হ'ল এই দহ-বাৰ জোপা বাঁহৰ ভিতৰত ছয়টা প্ৰজাতিৰ বাঁহ আছে বাৰীখনত— জাতি, ভলুকা, কাক, কটোহা, বিজুলী, মকাল। জাতি বাঁহ দুজোপা মান পখিলা পৰা। কটোহা বাঁহ আগৰ দিনত বোলে ৰজাৰ বাৰীৰ ঢাপতহে ৰোৱে। এই বাঁহ ইমানেই ডাঠ যে শত্ৰুৱে কাঁড় মাৰিলেও

বাঁহ গছ ভেদি কাঁড় ৰজাৰ বাৰীত নপৰেগৈ। ঘৰোহা, চীনা, জাপানী, জেলৰা, মুলি, দলৌ, লাটাং, তৰাই, কেকোৰা, মকতীয়া আদি বাঁহ তাত নাই। এইখন এতিয়া এখন এৰাবাৰী। ইয়াত এতিয়া ৰামো নাই অযোধ্যাও নাই। মাটিকঁঠাল, আম, লেতেকু, পনিয়ল, মধুৰী, ৰবাবটেঙা আৰু পুখুৰীটোৰ পাৰে পাৰে পাঁচ জোপামান নাৰিকল গছ। মেডেলুৱা, কেনলৌ, চাম কঁঠাল, বহত, বনজালুক, মজ, সোণাৰু, মাইফাক, মদাৰ আৰু নানা তৰহৰ গছ-গছনিৰে গেজেপ খাই থকা এৰাবাৰী। দ-চানেকীয়া ফালে কেইবাজোপাও এজাৰ গছ। এজাৰ ফুলবিলাক শাওনমহীয়া ফুলে। এজাৰ ফুল ফুলাৰ বতৰত সেই নয়নাভিৰাম দৃশ্যই সকলোৰে মন মোহিত কৰে। পাতল বেঙুনীয়া ফুলৰ ৰঙে মনবোৰত এটা অদ্ভুত শিহৰণ জগাই তোলে। গুৰিটো তিনিশিৰীয়া এজোপা আটাইতকৈ ওখ শিমলুগছে গোটেই এৰাবাৰীখনৰ চকিদাৰী কৰি থাকে।

বেডেল মহৰীইঁতৰ ঘৰখনে এই বাৰীখন এৰি কিয়নো গোলাঘাটৰ মিচনপট্টি ফালে উঠি গ'ল সিহঁত দুয়োটাই এটায়ো নেজানে। এই কথা সিহঁতে কাকো সোধাও নাই। হৰেন, গণেশ, প্ৰাণেশ্বৰ, জিতেন, বনগুটিয়া হৰেণ, উপেন, ৰণজিত, চটাই আদি সিহঁতৰ লগৰ গোটেইমখাই এই এৰাবাৰীখনত স্কুল চুটীৰ পিছত অথবা বন্ধৰ দিনত বিচৰণ কৰি থাকে। তাহাঁততকৈ ডাঙৰ চটাই মৰিল। সি মৰা আজি দুবছৰ মানেই হ'ল। গৰুগাড়ীত কাঠৰ কুণ্ডা আনি থাকোতে দলিয়া কেএাৰ ষাড়গৰুটোৱে তাৰ বলধহালৰ লগত যুঁজ কৰিবলৈ খেদি আহোতে গৰুগাড়ীৰ যুৱলি এৰি গৰু পলালত কাঠৰ কুণ্ডাই হেঁচা মাৰি ধৰি তাক মাৰিলে।

এতিয়া এই এৰাবাৰীতে হৰেণ আৰু গণেশে স্কুল চুটিৰ পিছত কোনেও নজনাকৈয়ে পাঁচদিনমানৰ আগতেই বাঁহৰ শাল এটা মাৰি থৈছিল কঁঠালটোত। এই হেন কঁঠালটোৰ লোভ হৰেনে এৰিব পৰা নাই। সি কেঁকাই গেঠাই পৰি থকা কঁঠালটোৰ ফালে আগবাঢ়িল।

০০০





# হৃদয়ৰ আঁৰে আঁৰে

■ জোনামণি বৰা
প্ৰথম ষাণ্মাষিক (কলা)

বাতিপুৰাৰ আপাততঃ কৰ্মব্যস্ততাই ৰাজপথটো ক্ৰমশঃ গ্ৰাস কৰি আনিছে। সকলোৰে যেন অসীম কাৰ্যব্যস্ততা। সময়ৰ অভাৱত সকলোৰে যেন খৰখেদা-লৰালৰিকৈ আগুৱাই গৈছে।

কুঁৱলিৰ ক্ষেত্ৰত অৱশ্যে তেনে এক ব্যস্ততা ফুটি নুঠে। গাড়ীত উঠিবলৈ কোনো লৰা-ঢপৰা নাথাকে। পদুলিৰ মূৰত বেছ কিছু সময় তাই নৰলেই নহয়। গাড়ীবোৰ আহে গুচি যায়। তাই যোৱা গাড়ীখন যেন আহিয়েই নাপায়। ন বাজি পাৰ হৈ গ'ল যদিও ইমান সময়ে 'প্ৰিয়া' অহা নাই কিয়? কুঁৱলিয়ে ঘড়ীলৈ চাই ভাবিলে। সময়বোৰ যিমানে পাৰ হৈ গৈছে তাইৰ মনৰ অস্থিৰতাও বাঢ়ি গৈছে। চকুযোৰ কেৱল 'প্ৰিয়া' অহাৰ দিশত নিবদ্ধ। বহু প্ৰতীক্ষাৰ মূৰত 'প্ৰিয়া' আহি তাইৰ কাষত ৰৈ দিলে। কুঁৱলিয়ে দেখিলে আজিও সেই নিৰ্দিষ্ট খিৰিকীৰে বাহিৰলৈ লক্ষ্য কৰি আছে এযোৰ সন্ধানী চকুৱে। সেই চকুযুৰিক অনুসৰণ কৰি কুঁৱলি উঠি যায় গাড়ীখনলৈ। বান্ধৱী কাশ্মীৰে কুঁৱলিক লক্ষ্য কৰি ক'লে 'ইস্ তাঁইৰ হাঁহি চোৱা।' কুঁৱলিৰ অজানিতেই হয়তো তাইৰ মুখত হাঁহি বিৰিঙিছিল। কিয় ইমান ভাল লাগে? ইমান আশাৰে কিয় অপেক্ষা কৰি থাকে নাজানে তাই। গাড়ীখনত বহি তাই সন্মুখৰ গ্লাচখনলৈ চালে, হয় তেৱোঁ তাইলৈকে চাইছে। চকুৱে চকুৱে পৰিলত দেহৰ মাজেৰে বিদ্যুৎ পাৰ হৈ যোৱা যেন অনুভৱ কৰিলে তাই। ওলাই আহিব খোজা হাঁহিটো বহুত কষ্টৰে লুকুৱাই থলে। তথাপিও হাঁহিটো যেন তেওঁৰ দুচকুত ধৰা পৰে। তাইৰ ভয় লাগে আন কোনোবাই যদি দেখে তেন্তে কি ভাবিব? এই আধাঘন্টাৰ বাটছোৱাত কেৱল দুচকুৰ চাৱনি আৰু মৰমলগা হাঁহিটোৰ বাহিৰে একো বিনিময় নহয়। আৰু এটা সময়ত তাই নামি পৰে কলেজ তিনি আলিটোত। সেই চকুযুৰিয়ে তাইক বিদায় জনায় সেইদিনালৈ। কোনো দিনে এটাও শব্দৰ বিনিময় নঘটাকে চলি যায় তাইৰ দিনবোৰ। তাই যেন দুগুণ উৎসাহ পায় আগুৱাই যাবলৈ।

শৰতৰ এটা স্নিগ্ধ আবেলিত তেওঁক প্ৰথম দেখা পাইছিল তাই। তেওঁক দেখি তাই আচৰিত হৈ গৈছিল। পৃথিৱীত একেই দুজন মানুহ থাকিব পাৰে জানো? সেই মানুহজনক তাইৰ নিবিড় যেন লাগিল। কিন্তু তাই ধাৰণা ভুল আছিল। তাই হঠাতে দেখা কাৰণে হয়তো তাইৰ

দৃষ্টিশক্তিয়ে চিনাক্ত কৰিব পৰা নাছিল। নিবিড়ৰ সৈতে প্ৰায় একেই যদিও তেওঁৰ মাজত যেন তাই আন এক কিবা ভাল লগা বিচাৰি পাইছিল। আৰু লাহে লাহে তাই তেওঁক লক্ষ্য কৰিবলৈ লৈছিল। কিন্তু তেওঁ নাজানিছিল যে তাই তেওঁক লক্ষ্য কৰি থাকে। এদিন কলেজলৈ যাবলৈ ৰৈ থাকোতে 'প্ৰিয়া' নামৰ গাড়ীখন দেখি ৰখাবলৈ সংকেত দিলে। আগৰ ছিটত বহিবলগীয়া হ'ল তাই। সেইদিনাই তেওঁক তাই দেখা পাইছিল। তাই জোখতকৈ সম্ভৱ বেছিকৈয়ে চাইছিল। তেওঁক তাই তেনেকৈ চোৱা দেখি হয়তো তেওঁ আচৰিত হৈছিল। অচিনাকি হৈও তেওঁক তাইৰ বৰ চিনাকি যেন অনুভৱ হৈছিল। তেওঁলৈ চাই থকা দেখিয়েই হয়তো তেওঁ লাহেকৈ হাঁহি এটা মাৰি সঁহাৰি জনাইছিল। লাহে লাহে তাই তেওঁৰ চিনাকী হৈ পৰিছিল। কেতিয়াবা তাইক দেখিলে তেওঁ হাঁহিবলৈ লৈছিল। এদিন তেওঁৰ কাষৰ চিটটো খালী থকাৰ বাবে তেওঁৰ কাষতে তাই বহিছিল। এপলকৰ বাবে তাই তেওঁৰ চকুযুৰি ওচৰৰ পৰা চাইছিল। তেওঁৰ চকুযুৰিয়ে হাঁহিছিল আৰু লাহেকৈ মৰা বেকা হাঁহিটোৰে যেন বহু কিবাকিবি কৈ পেলাইছিল। তেওঁৰ এই হাঁহিটো তাইৰ হৃদয়ৰ গভীৰৰ পৰা গভীৰতম কোণলৈকে বিয়পি পৰিছিল।

তাৰ পাছৰে পৰা তাই কলেজলৈ প্ৰায় 'প্ৰিয়া' নামৰ গাড়ীখনতেই গৈছিল। তাই তেওঁক ইমানেই লক্ষ্য কৰিছিল যে গাড়ীখন অহা-যোৱা কৰা সময় পৰ্যন্ত জনা হৈছিল। তেওঁক চাবৰ বাবেই তাই সদায় সেই গাড়ীখনত গৈছিল। লাহে লাহে তাই অনুভৱ কৰিব পাৰিছিল যে গাড়ীখনত যাওঁতে ইমানবোৰ যাত্ৰীৰ মাজত এযোৰ সজল চকুৰ লক্ষ্য তাইয়েই। যিদিনাই গৈছে সিদিনাই চকুযুৰিয়ে তাইক অনুসৰণ কৰিছে। তাই কব নোৱাৰাকৈয়ে এক সুতীব্ৰ আকৰ্ষণে তাইক আপ্লুত কৰি তুলিছিল। নৈশব্দই বিৰাজ কৰা এই অনুৰাগত কি লুকাই থাকে নাজানে তাই। কোনোদিনেই ভাবি চোৱা নাই। কিন্তু সুগভীৰ দুচকু আৰু উন্মনা কৰিব পৰা দৃষ্টিয়ে তাইক মাথো টানি ফুৰে ক'ৰবালৈ। হয়তো তাইৰ বিচাৰ-বুদ্ধিৰে বিবেচনা কৰিব পৰাৰ উৰ্দ্ধত সেয়া। তাই মাথো পৰিভ্ৰমণ কৰে মানুহজনৰ সেই দৃষ্টিৰে নিয়ন্ত্ৰণ কৰা কক্ষপথত।

কলেজৰ ক্লাচবোৰও প্ৰায় শেষ হৈ আহে। পৰীক্ষালৈ বেছিদিন নাই। কুঁৱলিৰ ক্লাচ কেইটামান বাকী আছিল। সেইকেইটা কৰিবলৈকে আহি থাকিবলগীয়া হৈছে তাই। দিনৰ দিনটো ঘৰত সোমাই থকাতকৈ অলপ ওলাই আহিবলৈ পাই তাই ভালেই পাইছিল।

সেইদিনাও ক্লাছটো শেষ কৰি তাই কলেজৰ গেটলৈ ওলাই আহিল। অক্টোবৰ মাহ। অলপ অলপকৈ শীতে ভুমুকি মাৰিছে। আবেলি চাৰিমান বজাতে আন্ধাৰৰ আবেষ্টনী এটাই ক্ৰমাৎ কুঁৱলিৰ সতে লগলাগি সকলো ধূসৰ কৰি পেলায়। গেটৰ সন্মুখত কেইজনীমান ছোৱালীয়ে ইফাল-সিফাল কৰি থকাৰ বাহিৰে গোটেই কলেজখন নিমাওমাও হৈ আছে। গৰমৰ সময়ত এনেকুৱা সময়তো গোটেই কলেজখনত এটা কোলাহলৰ পৰিৱেশ সৃষ্টি হৈ থাকে। কুঁৱলিৰ মনটোত অকাৰণতে দুখৰ স্ৰোত এটা বৈ গ'ল। অলপ দূৰত তাই নিবিড়ক ৰৈ থকা দেখিলে। আজি কাশ্মীৰ অহা নাই বাবে তাইয়ে মাতিছিল তাক লৈ যাবলৈ। নিবিড়ক দেখি যিমানখিনি উৎসাহিত হ'ব লাগিছিল নহ'ল তাই। বৰঞ্চ মুখলৈ জোৰ কৰি হাঁহি এটা ফুটাই তাই তাৰফালে আগুৱাই গ'ল। অথচ এইজন নিবিড়ক তাই যোৱা চাৰিটা বছৰে ভাল পাই আহিছে। তাইৰ অন্তৰৰ সমস্ত উজাৰি ভাল পাইছে। সকলো কথা তাই তাৰ লগত আলোচনা কৰি আহিছে। হৃদয়ৰ এক বিশেষ স্থানত একচ্ছত্ৰী সম্ৰাটৰ স্থান দি আহিছে। কিন্তু আজি অকাৰণতে নিবিড়ক দেখি মনলৈ অহা নাই সেই উচ্ছাস। তাই মন্ত্ৰমুগ্ধৰ দৰে গৈ তাৰ বাইকৰ পিছৰ ছিটটোত বহি ল'লে। ফিৰ্‌ফিৰীয়া শীতল বতাহ এজাকে দেহ স্পৰ্শ কৰি গ'ল। কুঁৱলিয়ে ঢকা বিষণ্ণ আবেলিটোৱে কুঁৱলিৰ মনটো আৰু বেছিকৈহে বিষণ্ণ কৰি তুলিলে। নিবিড়ৰ উপস্থিতিয়ে তিলমানো গুচাব নোৱাৰিলে সেই নিষ্প্ৰভতা। নিবিড়ে তাইক মৌন হৈ থকা দেখি ক'লে — "শৰতৰ শীতল স্নিগ্ধ আবেলিটোত তুমি ইমান উদাসীন কিয় মৌ?" নিবিড়ে কুঁৱলিক মৰমতে দি লোৱা নাম 'মৌ'। তাই উত্তৰত মনটো ভাল লগা নাই বুলি ক'লে।

'ব'লা নৈ পাৰত অলপ ফুৰি আহো। ভাল লাগিব নিশ্চয়।' তাই কোনো বাধা নিদিলে। বাইকখন দলঙৰ ওচৰত ৰখাই দুয়োটা খোজ কাঢ়িয়েই গ'ল। নৈ পাৰলৈ আহি কুঁৱলিৰ মনটো সঁচাই পাতল যেন লাগিছে। দুয়োপাৰে ফুলি থকা শুভ্ৰ কঁহুৱাবোৰ বতাহৰ পৰশ লাগি হালি-জালি থকা এখন বহল চাদৰ সদৃশ লাগিছে। প্ৰকৃতিৰ সৃষ্টিবোৰ সঁচাকৈয়ে

অতুলনীয়। নৈৰ পাৰত ৰিব্‌ৰিব্‌কৈ বলি থকা মলয়া বতাহজাত আৰু ফুলি থকা কঁহুৱাবোৰে দেহ মন জুৰ পেলাই দিয়ে। নৈৰ পাৰৰ নৈসৰ্গিক সৌন্দৰ্য দেখি হয়তো নিবিড় ৰৈ থাকিব নোৱাৰিলে। কবিতাৰ কলি এটা আপোনাআপুনি ওলাই আহিল—

শৰৎ ধৰালৈ আহে
নদীৰ সোঁতে সোঁতে সপোন ভাঁহে,
কঁহুৱা ফুলা দেখি
মন মোৰ কঁহুৱা হ'ব খোজে।

নিবিড়ৰ কবিতা কবিতা লগা কথাবোৰ তাইৰ ভাল লাগে। হঠাতে কুঁৱলিয়ে দেখিলে 'প্ৰিয়া' নামৰ গাড়ীখন সিহঁতৰ ফালে আহি আছে। কি কৰিব এতিয়া তাই। বুকুখন এক অজান আশংকাত কঁপি উঠিল। নিৰ্দিষ্ট খিৰিকীখনৰ প্ৰতি তাই এক সুতীব্ৰ আকৰ্ষণ অনুভৱ কৰিলে। কিন্তু সেই সময়ত তাই চকু তুলি চাবলৈ সাহস নহ'ল। গাড়ীখন পাৰ হৈ যোৱাৰ পাছত তাই উভতি চাইছিল। নাই খিৰিকীখনেৰে তাইলৈ কোনেও উভতি চোৱা নাই। সদায় যিটোৰ আশংকা কৰি আছিলে তাকেই যেন ঘটিল। তাই বিচৰা নাছিলে তেওঁ তাইক নিবিড়ৰ সৈতে একেলগে দেখক। কিবা এটা হেৰুৱাৰ আশংকাত তাই বুকুখনত বিষ অনুভৱ কৰিলে। নৈৰ পাৰৰ সৌন্দৰ্যবোৰ তেতিয়া তাইৰ চকুত বালিময় মৰুভূমিৰ ৰূপত দেখা দিলে। গোটেই ৰাতিটো তাই অশান্তিৰে পাৰ কৰিলে। একোতে মন বহাব নোৱাৰিলে। কেতিয়া যে নতুন পুৱাটোৰ আৰম্ভণি হ'ব?

পাছদিনা কিন্তু তাই তেওঁক দেখা নাপালে। তাৰপাছতো বহুদিন, ঘন্টাৰ পাছত ঘন্টা তাই অপেক্ষা কৰিছে। অসহনীয় বিৰহ বেদনাই তাইক ক্ৰমে ক্ৰমে গ্ৰাস কৰি আনিছে। তথাপি তাই অপেক্ষা কৰিছে তেওঁলৈ। কিন্তু মাহৰ পাছত মাহ বাগৰাৰ পিছতো তাই কোনোদিনেই সন্ধেদ উলিয়াব নোৱাৰিলে সেই চকুযুৰিৰ। হয়তো সেইদিনা তেওঁ তাইক নিবিড়ৰ সৈতে দেখাৰ পাছত তাইৰ সন্মুখত দেখা নিদিয়াৰ প্ৰতিশ্ৰুতি ল'লে মনে মনে। কিন্তু নিবিড়ৰ লগতো তাইৰ বিয়া হ'ব ওলাইছে। তেন্তে এনে এটা সময়ত তাইৰ কিহৰ যুক্তিত সেই চকুযুৰিৰ আকৰ্ষণৰ তীব্ৰতাক হৃদয়ত উম দিছে? তাইতো কোনো দিনেই এষাৰ কথাও বিনিময় কৰি পোৱা নাই তেওঁৰ লগত। তেন্তে তাইৰ মনটোৰ কিহৰ বাবে এই আকুলতা? মনে মনে তাই ভাবিলে 'অনুমতি বিহীনভাৱে বুকুৱে বুকুৱে অহা-যোৱা এইয়াই হয়তো ভালপোৱা।'

০০০



# जीवन रस में पगी कविताएं

■ गीताश्री बरा
वी.ए. तृतीय सामान्सिक

'सबूत'(1989) अरुण कमल का दुसरा काव्य संग्रह है, जो हिन्दी के वरिष्ठ कवि श्री केदारनाथ सिंह को समर्पित है। इससे पूर्व उनका पहला कविता संग्रह 'अपनी केवल धार' सन् 1980 में आया था। 'सबूत' कविता संग्रह में कवि की 52 कविताएं संग्रहित है। कवि की इन कविताओं में प्रगतिशील विचारधारा अंत:सलिला की तरह प्रवाहमान है जिसका अनुभव उनमें गहरे पैठने पर ही होता है। इन कविताओं में जीवन अनुभवों की विविध छवियाँ सहजता से व्यक्त हुई हैं। कवि की जीवन के प्रति सीधा एंव सक्रिय रागात्मकता है। जीवन के प्रति इसी रागात्मकता के कारण उनकी कविताओं में मूर्तता और स्पष्टता आयी है। यहाँ जीवन की साधारणता को सहजता से व्यापक संदर्भ देते हुए उसे काव्यगत वैशिष्टर के साथ प्रस्तुत करने की कला नागार्जुन और त्रिलोचन की याद दिलाती है।

'सबूत' में संकलित कविताओं को पढ़कर हम जीवन एंव दुनियाँ के मार्मिक अनुभवों में सहभागी होते हैं। ये कविताएँ क्रूरता एवं त्रासदी के प्रति एक संवेदनापरक समझ पैदा करती हैं। वर्तमान सामाजिक ढाँचे की विषमताओं और विसंगतियों को कारण सहित अनुभव कराती हैं। उनमें कवि ऐसे प्रश्न खड़ा करता है जिनमें जीवन यथार्थ के विभिन्न पक्ष उद्घाटित होते हैं।

कवि यह जानता है कि उसकी कविता से सीधे-सीधे कोई सामाजिक बदलाव संभव नहीं हैं। ये कवितायें इसका भी बोध कराती हैं कि जीवन और दुनियाँ में चल रहा शोषण और अन्याय का क्रम उत्तरोत्तर ओर अधिक क्रुर होगा फिर भी जीवन के प्रति आस्था और जिजिविषा का बना रहना आवश्यक है तभी बह अन्याय, हिंसा एवं उपभोगतावादी प्रवृत्ति से झुझ सकता है। कवि यह जानता है कि यह जीवन और विश्व सभी स्तर पर घटित हो रहा है।

यही कारण है कि 'सबूत' संकलित कवितायें अपने समय की त्रासदियों और चुनौतियों से धिरी है, परन्तु

उनमें कहीं गहराई में जीवन के प्रति उत्कट आस्था और रागात्मक उभरती रहती है।

समूह की 'जीवन धारा' जैसी कविता जीवन को व्यापकता और मार्मिकता सा साक्षात् कराती है यथा--

*धरती बहुत सन्तुष्ट बहुत निश्चिन्त है आज*
*दुध भरे थन की तरह भारी और गर्म*

(जीवधारा, पृ०१२)

जीवन-संघर्ष के कठिनता क्षणों में भी प्रकृति का सहचर्य साहस और धैर्य प्रश्न करता है। कवि की 'उम्मीद' शीर्षक कविता इसी तथ्य का उद्घाटन करती है। वह कहता है--

*आज तक मैं यह समझ नहीं पाया*
*कि हर साल बाढ़ में पड़ने की बाद भी*
*लोग दियारा छोड़कर कोई दूसरी जगह क्यों नहीं जाते?*

(उम्मीद, पृ० २५)

अरुण कमल एक ओर अपने समय की बिडम्बनाओं, क्रुरताओं का उल्लेख करते हैं दूसरी ओर उम्मीद भी नहीं छोड़ते। उम्मीद उनके यहाँ शोषण और अन्याय के विरुद्ध खड़ी है। कवि की इस उम्मीद का आधार मनुष्य का सक्रिय प्रतिरोध है। कवि कहता है--

और जिन औरतों ने चौखट के पार कभी पाँव
नहीं डाला।
उन्होंने घेर ली देश की संसद अचानक
इसलिए उम्मीद है कि मेरा घर
मुझे मिलेगा वापस।

(फिट भी, पृ० ७२-७३)

'फिर भी' शीर्षक कविता की अंतिम पंक्ति है--

(मुझे उम्मीद है फिर भी......)

इस संग्रह की कविताओं में प्रकृति व मानवीय सौंदर्य का कुंठारहित और सहज रूप भी अभिव्यक्त हुआ है। इस दृष्टि से 'सखियाँ' और 'हसमुख फूल' जैसी कवितायें उल्लेखनीय हैं। 'हसमुख फूल' कवितायें छत्तीसगढ़ की नर्तकी का श्रम संस्कृति पर आधारित रूप-सौन्दर्य का और जीवन-मूल्यों का उद्घारन है।

संग्रह में संकलित 'बच्चे की याद', 'जेल का गिलास' जैसी कविताओं में ऐसे स्मृति-प्रसंग है जो उर्जामय रसस्त्रोत देते है और प्रतिरोध की ताकत भी। यथा--

*एक ही नदी से पिया है जल सब ने*
*एक ही रास्ते चले सारे पाँव*
*जिसने भी रखा इस रास्ते पर पाँव*
*सागर से जा मिला*

(जेल का गिलास, पृ० १४)

संग्रह की 'यातना', 'एकालाप' और 'हत्यारा' शीर्षक कवितायें जीवन संघर्ष की वास्तविकताओं और विडम्बनाओं को पूरी सूक्ष्मता के साथ प्रस्तुत करती है। 'यातना' कविता में यह स्पष्ट किया गया है कि किसी को--

*बहुत ही शालीन ढंग से*
*किसी को यातना देनी हो*
*तो उसे खाने को सबकुछ दो*
*कपड़े दो, तेल दो साबुन दो*
*एक एक चीज दो*
*और काट दो दुनियाँ से*

(यातना, पृ० 13)

इसी प्रकार 'हत्यारा' शीर्षक कविता में जीवन के मूल्यवान १२ साल जेल में काटने के बाद हत्यारा सोचता है कि आखिर उसके पास अब बचा ही क्या है? वह बाहर आने के लिए बेचैन क्यों है।

संग्रह की 'बोलना' शीर्षक कविता ब्रोलवे के अर्थ और बोलने वालों की नियति और उनके वर्गीय चरित्र को उद्घाटित करते है--

जो सुखी सम्पन्न है
संतुष्ट है
वह कम बोलता है
काम की बात बोलता है
जो जितना सुखी है उतना ही कम बोलता है
जो जितना ताकतवर है उतना ही कम
वह लगभग नही बोलता है

(बोलना, पृ० ५३)

यहाँ कवि कम बोलने वालों की चुप्पी जनित धूर्तता की ओर इशारा करता है।

संग्रह की 'आखिर हर्ज ही क्या है' और 'ईद 82' कवितायें व्यापक सामाजिक यथार्थ को उद्घाटित करती हैं। यहाँ ईद 82 ईद मुबारक उनके लिए ही नहीं है जो अपने देश में है आपितु उनके लिए भी है जो परदेश में है और बेघर हैं। बादशाह खान के प्रति लिखी गई कविता 'बुढ़ापा' भी उल्लेखनीय कविता है। जिसका यह संदेश है कि –

*जुला के खिलाफ लड़ने की उम्र*
*खत्म नहीं होती।*

(बुढ़ापा, पृ0 ३२)


सबुत में 'मौत' और 'स्थित' जैसी कविताओं में मौत के प्रसंग हैं। यह प्रसंग भी है तो 'स्वगत' शीर्षक कविता में लोककथा की गूंज है। संग्रह की केन्द्रीय कविता 'सबूत' शीर्षक से है जिसमें हिंसा से रत पीढ़ी पर व्यंग करते हुए कवि कहता है कि लूट और अपराध में लगी यह पीढ़ी कोई सबूत नहीं छोड़ती क्योंकि –

*कहीं एक बूँद खुन नहीं*
*जितना पवित्र पहले थे*
*उतने ही पवित्र हैं आज भी, निष्कलुष*
*उनके खिलाफ कुछ भी सबूत नहीं*
*जो निर्दोष हैं वे दंग हैं हैरत से चुप हैं*
*शक है उन पर जो निर्दोष हैं क्योंकी वे चुप हैं।*
*क्योंकी वे चुप हैं।*

(सबुत, पृ0 65)

सबुत की कविताओं में जीवन की बिड़म्बनाएँ हैं, तो जीवन की स्वीकृति भी है। यह सही है कि सुन्दरता का बहुलांश धीरे-धीरे व्यष्ट हो रहा है फिर भी जो बचा है उसका बचना भी जरुरी है।

प्रस्तुत संग्रह की कवितायें कुछ सामान्य आकार की है तो कुछ अपेक्षाकृत छोटी। कवि ने भाषा जीवन-व्यवहार से अर्जित की है। यहाँ शिल्प के स्वाभाविक प्रयोग ही है। भाषा और भाव की यह सहजता और जीवन की व्यापक अभिव्यक्ति अरुण कमल को समकालीन कविता का महत्वपूर्ण कवि सिद्ध करती है। 000



# ডিজিটেল গ্ৰন্থাগাৰত এভুমুকি

■ ফণীধৰ শইকীয়া

গ্ৰন্থাগাৰ বা লাইব্ৰেৰী হৈছে যিকোনো অনুষ্ঠান বিশেষকৈ শিক্ষানুষ্ঠানৰ এক অবিচ্ছেদ্য অংগ। গ্ৰন্থাগাৰক শিক্ষানুষ্ঠানৰ হাৰ্ট বা আত্মা বুলি ক'ব পৰা যায়।

লাইব্ৰেৰী শব্দটো লেটিন শব্দ 'লাইব্ৰেৰীয়া' শব্দৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে য'ত কিতাপ-পত্ৰ আৰু অন্যান্য লিখিত নথিপত্ৰ ৰখা হয়। কিন্তু বৰ্তমান সময়ত ইয়াৰ সংজ্ঞা ব্যাপকভাৱে সলনি হৈছে। গ্ৰন্থাগাৰত কিতাপ-পত্ৰ সংগ্ৰহ কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ বাবে জ্ঞান আহৰণ আৰু বিচক্ষণ শক্তিৰ এক ভঁৰাল বুলি ক'ব পাৰি। গ্ৰন্থাগাৰক কেতিয়াবা খোলা দুৱাৰৰ সৈতে 'টেজাৰ হাউচ' বোলা হয়।

বৰ্তমান গতানুগতিক গ্ৰন্থাগাৰৰ বিপৰীতে ই-গ্ৰন্থাগাৰ ধাৰণাই যথেষ্ট বিকাশ লাভ কৰা দেখা গৈছে। ডিজিটেল লাইব্ৰেৰীক ই-লাইব্ৰেৰী বুলিও ক'ব পাৰি। ডিজিটেল বা ই-গ্ৰন্থাগাৰ শিক্ষা প্ৰযুক্তিবিদ্যাত সংযোজন হোৱা নতুনত্বসমূহৰ ভিতৰত অন্যতম।

তলত কেইটামান ডিজিটেল গ্ৰন্থাগাৰৰ সংজ্ঞা আগবঢ়োৱা হৈছে।

'ক্লিডলেণ্ডৰ মতে, ই-গ্ৰন্থাগাৰ বা ডিজিটেল গ্ৰন্থাগাৰ হৈছে গতানুগতিক গ্ৰন্থাগাৰসমূহৰ সংখ্যাত্মক ৰূপ যি সংখ্যাত্মক আৰু গতানুগতিক নিৰ্ধাৰিত মাধ্যমসমূহৰ সংগ্ৰহক অন্তৰ্ভুক্ত কৰে।'

দ্যা নেচনেল ডায়েট লাইব্ৰেৰীৰ সংজ্ঞা অনুসৰি ই-গ্ৰন্থাগাৰ হৈছে — 'বৈদ্যুতিক যোগাযোগ বা সংযোগ ব্যৱস্থাৰ দ্বাৰা আৰু এই উদ্দেশ্যৰ প্ৰয়োজনীয় সা-সুবিধাৰ সৈতে এটা গ্ৰন্থাগাৰে আগবঢ়োৱা মুখ্য তথা গৌণ তথ্যৰ যোগান ধৰা কাৰ্য্য।'

আন কথাত ক'বলৈ হ'লে, 'ডিজিটেল গ্ৰন্থাগাৰ হৈছে এনে এক গ্ৰন্থাগাৰ য'ত ব্যৱহাৰকাৰীসকলে টেলিসংযোগ ব্যৱস্থাৰ দ্বাৰা প্ৰত্যক্ষভাৱে বৈদ্যুতিক তথ্য

সংগ্ৰহ কৰিবলৈ সমৰ্থৱান হয়।'

গতানুগতিক গ্ৰন্থাগাৰসমূহৰ সংখ্যাত্মক ৰূপটোৱেই হৈছে ই-গ্ৰন্থাগাৰ বা ডিজিটেল গ্ৰন্থাগাৰ।

ডিজিটেল গ্ৰন্থাগাৰ বা ই-গ্ৰন্থাগাৰ হৈছে, গ্ৰন্থাগাৰৰ এক আধুনিক ধাৰণা। ই-লাইব্ৰেৰী এনে এক ব্যৱস্থা য'ত ব্যৱহাৰকাৰীসকলে ইন্টাৰনেট ব্যৱস্থাৰ দ্বাৰা গ্ৰন্থাগাৰলৈ নোযোৱাকৈ গ্ৰন্থাগাৰৰ কিতাপসমূহ পঢ়িব পাৰে। ডিজিটেল গ্ৰন্থাগাৰ হৈছে গ্ৰন্থাগাৰ ব্যৱস্থাৰ এক নতুন ৰূপ যাৰ দ্ৰুত গতিসম্পন্ন তথ্য সৰবৰাহ প্ৰযুক্তিবিদ্যা আৰু সংযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰা হয়।

ডিজিটেল গ্ৰন্থাগাৰৰ সহায়ত যিকোনো ব্যক্তিয়ে, ছাত্ৰ-ছাত্ৰীয়ে, যিকোনো সময়ত বা যিকোনো ঠাইত ইন্টাৰনেট ব্যৱস্থাৰ দ্বাৰা গ্ৰন্থাগাৰৰ বৃহৎ সংখ্যক সংগৃহীত কিতাপ-পত্ৰ পঢ়াৰ সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব পাৰে। ই-লাইব্ৰেৰীৰ দ্বাৰা উপলব্ধ হ'ব লগা কিতাপ-পত্ৰবোৰ সংখ্যাত্মক (Digitized form) ৰূপত থাকিলেহে এই সুবিধা লাভ কৰিব পাৰিব। এটা গ্ৰন্থাগাৰত সংগৃহীত হৈ থকা বৃহৎসংখ্যক কিতাপ-পত্ৰবোৰ সংখ্যাত্মক ৰূপ দান কৰাটো যথেষ্ট খৰচী আৰু কষ্টৰ কাম। সকলোবোৰ সংগৃহীত কিতাপ সংখ্যাত্মক ৰূপ প্ৰদান কৰাটো সম্ভৱ নহ'বও পাৰে। সেয়ে ডিজিটেল গ্ৰন্থাগাৰৰ দ্বাৰা এটা গ্ৰন্থাগাৰত থকা সকলোবোৰ কিতাপ-পত্ৰ পঢ়িবলৈ সক্ষম নহ'বও পাৰে। ই-গ্ৰন্থাগাৰ জৰিয়তে মাত্ৰ 'ডিজিটাইজদ' হৈ থকা কিতাপসমূহে পঢ়িব পৰা যায়।

ই-গ্ৰন্থাগাৰৰ বহুবোৰ সুবিধা আছে। তলত কেইবিধমান উল্লেখ কৰা হ'ল।

(১) বিভিন্ন প্ৰকাৰৰ তথ্য সংহত ৰূপত লাভ কৰাৰ ক্ষেত্ৰত সমৰ্থবান কৰি তোলা।

(২) গতানুগতিক গ্ৰন্থাগাৰত ৰখা তথ্য প্ৰযুক্তিতকৈ তুলনামূলকভাবে ডিজিটেল গ্ৰন্থাগাৰত ৰখা দৃশ্যমান বা বিশদভাৱে বৰ্ণিত তথ্য প্ৰযুক্তি বুজিবলৈ সহজ।

(৩) একেখিনি তথ্যকেই বহুমুখী সেৱা বা কাৰ্য্যতে সংখ্যাত্মক গ্ৰন্থাগাৰত ব্যৱহাৰ কৰিব পাৰি।

(৪) গতানুগতিক গ্ৰন্থাগাৰত যি তথ্য পুনৰাই পাবলৈ সক্ষম নহ'বও পাৰে; কিন্তু ডিজিটেল গ্ৰন্থাগাৰত সেইবোৰ পুনৰুদ্ধাৰ কৰিব পাৰি।

(৫) তথ্য প্ৰাপ্তিৰ ক্ষেত্ৰত থকা আঞ্চলিক আৰু অন্যান্য বৈষম্যবোৰ দূৰ কৰা।

(৬) প্ৰত্যেক আধুনিক ব্যৱহাৰকাৰীসকলৰ প্ৰধান উপাদান হৈছে সময়। তেওঁলোকে গ্ৰন্থাগাৰলৈ গৈ সময় খৰচ কৰিব নোৱাৰে। তেনে ক্ষেত্ৰত ইন্টাৰনেট ব্যৱহাৰৰ দ্বাৰা গ্ৰন্থাগাৰলৈ নোযোৱাকৈ ঘৰত থাকি, কাৰ্যালয়ত বহি গ্ৰন্থাগাৰৰ কিতাপ পঢ়িব পাৰে বা গৱেষণাৰ কাম কৰিব পাৰে।

(৭) গতানুগতিক গ্ৰন্থাগাৰত তথ্য সংৰক্ষণৰ যি সমস্যা ডিজিটেল গ্ৰন্থাগাৰত সেই সমস্যা নাই। কাৰণ তথ্যসমূহ 'ডিজিটাইজদ' হোৱা বাবে কম ঠাইতে বৃহৎসংখ্যক তথ্য সংৰক্ষণ কৰি ৰাখিব পৰা যায়।

(৮) ইন্টাৰনেটৰ জৰিয়তে বৃহৎসংখ্যক তথ্য প্ৰকাশ কৰিব পৰা যায়। ডিজিটেল গ্ৰন্থাগাৰত সেইবোৰ সহজে বিচাৰিবলৈ অনলাইন পাব্লিকেশ্বন আৰু অন্যান্য প্ৰয়োজনীয় তথ্যৰ উৎস পোৱা যায়।

(৯) বৰ্তমান নৱপ্ৰজন্মই কম্পিউটাৰ স্ক্ৰীণৰ পৰা পঢ়িবলৈ বেছি ভাল পায়। যিসকল নৱপ্ৰজন্মক বেছি তথ্য-প্ৰযুক্তিৰ প্ৰয়োজন তেওঁলোকে গতানুগতিক গ্ৰন্থাগাৰক উন্নীতকৰণ কৰি ডিজিটেল গ্ৰন্থাগাৰৰ লগত আভ্যন্তৰীণ সংযোগ হোৱাটো বিচাৰে।

(১০) দক্ষতাসম্পন্ন আৰু কম ব্যয় সাপেক্ষ তথ্যপ্ৰাপ্তিৰ ক্ষেত্ৰত সমৰ্থৱান কৰি তোলা।

গ্ৰন্থাগাৰ ব্যৱস্থাৰ এক নতুন সংস্কৰণ স্বৰূপে ডিজিটেল গ্ৰন্থাগাৰে প্ৰধানকৈ কৰা কাৰ্যবোৰ হ'ল—

(১) তথ্য সমন্বিত সংবাদৰ হস্তান্তৰ কেন্দ্ৰস্বৰূপে কাম কৰে।

(২) ডিজিটেল বা সংখ্যাত্মক গ্ৰন্থাগাৰে তথ্য সম্পদৰ পুঞ্জীভৱন কেন্দ্ৰস্বৰূপে কাম কৰে।

(৩) বিশ্বৰ যিকোনো গ্ৰন্থাগাৰ সেৱাৰ মুক্ত কেন্দ্ৰ হিচাপে ডিজিটেল গ্ৰন্থাগাৰে কাম কৰে।

(৪) মুখ্য আৰু গৌণ তথ্য যোগানৰ কেন্দ্ৰস্বৰূপে কাম কৰে।

(৫) আন্তঃগ্ৰন্থাগাৰ সহযোগিতাৰ কেন্দ্ৰস্বৰূপে কাম কৰে।

যিকোনো ডিজিটেল গ্ৰন্থাগাৰত উপলব্ধ হ'ব লগা আহিলাবোৰ এনেধৰণৰ —

(ক) কম্পিউটাৰ হাৰ্ডৱেৰ ঃ চাৰ্ভাৰ, পি.চি.ৰ সৈতে মাল্টিমেডিয়া, ইউ.পি.এছ, ইত্যাদি।

(খ) চফ্‌ট্‌ওৱেৰ ঃ জি.এছ.ডি.এব বা ডিস্পেচৰ উপযুক্ত চফ্‌ট্‌ওৱেৰ, যাক আভ্যন্তৰীণ সংযোগ আৰু লেন আৰু দেনৰ উপযুক্ত সংযোগ ব্যৱস্থা।

(গ) নেটওৱৰ্ক ঃ ল্যেন, মেন, স্কেন ইত্যাদি।

(ঘ) প্ৰিন্টাৰ ঃ লেজাৰ প্ৰিন্টাৰ, ডট্ মেট্ৰিকচ্ বাৰক'ড প্ৰিন্টাৰ, ডিজিটেল গ্ৰাফিচ প্ৰিন্টাৰ ইত্যাদি।

(ঙ) স্কেনাৰ ঃ এইচ পি স্কেন জেট, শ্বীট ফিডাৰ, ড্ৰাম স্কেনাৰ, ডিজিটেল কেমেৰা, বাৰক'ড স্কেনাৰ আদি।

(চ) ষ্টৰেজ ডিভাইছ ঃ অপটিকেল ষ্টৰ ডিভাইচ, চিডি-ৰম ইত্যাদি।

(ছ) কম্পিউটাৰৰ দক্ষতা থকা কৰ্মচাৰী।

ডিজিটেল গ্ৰন্থাগাৰে আমাৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ বহু বৰঙণি আগবঢ়াব পাৰে। তাৰ এক চমু আভাস দাঙি ধৰা হ'ল।

(১) বিভিন্ন বিষয়ৰ বিদ্যায়তনিক গৱেষণাৰ বাবে বৃহৎ পৰিমাণৰ পাণ্ডিত্যপূৰ্ণ তথ্যৰ প্ৰয়োজন। ডিজিটেল বা ই-লাইব্ৰেৰীয়ে এনে বহু তথ্য গৱেষকসকলক প্ৰদান কৰিব পাৰে।

(২) সংখ্যাত্মক গ্ৰন্থাগাৰে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগতীয়া আৰু তাৎক্ষণিক তথ্যৰ যোগান ধৰিব পাৰে। সমাজ অগ্ৰগতিৰ দিশত এনেবোৰ তথ্যই অৰিহণা যোগাব পৰা থল নথকা নহয়।


(৩) ডিজিটেল গ্ৰন্থাগাৰৰ তথ্য সংযোগ ব্যৱস্থা যিহেতু দেশভিত্তিক বা সীমাভিত্তিক নহয় সেয়ে বিশ্বৰ সকলো দেশৰ সকলো লোকে ইয়াৰ সুবিধা আৰু প্ৰয়োজনীয় তথ্য লাভ কৰিবলৈ সক্ষম হয়।

(৪) ইন্টাৰনেটৰ জৰিয়তে ডিজিটেল গ্ৰন্থাগাৰত ক্ষীপ্ৰভাৱে বিকশিত হোৱা তথ্য বিশদভাৱে লাভ কৰিব পাৰে। ইন্টাৰনেট সংস্কৃতি গঢ়ি তুলিবলৈ এনেধৰণৰ বিশাল জ্ঞান ভাণ্ডাৰে অৰিহণা যোগায়।

কম্পিউটাৰ নেটওৱৰ্কছ আৰু টেলিসংযোগ ব্যৱস্থাই সাংঘাটিক ধৰণে আমাৰ দৈনন্দিন জীৱন, ঘৰ-দুৱাৰ, কৰ্মসংস্কৃতি সলনি কৰিছে আৰু আমাৰ চিন্তাশক্তি, ব্যৱহাৰ, আচৰণ ইত্যাদিৰ ওপৰত প্ৰভাৱ পেলাইছে। বৰ্তমান সময়ত তথ্য প্ৰযুক্তিৰ ইমানেই বিকাশ হৈছে যে গ্ৰন্থাগাৰৰ ধাৰণাই সলনি কৰি পেলাইছে। গতানুগতিক গ্ৰন্থাগাৰ ব্যৱস্থাৰ বিপৰীতে ডিজিটেল গ্ৰন্থাগাৰ এক সুবিধাজনক আৰু সহজলভ্য ব্যৱস্থা। কম্পিউটাৰ আৰু ইন্টাৰনেট ব্যৱস্থাৰ দ্বাৰা কাৰ্যালয় বা ঘৰত থাকি এনে গ্ৰন্থাগাৰৰ সহায়ত অধ্যয়ন কৰিব পাৰে। ডিজিটেল গ্ৰন্থাগাৰৰ জৰিয়তে যথেষ্ট দ্ৰুতভাৱে তথ্য সংগ্ৰহ কৰিব পাৰি। কিন্তু গতানুগতিক গ্ৰন্থাগাৰত সেই সুবিধা নাপাবও পাৰে। এনে সুবিধাসমূহ লাভ কৰিবলৈ কম্পিউটাৰৰ দক্ষতা, নিৰৱচিন্নভাৱে বিদ্যুৎ ব্যৱস্থা আদি থকাটো নিতান্তই প্ৰয়োজন। বৰ্তমান সময়ত মোবাইল ফোনৰ ইন্টাৰনেট ব্যৱহাৰৰ জৰিয়তেও ডিজিটেল গ্ৰন্থাগাৰৰ অধ্যয়নৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। ০০০


# THE VALUE OF TIME

■ **Ajay Kr. Prasad**
H.S. 1st Year




There is a common and true saying that "Time and Tide waits for none". Which means time never waits for anyone, one should have to go with time side by side. Time comes and goes as usual but never stays. Time is free of cost for all but one can never sell it or buy. It is unbounded as no one can limit the time to any boundary. Nothing in this world can defeat it or have victory over it. Time is called as the strongest thing in this world which can damage and improve anyone. Time is very powerful. We are not able to measure its potential because sometimes only one moment is enough to win whereas sometimes it takes whole life to win. One can be the richest in a minute and one can be poor in a moment. Only one moment is enough to create a difference between life and death. Each and every moment brings lots of golden opportunities to us, we just need to understand the indication of time and use it. Every moment is a big store house of the new oppotunities in life. So, we should never let go off such precious time and make full use of it. If we fail to realise the value and indication of time, we may lose both the golden opportunities and most precious time from our life. It is the basic truth of life that we should never allow our golden time to pass away. We should utilize time positively and faithfully to go to our destination. The best way to utilize time in a useful manner is that we should make a time table to do everything at the right time. It is the most powerful and precious thing in life and never comes back as it runs only forward not backward. If one person does not understand the value of time, time also doesnot understand the value of that person. If we destroy our time, time also destroys us very badly. At a moment, time gives only one chance, if we lose it we can never get it back.

"Don't wait for the perfect moment,
take a moment and make it perfect." +++



# TRUE FRIENDSHIP

■ Santana Gupta
H.S. 1st Year

Friendship, a word that changes the life of a person from alone to partnership. A friend means a person who helps us as brother/ sister and quarrels with us, gives their support in need as father and understands and scolds us as mother. A friend plays the role of a complete family. A friend always helps us, enjoys in our happiness, supports as well. A friend not only means those who stay with us only in ous good time. A true friend is the person who stays with us in happy moments in need, gives good ideas in the time of difficulties, gives support physically/mentally, and not only shares our happiness but also shares our tears. But there is always a lack of good friends. Many a time we value some people as our good friends but they don't think so, we give our priority to them, shares each and every moment with them, we make them an important part of our life. But they never let us know about their thinking. They don't understand our true friendship and many a time they used to make fun of us. Even they try to create bad image in the society. Many a time even the people believe in their words. But this pain can be understood only by a true friend. A true friend can understand how people feel when a true friend tries to create bad names in society whom we used to believe the most in the world and had shared each and every moment of our life with them. It is more painful than the pain if someone scolds us. So, we should not believe anyone without judging him/her. Trusting someone without judging him may gives us a lot of pain which we may not be able to tolerate.

+++



# প্ৰতীক্ষা

■ কাকুমণি কটকী
স্নাতক পঞ্চম ষাণ্মাষিক

চহৰখনৰ সমগ্ৰ কোলাহলবোৰ যেন সোমাই আহিছে চহৰখনৰ মাজমজিয়াত থকা ৰেষ্টোৰেন্টখনলৈ— এনে লাগে মুকুতৰ। সেই শালিকী পুৱাতে চাহকণ খাই ওলাই আহে মুকুত। তাৰ পাছত ৰাতি এঘাৰ মান বজালৈকে একেই ব্যস্ততা, একেই কোলাহল। অস্বস্তি লাগে মুকুতৰ। অৱশ্যে পূজাৰ কেইদিনহে বেছি হুলস্থূল হৈছে, ভাবে সি।

চাৰি নং টেবুলৰ অৰ্ডাৰ ল'বলৈ যাওঁতে খোজৰ গতি মন্থৰ হৈ যায় তাৰ। ইমান জাকজমক। প্ৰত্যেক বছৰেই দেখি আহিছে সি পূজাৰ কেইদিনৰ জাকজমকতাই প্ৰত্যেকবাৰেই নতুনত্ব লৈ আহে, সেইবাবেই হয়তো চাবলগীয়া হয়।

"মুকুদা ৪নং টেবুলৰ অৰ্ডাৰটো ললা নে?" পোৱালীৰ মাতত হে খৰখেদা কৰে মুকুতে। আজি পূজাৰ তৃতীয় দিন। ৰাতিপুৱাৰে পৰা পূজা মণ্ডপলৈ মানুহৰ সমাগম হৈছে। চহৰখনৰ নাম থকা ৰেষ্টোৰেন্টখনলৈ মানুহ নহাকৈ থকা নাই। জিৰণি ল'বলৈ সময় নাই ৰেষ্টোৰেণ্টৰ কৰ্মীসকলৰো। মুকুতেও আহৰি পোৱা নাই। তথাপিও মনৰ কোনোবা কোণত অতীতে ভুমুকিয়াই থকা-সৰকা কৰে তাক। মুকুত যেন যন্ত্ৰ হৈ পৰে। অৰ্ডাৰ লয়, কৃত্ৰিম হাঁহি মাৰে ইত্যাদি ইত্যাদি...।

চহৰখনৰ দুকোঠলীয়া ভাড়া ঘৰটোত তাৰ সৰু সংসাৰখন। পত্নী আৰু একমাত্ৰ পুত্ৰ সুৰুযক লৈ সুখী সি দিনটোৰ ব্যস্ততাৰ মাজতো। ষাণ্মাষিক প্ৰথম বৰ্ষত পঢ়া সুৰুযক লৈ সপোন দেখে মুকুতে। সৰলমনা পত্নীৰ মুখখন চাই জোনৰ স্নিগ্ধতা অনুভৱ কৰে। সৰগৰ সুখ নিবিচাৰে কাৰণ সি নৰ্দমাৰ পৰা উঠি ইমানখিনি পোৱা মানুহ। পুৰণি কথাবোৰ মনত পৰিলে এতিয়াও কঁপি উঠে মুকুত। মৰমৰ ঘৰখন এৰি আহিব লগা হোৱাৰ বেদনাত হতাশ হৈ পৰে সি। চহৰলৈ অহা ট্ৰেইনখনত যে উঠি দিছিল টকাৰ সন্ধানত। সেই ভয়াবহ ৰাতিটোৱে যেন অট্টহাস্য কৰি উঠে আজিও। নিজান ষ্টেচনৰ প্লেটফৰ্মৰ লোহাৰ বেঞ্চখনত বহি থকা ৰাতিটোৱেই যেন আটাইতকৈ দীঘল ৰাতি। পোহৰ নহয়েই নহয়।

"দাদা ইয়াত কোনটো ডিছ্ আটাইতকৈ ভাল।" সম্বিত ঘূৰি আহে মুকুতৰ। কি উত্তৰ দিব ভাবি নাপায় সি। গ্ৰাহকৰ মুখত সচৰাচৰ শুনা ডিছটোৰ নামেই কৈ পেলায় মুকুতে। পখিলাৰ দৰে ৰং-বিৰঙী সাজেৰে চাৰিজনীয়া কিশোৰীৰ দলটোৱে খিলখিলাই হাঁহি কয় — 'চাৰিপ্লেট'। অৰ্ডাৰ লৈ আকৌ কিট্‌ছেনলৈ যায় মুকুত। হৰিদাক ডিছটোৰ নামটো কৈ কয় 'চাৰিপ্লেট'। হৰিদাৰ মিচিকীয়া হাঁহিটোৱে তাৰ মন সদায়ে পুলকিত কৰে। ক্ৰমাৎ বুঢ়া হৈ অহা এই হৰিদাটোৱেই এইখিনি পোৱালেহি মুকুতক। মহৰ কামোৰ খাই পাৰ কৰা ৰাতিটোৰ পুৱাতেই ষ্টেচনৰ প্লেটফৰ্মৰ পৰা তাক পাই লৈ আহিছিল ৰেষ্টোৰেণ্টখনত বাচনকে ধুব পাৰিব বুলি। সুধিছিল কিয় ঘৰ এৰি আহিলে কম বয়সতে। মুকুতে তলমূৰকৈ এটা কথাই কৈছিল "পইছা লাগে"। এইয়াই আৰম্ভণি। এতিয়া পুত্ৰ পৰিবাৰ লগতে হৰিদাও তাৰ বাবে সকলো সুখ-দুখৰ লগৰী। মুকুত, যি বাচন ধোৱা ল'ৰাৰ পৰা ৰেটাৰলৈ পদোন্নতি হৈছে এয়া মাত্ৰ হৰিদাৰ কৃপা। পত্নী জয়াকো হৰিদাই চাই দিয়া। "দেউতাক নথকা ছোৱালী উদ্ধাৰ কৰ মুকুত" এনেদৰে কৈছিল হৰিদাই। হৰিদাৰ কোনোবা দূৰ সম্পৰ্কীয় ভতিজা আছিল জয়া। আপত্তি নকৰাত হৰিদাই ভাল পাইছিল। জয়াজনীও জানো কম শান্ত, অনুভৱ কৰে মুকুতে। কিন্তু পুত্ৰ সুৰুযকহে অলপো আঁসে নিদিয়ে জয়াই। তাৰ ক্ষেত্ৰত কেনেকৈ ইমান কঠিন হয় জানো। আচৰিত লাগে মুকুতৰ। কথাতে কয় নহয় নাৰীৰ মন বুজা টান। আচম্বিতে হাঁহি এটা ওলাই আহে মুকুতৰ।

মুকুত আহি ছোৱালীকেইজনী ওচৰ পাইছিলহি, একো কথা নোহোৱাকে আচৰিত ধৰণেৰে হাঁহি উঠে সিহঁতে। অস্বস্তি লাগে মুকুতৰ। তাতোতকৈ বেছি আচৰিত কি সাজ-সজ্জা কি চুলিৰ ষ্টাইল। ক'ত পাই কোনে শিকাই ভাবি উলিয়াব নোৱাৰে সি। কি লাভ হয় চিনেমাৰ অভিনেত্ৰীৰ দৰে নিজক সজাই; বুজি নাপায় একো। ৰেষ্টোৰেণ্টৰ খাদ্য তালিকাৰ মাজত বিউটি টিপছ্ ক'তনো জানিব সি। অৰ্থহীন চিন্তা।

অখ্যাত গাঁও এখনৰ ল'ৰা মুকুত। চাৰিটা ল'ৰা-ছোৱালীৰে ভৰা মাক-দেউতাক হালৰ সিয়ে দ্বিতীয় সন্তান। চহৰত পুৰণি হৈ যোৱা ফেশ্বন গাঁও পোৱালেকে বৈ থাকে সিহঁত। নতুন বুলিয়ে আকোঁৱালি লয় সিহঁতে। কিন্তু দেখিলেই গম পায় যে গাঁৱৰ ল'ৰা-ছোৱালী। এতিয়াটো এইটো পৰিস্থিতি হৈ থকা নাই। গাঁৱৰ ল'ৰা-ছোৱালী আহিছে পূজা চাবলৈ একেই সাজ-সজ্জা। সিহঁতৰ দিনৰ শৈশৱটো কিযে আছিল। হতাশ হৈ পৰে মুকুত। আজিৰ ল'ৰা-ছোৱালীৰ দুই এমাহতে ড্ৰেছ আপ চেঞ্জ হয়। হেয়াৰ ষ্টাইল, মেক্‌আপ চেঞ্জ হয়। সি ৰেষ্টোৰেণ্টখনত থাকিয়ে অনুভৱ কৰিছে।


পোৱালীয়ে কয় মুকুতক হৰিদাই মাতিছে। সি অহঃ বুলি কৈ উঠে। এই ১৭ বছৰীয়া পোৱালীকো নিজৰ ল'ৰাৰ দৰেই অনুভৱ হয় মুকুতৰ। কি যে সময়। এফালে অত্যাধুনিক সাজ-সজ্জাৰে এজাক কিশোৰ-কিশোৰী আৰু আনফালে পোৱালীৰ দৰে পেটৰ তাড়নাত কাম কৰা এজাক কিশোৰ-কিশোৰী। ভাবিবলৈ শক্তি নহয় মুকুতৰ।

হৰিদাৰ ওচৰত তৱক মাৰি ৰৈ থকা দেখিয়ে হৰিদায়ে কৈ উঠে 'মুকুত-জয়াহঁত নাহিব জানো আজি?' অ' আহিব বুলি শলাগটো লৈহে তাৰ মনত পৰে প্ৰত্যেক বছৰেই জিৰণিৰ দিনা সি কাম কৰা ৰেষ্টোৰেণ্টখনলৈ আহে জয়া। যোৱা বছৰ অৱশ্যে নাহিল। সুৰুযৰ মেট্ৰিক পৰীক্ষাৰ ধুমুহা চলিছিল ঘৰখনত। বাহিৰৰ খাদ্য নোখোৱাৰে পৰা ধৰি গৰম কাপোৰ সময়ত পিন্ধিছেনে নাই তালৈকে চোৰা-চিতা কৰা হৈছিল তাৰ। এইবাৰ আকৌ গতানুগতিকতাৰেই জয়া আৰু সুৰুয আহিব। জয়াজনী আহিব বুলিলেই মুকুত ১৭ বছৰৰ আগলৈ ঘূৰি যায়। সেই যে গুলাপী ৰঙৰ শাৰীখন পিন্ধি হাতত ৰঙা খাৰুকেইপাত পিন্ধি আহিছিল। হৰিদাই কৈছিল 'ইয়ে মুকুত'। তাৰ এতিয়াও মনত আছে সেই লাজ লাজ কৰি মৰা হাঁহিটো, কপালৰ আগলৈ অহা চুলিখিনি বিশেষ ভংগীমাত আঁতৰাই লোৱা দৃশ্যটো। সঁচাই কি যে সময় আছিল। নষ্টালজিক হৈ পৰে মুকুত। জয়াহঁত আহিবৰ সময়ে হ'লচোন, কিয় অহা নাই। বাস্তৱ উপলব্ধি এতিয়াহে যেন হয় তাৰ। নাহিব নেকি? সুৰুযৰ কিবা হ'ল নেকি? কিয় অহা নাই? নানা ধৰণৰ কথাই মনটো ভাৰাক্ৰান্ত কৰি তোলে। ৰেষ্টোৰেণ্টখনতো ভিৰ অলপো কমা নাই। এপাক ঘৰৰ পৰা আহিব পৰা হ'লে, ভাবে সি। কৌতুহলী মনটোৰে বহিঃপ্ৰকাশ ঘটে হ'ব পায়। পোৱালীয়ে সোধে কি হৈছে। নিজক সংযত কৰে সি। যদিও এপাক বাহিৰৰ পৰা চাই আহো বুলি ওলাই যায় মুকুত। ইমান ভিৰ। উশাহ কেনেকৈ

লৈছে মানুহবোৰে। ৰেষ্টোৰেন্টখনৰ সন্মুখত বৈয়ে বাহিৰৰ দৃশ্যাৱলী চায় মুকুতে। এনেতে তিনিখন অত্যাধুনিক বাইকত ৫ জন ল'ৰা উঠি আহি ৰেষ্টোৰেন্টখনৰ সন্মুখত ৰয়। সূৰুযৰ বয়সৰে হ'ব। কৌতুহলবশতঃ চায় মুকুতে সিহঁতলৈ। ধনী ঘৰৰ ল'ৰা হ'ব চাগে ভাবে সি। হঠাতে সূৰুযৰ নামটো শুনা যেন লাগে সিহঁতৰ মুখত। বেলেগ সূৰুযো হ'ব পাৰে যদিও কৌতুহল দমাব নোৱাৰি কিনো কয় শুনিবলৈ চেষ্টা কৰে। "সূৰুয ক'ত আহিব" তাৰ বাইক নাই নহয় কৈ উঠে দলৰ এটাই। বহুত বৰিং ল'ৰা সি। ঘৰতে কি পায় বহি থাকি। মুকুত ওচৰ চাপি সিহঁতৰ বাৰ্তালাপ শুনিবলৈ চেষ্টা কৰে। হঠাতে এটাই কোৱা শুনে মুকুতে "আৰে, ইনকাম চাই এনজয় ন। তাৰ দেউতাক ৰেটোৰহে কৰে বোলে।"

মুকুতৰ বুজিবলৈ বাকী নাথাকে যে ইহঁতে তাৰ ল'ৰা সূৰুযৰ কথাই কৈছে। "বাদ দে, বাদ দে খাই লওঁগে ব'ল। কোনে কাক চায় আজিৰ দুনীয়াত। ময়ুখ, আজি তোৰ ট্ৰীট দেই।" ৰেষ্টোৰেন্টখনলৈ সোমাই যায় কিশোৰৰ দলটো। মুকুত শিলপৰা মানুহৰ দৰে থৰ লাগে। কাণত বাজি উঠে এষাৰেই কথা "কোনে কাক চায় আজিৰ দুনীয়াত"। হয় জানো? হয় জানো এইষাৰ সঁচা কথা। মানুহে মানুহক নাচালে কোনে চাব। মুকুত হতাশ হৈ পৰে। পুত্তৌ জন্মে সেই ল'ৰাকেইজনৰ মাক-দেউতাকলৈ কি শিষ্টাচাৰ দিছে নিজ সন্তানক? স্বাৰ্থপৰ হ'বলৈ, টকাক চিনি পাবলৈ, পদমৰ্যাদাৰ দম্ভ দেখুৱাবলৈ। কি দিছে বুজি নাপায় সি। ক্ৰমাৎ কংক্ৰিটে গ্ৰাস কৰা চহৰখনৰ মানুহবোৰৰ মনবোৰো যে কংক্ৰিট হৈ গৈছে। বুজি উঠে মুকুতে। পুনৰ ৰেষ্টোৰেন্টখনলৈ সোমাই যাবলৈ মন নাযায় মুকুতৰ। কিদৰে যাব? কেনেকৈ সেই ল'ৰাকেইজনৰ পৰা অৰ্ডাৰ ল'ব? সিহঁতটো ধনী মানুহ। মেনুকাৰ্ডত নথকা কিবা এটাৰ নাম যদি কৈ দিয়ে ক'ৰ পৰা আনি দিব সি। এনেকুৱা অবাস্তৱ কথাবোৰ মনলৈ আহে তাৰ। সূৰুযেও যদি তাৰ দুখীয়া দেউতাকক মেনুকাৰ্ডত নথকা অৰ্ডাৰটো বিচাৰে ক'ৰ পৰা আনিব মুকুতে। বুকুৰ ধপ্‌ধপনি যেন বাঢ়ি আহিল মুকুতৰ। জয়ালৈ মনত পৰিল তাৰ। তাইতো সূৰুযক সদায় এনেবোৰ কথা কয়। সামৰ্থ অনুযায়ী উচ্চাকাংক্ষা কৰিব লাগে বুলি কয়। মানুহৰ দুখৰ সমভাগি হ'বলৈ কয়। সূৰুযে মাকৰ কথাবোৰ গুৰুত্ব দিয়েনে। নে শুনিব লাগে বাবেহে শুনে। মনৰ ভিতৰতে চিৎকাৰ কৰি উঠে মুকুতে প্ৰমাণ হ'ব আজি। মুকুতে বিশ্বাস কৰে আজিও এনে কিছু কিশোৰ-কিশোৰী আছে যি কৃত্ৰিমতাক নেওচি সোণালী সপোন দেখে। প্ৰকৃতিক ভাল পায়, মানুহক ভাল পায়। তাৰে মাজত সূৰুযো নাথাকিবনে? ৰেষ্টোৰেন্টখনলৈ সোমাই আহে মুকুত। আশা মাত্ৰ এটাই সূৰুয আজি মাকৰ লগত বিক্সাত উঠি আহিব। অত্যাধুনিক বাইকত নহয়। বুজিৰ ভিৰ হোৱা বাবে খাদ্য অহাত পলম হৈছে। হুলস্থূল কৰাৰ প্ৰয়োজন নাই। হৰিদাৰ ওচৰলৈ সোমাই গ'ল মুকুত। অপেক্ষা সূৰুযলৈ। সূৰুয যেন তাৰ বিশ্বাসৰ এটি নতুন দিনৰ আৰম্ভণি। ভাল দিনৰ মুকুতে বিচৰাৰ দৰেই।

০০০





# চিন্তা

■ পৰাগ প্ৰতিম শইকীয়া
স্নাতক প্ৰথম ষাণ্মাষিক (শিক্ষা বিভাগ)

... কথাটো আছিল সিমানেই। তেনেই সামান্য কথা। কিন্তু তাকে লৈ পৰিমলৰ বৰ চিন্তা। চিন্তা নহ'বনো কিয়? পিতৃত্ব — এক গভীৰ দায়িত্ব। এই দায়িত্ব গ্ৰহণ কৰা পৰিমলৰ কুৰিটা বছৰেই হ'বৰ হ'ল যদিও সন্তানৰ প্ৰতি থকা দায়িত্বৰ প্ৰতি পৰিমল আজিও আৱেগিকভাৱে সংবেদনশীল। ডাঙৰটি ল'ৰা নন্দন চকুৰ সন্মুখতে এদেও দুদেওকৈ বাঢ়ি বাঢ়ি এতিয়া এটা চফল ডেকাত পৰিণত হৈছে। তাৰ ভৱিষ্যতক লৈয়ে পৰিমলৰ চিন্তা। পৰিমলে বিচৰা ধৰণেৰে জীৱনৰ প্ৰতি যেন আজিও নন্দন দায়িত্বশীল নহয়। ভৱিষ্যত সম্পৰ্কে নন্দনৰ অস্পষ্ট ধাৰণাই পৰিমলক অস্থিৰ কৰি তোলে। ডেকা ল'ৰা হিচাপে নন্দনে সকলো কথা উপলব্ধি কৰিব পৰা হ'ব লাগে। তাৰ যেন জীৱনৰ প্ৰতি কোনো সচেতনতা নাই।

হাতত আলোচনী এখন লৈ পৰিমল ড্ৰয়িং ৰুমত বহি আছিল। কিন্তু আলোচনীৰ পাততকৈও তাৰ মন এইবোৰ কথাতহে পাকঘূৰণি খাই আছিল। হঠাৎ তাৰ পৰিবাৰ মণিষা সোমাই আহিল ৰুমটোলৈ। আহিয়েই পৰিবাৰে ক'লে, "লাইট কেইটানো জ্বলাই লোৱা নাই কিয়? এই গধূলিৰ ধিমিক্ ধামাক্ পোহৰত কিতাপ পঢ়ি চকু বেয়া কৰিব খুজিছে নেকি?" এইবুলি চাহ এপিয়লা আনি পৰিমলৰ কাষৰ চেণ্টাৰ টেবুলখনত থৈ মণিষাও কাষৰ চকী এখনতে বহি ল'লে।

পৰিমলৰ দৰে কিন্তু মণিষা নিজৰ সন্তানৰ বিষয়ে বৰ সচেতন নহয়। সন্তানৰ সৰু বৰ এশটা প্ৰয়োজন পূৰণ কৰাতেই মণিষা ব্যস্ত হৈ থাকে। ঘৰৰ কামখিনিৰ পৰা তাইৰ আহৰিয়েই বা ক'ত? পৰিমল পিছে কম ব্যস্ত হৈ নাথাকে। সি নগৰৰ এটা বিশিষ্ট ব্যৱসায়িক প্ৰতিষ্ঠানৰ মেনেজিং ডিৰেক্টৰ। দিনটো নগৰৰ ইঠাইত-সিঠাইত মেল-মিটিং কৰি থাকোতেই তাৰ দিনটো পাৰ হয়। গধূলি আহি ঘৰখনত সোমালেই তাৰ দেহ ভাগৰুৱা হৈ পৰে। তথাপি পুত্ৰৰ প্ৰতি থকা চিন্তাই তাৰ মাজতে তাক জুমুৰি দি ধৰে।

প্ৰকৃততে পৰিমলৰ সন্তান হিচাপে নন্দনে পঢ়া-শুনাত যিদৰে বিশেষ পাৰদৰ্শিতা দেখুৱাব লাগিছিল সেই ধৰণেৰে যেন সি পৰা নাই। পৰিমলে বিচৰা ধৰণেৰে নন্দন অতি প্ৰখৰ বিধৰ নহয়। আজিলৈকে জীৱনৰ যিমানকেইটা

গুৰুত্বপূর্ণ পৰীক্ষা পাছ কৰিছে সেয়া সি ভালকৈয়ে কৰিছে। কিন্তু তাতে পৰিমল সন্তুষ্ট নহয়। সন্তুষ্ট নহ'বলগীয়া কথাও। আজিৰ দিনত যিহে প্ৰতিযোগিতা তাত নিজকে বৰ্তাই ৰাখিবলৈ যথেষ্ট কষ্ট কৰিব লাগিব। ভাল হ'লেই নহ'ব, ভালতকৈও ভাল হ'ব লাগিব। ল'ৰাটি সৰু হৈ থাকোতে পৰিমলে ভাবিছিলে যে ডাঙৰ হ'লে ল'ৰাটি এজন ভাল প্ৰশাসনিক বিষয়া হ'ব। কিন্তু সেয়া যেন সম্ভৱ নহ'ব। পৰিমলে উপলব্ধি কৰিছে যে এতিয়া নন্দন প্ৰশাসনিক বিষয়া নালাগে এটা সাধাৰণ চাকৰিৰ বাবেও যোগ্য নহয়।

পৰিমলে জানে যে সন্তানৰ ভৱিষ্যতৰ বিষয়ে বেছি উদ্বিগ্ন হৈ লাভ নাই বা সন্তানৰ ওপৰত মানসিক চাপ দিয়াও গ্ৰহণযোগ্য নহয়। কিন্তু সেয়ে হ'লেও এই বিষয়ে একেবাৰে আওকাণ কৰাটোও কেতিয়াও গ্ৰহণযোগ্য নহ'ব।

জীৱন মানেই সংগ্ৰাম। এই সংগ্ৰামত জয়লাভ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ কথা। পৰিমলে অৱশ্যে এই সংগ্ৰামত তিষ্ঠি থাকিব পাৰিছে। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোৰেই আছে তাৰ। কিন্তু সি বিচাৰে তাৰ ল'ৰা স্বাৱলম্বী হোৱাটো; নিজৰ ভৰিৰ ওপৰত থিয় হোৱাটো।

ল'ৰাটোৰ চেও-স্বভাৱত দেউতাক হিচাপে পৰিমল অকণো সন্তুষ্ট নহয়। পঢ়া-শুনা কৰা নাইবা আন কিছুমান গুৰুত্বপূৰ্ণ বুলি ভাবিব পৰা কামতকৈ খেলা-ধূলাৰ প্ৰতি থকা আগ্ৰহ, ৰাষ্টাই-ঘাটে ধিতিঙালি মাৰি ফুৰা পুতেকৰ স্বভাৱ চৰিত্ৰক পৰিমলে অকণো ভাল নাপায়। সেই বাবেই আজিকালি পৰিমল বৰ খিঙখিঙিয়া স্বভাৱৰ হৈ পৰিছে। সুবিধা পালেই নন্দনক সি কথা শুনায়। গালি-শপনি শুনি নন্দনৰো কাণ-গৰম হৈ যায় কেতিয়াবা। নন্দনে খঙতে মণিষাক প্ৰায়ে কয়, "মা! দেউতাইনো মোক অনবৰতে কিয় কথা শুনাই থাকে? এনে লাগে যেন তেওঁৰ কাৰণে মই চকুৰ কূটা দাঁতৰ শূলহে।" মাকে পিছে সকলো দোষ প্ৰজন্মৰ ব্যৱধানৰ ওপৰতে জাপি দি শান্ত হৈ থাকে। বাপেক-পুতেকৰ মাজত সোমাবলৈ তাইৰ সাহস নহয়।

সৰুজনী ছোৱালী জ্যোতি কিন্তু সকলো পিনেই ভাল। পঢ়াই-শুনাই, ব্যৱহাৰ-পাতিয়েই সকলো ফালেই সক্ৰিয় তাই। যোৱা বছৰ তাই জিলা ভিত্তিত অনুষ্ঠিত হোৱা প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত প্ৰথম স্থান পাইছিল। ঘৰলৈ আলহী-অতিথি আহিলেও তাই 'আহক-বহক' বুলি ভালকৈয়ে মাতষাৰ দিয়ে। ল'ৰাটোৰেই দিনটো স্মাৰ্টফোনটো হাতত লৈ চোফাযোৰতে পৰি থাকে। কি হ'ব এনেটি ল'ৰাৰ — তাকেই লৈ চিন্তা পৰিমলৰ।

কেতিয়াবা পৰিবাৰলৈও খং উঠে পৰিমলৰ। ল'ৰা-ছোৱালীকেইটাৰ পঢ়াৰ সময়ত মণিষাই যেনেকৈ ভৰিৰ ওপৰত ভৰি থৈ টি.ভি.ৰ সন্মুখত এলেহুৱা শৰীৰটি পেলাই থয় — দেখিলেই ক্ষোভত ৰঙা পৰি যায় পৰিমল। সন্ধিয়া হ'লেই সেই একেই ধাৰাবাহিক কেইখন লগাই থয় টি.ভি.ত। লগত আকৌ সৰুজনী ছোৱালীও বহি থাকে। আগৰ দূৰদৰ্শনৰ ধাৰাবাহিকবোৰ আছিল নীতিশিক্ষাকেন্দ্ৰিক। আজিৰ শাহু-বোৱাৰী ড্ৰামাই নীতিশিক্ষা দিয়াতকৈ কুবুদ্ধি কিছুমানহে মনলৈ আনি দিয়ে — যাক দেখি সৰুবোৰৰ নালাগে ডাঙৰৰ মনো বেয়া দিশলৈহে ঢাপলি মেলে। কেতিয়াবা বিৰক্ত হৈ পৰিমলে কয়, "কিনো থমথমকৈ টি.ভি.টোৰ সন্মুখত বহি থাকা? ঘৰত যে দুটাকৈ ল'ৰা-ছোৱালী আছে, সিহঁতৰ যে পঢ়িব শুনিব লাগে; তাক কি তুমি নাজানা!" কিমাননো আৰু সহ্য কৰিব সি। সদায় অফিচৰ পৰা আহি একেটাই মাথো দৃশ্য ঘৰত — মাক টিভিৰ সন্মুখত, পুতেক স্পাৰ্টফোনত ব্যস্ত — ইমানেই যে আত্মকেন্দ্ৰিক নহয় মানুহবোৰ! পৰিমলে লক্ষ্য কৰিছে ছোৱালীজনীৰো স্বভাৱ ক্ৰমাৎ নষ্ট হৈছে ককায়েক-মাকৰ এনে স্বৰূপ দেখি। তাকে ক'লে উগ্ৰমূৰ্তি ধাৰণ কৰি মণিষাই উচিত-অনুচিত এগাল কথাৰে গালি পাৰি তাৰ মগজুটো এনেয়ে গৰম কৰি দিয়ে।

আনহাতে, কেতিয়াবা মণিষাও ক্ষোভিত হৈ পৰে পৰিমলৰ অত্যধিক সচেতন মনোভাৱক দেখি। মানুহে সদায় বৰ্তমানত জীয়াই থাকিব লাগে। কিন্তু পৰিমল সদায় ভৱিষ্যত জীৱনৰ চিন্তাতে ব্যস্ত। এনে চিন্তাই তালৈ মানসিক অৱসাদহে আনি দিব পাৰে।

এদিন ৰাতি শুবলৈ লওঁতে পৰিমলে মণিষাক ক'লে, "আমাৰ অফিচৰ যে মিষ্টাৰ শৰ্মা, তেওঁৰ ছোৱালীয়ে পণ্ডিচেৰীৰ এটা 'পাব্লিকেশ্যন হাউচ'ত চাকৰি পাইছে, মাহিলি নব্বৈ হাজাৰ টকা দৰমহা, মাথোন ভাল ভাল প্ৰবন্ধ লিখিব লাগে প্ৰকাশ কৰি উলিয়াবলৈ। খুব ভাল লিখে ছোৱালীজনীয়ে। দেখাতো তাই বৰ মৰমলগা। আমাৰহে আৰু তেনে সৌভাগ্য হোৱা নাই। আমাৰ ল'ৰাইহে

কেতিয়াকে সৰু-সুৰা চাকৰি-বাকৰি এটা কৰি খুৱায় আমাক। তাৰেহে আশা মাথোন।"

এক মুহূৰ্তৰ বাবে চুপ থাকি মণিবাইয়ো প্ৰত্যুত্তৰ দিলে — "আপোনাৰো যে কথাবোৰ আৰু? আমাৰ ল'ৰা-ছোৱালীনো কিমান ডাঙৰ হৈছে আমাক কৰি মেলি খুৱাবলৈ? আপোনাৰ এনে ঠাট্টা-মস্কৰাবোৰ মোৰ একেবাৰে সহ্য নহয়।" যিমান ডাঙৰ হ'লেও মাকৰ বাবে নিজৰ সন্তান সৰু হৈয়ে থাকে। সন্তানৰ সকলো দোষ মাকৰ বাবে গ্ৰহণযোগ্য।

কিন্তু পৰিমলৰ ধাৰণাও যে ভুল নহয়। নিজৰ সন্তানৰ ভৱিষ্যতৰ বিষয়ে উদ্বিগ্ন হোৱাটো জানো অপৰাধ? সিওটো ল'ৰা-ছোৱালীৰ বিষয়ে অসৎ চিন্তা নকৰে। সিহঁতৰ ভৱিষ্যত জীৱনটোতো পিতৃ হিচাপে সিয়ে গঢ়িব লাগিব। তাতটো তাৰ কোনো ভুল হোৱা নাই। তাৰোতো কিছুমান সপোন আছে সন্তান দুটিক লৈ। ল'ৰাটোৱে ভাল চাকৰি এটা কৰি তাক খুৱাব, সমাজত তাৰ উচ্চ আসন হ'ব, বৃদ্ধ অৱস্থাত সিয়েতো তাৰ কান্ধ হ'ব। ছোৱালীজনীকো পঢ়াই-শুনাই স্বাৱলম্বী কৰি এখন ভাল ঘৰত বিয়া দিব — এয়াই পৰিমলৰ সপোন সন্তান দুটিক লৈ। তাৰ পৰিৱৰ্তেনো তাক আৰু কি পাৰিতোষিক লাগিব? আজিৰ দিনত শিক্ষিত সন্তানেও মাক-দেউতাকক বৃদ্ধ আশ্ৰমত থয়হি। সেইবোৰ দেখি সন্তানৰ পৰা কি আশা কৰিব পিতৃ-মাতৃয়ে। কিন্তু সেইবোৰলৈ ভ্ৰূক্ষেপ নাই পৰিমলৰ। তাৰ মতে সন্তানৰ সুখতে অভিভাৱকৰ সুখ। ল'ৰা-ছোৱালী দুটাই নিজৰ ভৰিত থিয় দিব পাৰিলেই তাৰ সকলো কামনা পূৰ্ণ হ'ব। তাকে লৈ চিন্তিত হোৱাটো জানো ভুল কথা?

এনেবোৰ চিন্তা লৈয়ে পৰিমলৰ দিনবোৰ পাৰ হ'লহেঁতেন। কিন্তু তেনেতে এটা ঘটনা ঘটিল; যিয়ে তাৰ মনৰ পৰা সকলো চিন্তা মচি পেলালে। এদিন অফিচলৈ বুলি গৈ থাকোতে ৰাস্তাত সি নন্দনক দেখা পালে। 'কলেজ ইউনিফৰ্ম'ত আছিল নন্দন। কিন্তু কলেজ প্ৰাঙ্গণত নহয়, সি আছিল ৰাস্তাৰ এক জনসমাগমৰ মাজত। পৰিমলৰ খং উঠিছিল। তীব্ৰভাৱে খং উঠিছিল। মুহূৰ্ততে গাড়ীৰ পৰা নামি নন্দনক চৰ দুটামান সোধাবলৈ মন গৈছিল। তথাপি ধৈৰ্য্য সহকাৰে গাড়ীৰ পৰা নামি সি সমাগমটোৰ ফালে আগবাঢ়ি গ'ল। কিন্তু ওচৰলৈ গৈ সি দেখিলে যে তাৰ পুত্ৰ নন্দন এদল ছাত্ৰৰ সৈতে আছে। কাষত এখন বেনাৰ। লিখা আছে "বান-সাহায্য শিবিৰ"। সিহঁতে হেনো ওচৰৰে এখন বানেৰে প্লাৱিত গাঁৱৰ ৰাইজৰ বাবে সাহায্য সংগ্ৰহ কৰিছে। লগতে গাঁওখনৰ প্ৰতি চৰকাৰে দায়িত্ব নোলোৱাৰ বিৰুদ্ধে ধৰ্মঘট কাৰ্যসূচী লৈছে।

ঘৰত মাত-বোল নকৰা ল'ৰাৰ এনে সামাজিক দায়িত্ববোধ দেখি বিস্ময় মানিলে পৰিমলে। ল'ৰাটিৰ মনলৈ এনে সামাজিক সচেতনতা আহিল কেনেকৈ? আচৰিত হ'বলগীয়া কথা।

অলপ সোধ-পোছ কৰাত পৰিমলে গম পালে যে তাৰ ল'ৰাটি ওচৰৰে এটা এন.জি.অ'.ৰ সদস্য। এন.জি.অ'.টোত কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলেই সদস্যৰূপে আছে। এন.জি.অ'.টিৰ দ্বাৰা বিভিন্ন সমাজসেৱামূলক কাম সম্পন্ন কৰা হয়। নন্দন এই অনুষ্ঠানটিত নৱাগত সদস্য। তথাপিও সকলোৰে মাজত বৰ জনপ্ৰিয় সি। যোৱাটি মাহত এজন ভিক্ষা মাগি খোৱা লোকক পথত অচেতন অৱস্থাত পাই চিকিৎসালয়লৈ নি সি তাৰ জেপৰ পৰাই সকলো খৰচ-পাতি দি মানুহজনক সুস্থ কৰি পেলালে আৰু মানুহজনক এখন আশ্ৰমত থৈ আহিলে। এনে কৰাৰ বাবে সি ভূয়সী প্ৰশংসাৰ পাত্ৰ হৈ পৰিছিল। পৰিমলে গম পালে যে সেই অঞ্চলটিত নন্দন বেচ জনপ্ৰিয়।

এইখিনি দেখা-শুনাৰ পাছত পৰিমলে মনটো বৰ পাতল-পাতল যেন অনুভৱ কৰিলে। হঠাৎ তাৰ মনৰ পৰা সকলো চিন্তা আঁতৰি গ'ল। সকলো কথাই সি ভালকৈ উপলব্ধি কৰিলে।

এটা গভীৰ স্বস্তিৰ নিশ্বাস এৰিলে পৰিমলে ,আৰু নিজকে ক'লে ঃ "মই ভবাৰ দৰে মোৰ ল'ৰা একো হ'ব নোৱাৰিলেও সি এজন প্ৰকৃত মানুহ হ'ব পাৰিছে— ইয়াতকৈ আৰু মোৰ কাৰণে ডাঙৰ কথা একোৱেই হ'ব নোৱাৰে...।"

০০০

# The Camp – a lot of memories

■ Susmita Deb
B. Com. 3rd Sem

I wonder when I remember
About those cheerful days
Of the Mega Special Camp;
We, the NSS volunteers spend together.


Those days of fun,
Where there were many things to learn.
Those days of joy,
Are really more precious than my toys.

Those days mean a lot to me
As then I found the true potential in me.
Those days take me back
To my childhood days.
To those gracious and cheerful days.

The people I meet there were real
Because their souls were not cruel.
I feel myself too lucky to had those days,
As in my life they bring
Some beautiful rays.

Do me one favour
Let us meet again together
Let us put together a step forward.
To save the place,
Where on we took birth
To save our mother Earth.


Let us take a pledge today.
That we will fulfill the dream
That has been seen
By the National Service Scheme. ++



# THE UNTOLD TALE OF THE NIGHTINGALE

■ **Nandini Gupta**
B. Com 5th Semester


She couldn't wait to meet her,
The warmth of her love, was what she craved for,
All she wanted was to rest on her chest,
And let her lullabies calm the unrest.
'Maa' she exclaimed as she appeared to her sight,
And hugged her so very tight
She was sent out to live her life,
But midst her journey she returned.
One more time to feel the love, to feel alright,
To gain the strength for another flight.
On her return, she soon realised,
Things had changed, nothing was right.
Her heart was too heavy to fly,
She spread her wings and hit the sky.
Exhausted, she found her abandoned nest,
A twig hurt her, as she slept.
She awoke and her knees felt weak,
Cries of 'Maa' escaped her beak.
Her pained cries were mistaken for sweet melody at midnight,
And the world enjoyed the Nightingale's song all night. +++



# WOMANHOOD


■ **Nandini Gupta**
B. Com 5th Semester

Where the moon was sky,
Where all that 'what' words deny.
Those trees covering the sky,
There stands a woman veiling her chest,
There stands a woman with a single breast.
Was it the magic of her sweat or the fragrance of woods.
Or may be it was her strong essence of womanhood.
The glamour of her nature covering her anxiety,
Thinking vigourously about the doomed society.
All the hustle going on her mind
About the taboo of scars, bald skull and weight.
All the memories of motherhood she rewinds,
After all the pain she carried, she still stands straight.
The beauty of her bald scalp still prevails,
She has the power to collect the stars in her vail.
After all the sufferings and pain,
The power of womanhood still remains. 000



# फिरभी कुछ कम है

■ नन्दिनी गुप्ता
वि. कम. पाँचवां सामान्सिक



जीवन में बहुत कुछ हैं फिर भी कुछ कम हैं
भीड़ हैं यहाँ लोगों को फिर भी अकेलापन है
चारों ओर शोर-शराबा है माहौल भी प्रसन्न है
खुशियों का जमघट है फिर भी सन्नाटे में हम है
हम निकल पड़े अलग राह पर सोचा कि ये प्रसन्नता का नवजन्म है
किंतु ना बदला रुख हवा का, यहाँ भी मिला केवल गम है
भावनाओं ने असहाय बना डाला मन में अनबन कायम है
फिर भी कदम चल रहे हैं, बाजुओं में इतना दम है
चाहते है सब कुछ पाना, लगता है हम ही हम है
कभी लगता है शिखर पर पहुंच चुके हैं या शायद यह मन का वहम है
फिर भी प्रसन्नता जाती रही है, हर्ष भी दिल में सम है
सुख में दुःख, गम में उमंग-शायम यही जीवन है
लेकिन फिर भी अपूर्णता है, मन में अधूरापन है
होठों पर तैर रही हंसी है फिर भी आँखें नम है
जीवन में बहुत कुछ है फिर भी कुछ कम है! 000



# हे शिक्षक तुम्हे प्रणाम


■ त्रिद्रु गुप्ता
उच्चत्तर माध्यमिक द्वितीय वर्ष (कला)


है शिक्षक तुम्हें प्रणाम!
महान हो तुम, गुणवान हो तुम
ज्ञान का भंडार हो तुम
जल से निर्मल, पूष्प से कोमल
शिक्षक के भाग्य विधाता हो तुम
नदियों से पावन पर्वत से ऊँचे
सुरज जैसे तेजवा हो तुम
इस जग में तुम जैसा कोई नही
सम्पूर्णता का वहदान हो तुम
हे शिक्षक, तुम्हे प्रणाम! 000

# मानवता

■ कौशिक चाहु
उच्चत्तर माध्यमिक द्वितीय बर्ष (कला)

यदि भला किसी का कर न सको,
तो बुरा किसी का मत करना।
यदि सम्मान किसी को कर न सको,
तो अपमान किसी का मत करना॥
यदि मरहम पट्टी कर न सको,
तो दुखसार न नमक लगा देना।
यदि झोपड़ी किसी को बसा न सको,
तो आग कभी न लगा देना॥
यदि दीपक बनकर जल न सको,
तो अन्धकार भी मत करना।
यदि पुण्य कर्म कमा न सको,
तो पाप कर्म भी मत करना॥
यदि बन न सको भगवान कभी,
तो कम से कम इंसान बनो।
यदि सत्य मधुर न बोल सकी,
तो झुठ कभी भी मत बोलना।
यदि भला किसी का कर न सको,
तो बुरा किसी का मत करना। ०००





# जिन्दगी

■ रुही खातुन
बी.ए. प्रथम सामान्सिक

जिन्दगी के हर खेल निराले
जिन्दगी के हर पल निराले।
कभी किसी को समझ मे न आई जिन्दगी
सबकी शुनते है, और अपनी भी सुनाते है,
पर जिन्दगी की पहेली को हम समझ नही पाते है
हर पल, हर दिन आजमाती है सभी को जिन्दगी
फिर भी किसी को समझ मे नही आती है जिन्दगी
इसकी मोह-माया तो यही जाने
हम तो कभी जिन्दगी की गहराई को समझ न पाये।
इसलिए तो कहा जाता है
जिन्दगी तो कहा जाता है
जिन्दगी के हर खेल निराले
जिन्दगी के हर पल निराले
फिर भी जिन्दगी के पहेली की कोई

■ চিম্পী ৰাজবংশী
স্নাতক ষষ্ঠ ষাণ্মাষিক

# ৰাজস্থান ভ্ৰমণ




নজনাটো জানিবলৈ নেদেখাটো চাবলৈ মানুহৰ আগ্ৰহ এক সহজাত প্ৰবৃত্তি। মানুহৰ চকুৱে সদায় নান্দনিক সৌন্দৰ্যৰ পম খেদে; নান্দনিকতা মানুহৰ প্ৰিয়। সৌভাগ্যক্ৰমে এনে এক আনন্দ পাবলৈ আমি সুবিধা পাইছিলো ২০১৮ চনৰ ডিচেম্বৰ মাহত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মজিয়াৰ পৰা কেইজনমান ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰা হৈছিল ৰাজস্থান ভ্ৰমণ কৰিবলৈ। ফুৰিবলৈ সকলোৱে ভাল পায় তাতে ৰাজস্থানৰ দৰে সুন্দৰ ঠাইখনত ফুৰিবলৈ যোৱাৰ কথা শুনি আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ। আমাৰ সৰু দলটিত আছিল ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি পৰিণীতা তাঁতী, সাধাৰণ সম্পাদক শিৱম শৰ্মা, উপ-সভাপতি তপন বৰা আৰু মহাবিদ্যালয়ৰ প্ৰত্যেকটো বিভাগৰ পৰা একোজনকৈ নিৰ্বাচন কৰা ছাত্ৰ-ছাত্ৰী ক্ৰমে ভূগোল বিভাগৰ কৃশাণু কুমাৰ বৰুৱা, অসমীয়া বিভাগৰ কাকুমণি কটকী, ইতিহাস বিভাগৰ অলকতৰাগ ঠেঙাল, একাউনটেন্সী বিভাগৰ সাগৰিকা শইকীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা মই। আমাৰ লগত তত্ত্বৱধায়ক হিচাপে গৈছিল ইংৰাজী বিভাগৰ পাৰ্থপ্ৰতীম বিশ্বাসী ছাৰ আৰু বিজনেচ আৰু ল বিভাগৰ ৰীমা বৰুৱা বাইদেউ। ২০১৮ চনৰ ৬ ডিচেম্বৰৰ দিনা আমাৰ যাত্ৰা আৰম্ভ হৈছিল ৰাতিপুৱাই গুৱাহাটী অভিমুখে। গুৱাহাটীৰ পৰা ৰাজস্থান অভিমুখী ট্ৰেইনখনত উঠি সঁচাকৈয়ে আনন্দত আত্মহাৰা হৈ পৰিছিলো। অধ্যক্ষ মহোদয়ৰ প্ৰতি কৃতজ্ঞ হৈ পৰিছিলো যে আমাক এনেধৰণৰ সুবিধা এটা দিলে। গুৱাহাটীৰ পৰা ৰাজস্থান এক দীঘলীয়া যাত্ৰা। যাত্ৰাটো সঁচাকৈয়ে আমোদজনক আছিল। ট্ৰেইনতে দুটা ৰাতি কিদৰে পাৰ হৈছিল গমেই পোৱা নাছিলো। খোৱাৰ যোগান ধৰা ট্ৰেইনৰ কৰ্মচাৰীজনেহে সোঁৰৰাই দিছিল খোৱাৰ কথা। দুদিনতে বেচ আন্তৰিকতাই গঢ়ি উঠিছিল চেন্নাইমুখী এজন যাত্ৰীৰ লগত। আমি স্ফূৰ্তিতে তেখেতৰ নাম চেন্নাই এক্সপ্ৰেছ দিছিলোঁ। সোনকালে আপোন হৈ পৰা ককা-আইতা দুগৰাকীৰ কথা নক'লে হয়তো যাত্ৰাটো আধৰুৱা হৈ যাব।



মথুৰালৈ যাবলৈ অহা শিলচৰৰ ককা-আইতা দুজনে বহুত মৰম কৰিছিল। বাহিৰৰ দৃশ্যাৱলীও অতি সুন্দৰ আছিল। আমাৰ চকুৰ আগত গৈ থকা ট্ৰেইনখনে তুলি ধৰিছিল একো একোখন সুন্দৰ ৰঙীণ কেনভাছ। য'ত ৰং বিচাৰি শেষ নহওঁতেই আকৌ নতুন এখন ওলাই পৰে। ট্ৰেইনৰ যান্ত্ৰিক ঘৰ্ষণ মৃদু জোকাৰণিত ৰাজস্থান চোৱাৰ হেঁপাহ যেন দুগুণ কৰি তোলে। খিৰিকীৰ বাহিৰত ক্ৰমে শেষ হৈ আহিছিল আঘোণৰ সোণবৰণীয়া পথাৰ। আৰম্ভ হৈছিল আলুখেতি, ঘেঁহু খেতি, ঠায়ে ঠায়ে ম'ৰা চৰাইবোৰ দেখি বহুত ভাল লাগিছিল। নীলগাই, নানাধৰণৰ চৰাইবোৰে খিৰিকীৰ বাহিৰতে চকুবোৰ নিবদ্ধ কৰি ৰাখিছিল। চাৰ-বাইদেউ দুজনৰ বন্ধুসুলভ আচৰণে আমাৰ যাত্ৰাটো জীপাল কৰি তুলিছিল। মথুৰালৈ যাবলৈ অহা ককা-আইতা দুজন মথুৰা ষ্টেচনত নামি যোৱাত কেবিনটো খালি হৈ গৈছিল আৰু মনবোৰো। অনুভৱ হৈছিল মানুহ কিমান সোনকালে আপোন হ'ব পাৰে। 'গাখীৰ তপতালে তপতাবি নতপতালে নতপতাবি' ধৰণৰ জিভা কেঁকুৰিৰে যাত্ৰাটো আমোদজনক কৰি তুলিছিল। কাকুৰে ককাজনে ভুলকৈ উচ্চাৰণ কৰা বাক্যযাৰি পুনৰ শুধৰাবলৈ হুলস্থূল লগাইছিল। ৰীমা বাইদেউৱে আমাৰ কাণ্ড দেখি কেৱল হাঁহিছিল। এনেদৰেই গুৱাহাটীৰ পৰা আৰম্ভ হোৱা যাত্ৰাটো দুদিনৰ দিনা ৰাতিপুৱাৰ সময়ত আমি ৰাজস্থান পাইছিলোগৈ। তেতিয়াহে যেন অনুভৱ হৈছিল আমাক জিৰণিৰ প্ৰয়োজন হৈছে। আগতীয়াকৈ ঠিক কৰি থোৱা হোটেল বৈষ্ণৱী অভিমুখে আমাৰ গাড়ী ৰাওনা হৈছিল। শ্বাকিল খান নামৰ ব্যক্তিজনৰ তত্বাৱধানত হোটেল পায়হে আমি স্বস্তিৰ উশাহ লৈছিলো। শ্বাকিল খানৰ ব্যক্তিত্ব বহুত ভাল আছিল। যোৱাৰ দিনৰে পৰা আহিবৰ সময়লৈকে ফোনৰ মাধ্যমেৰে আমাক সহায় কৰিছিল। ৯ ডিচেম্বৰৰ ৰাতিপুৱা আহাৰ খাই জয়পুৰৰ বিখ্যাত বিৰলা মন্দিৰ চাবলৈ গৈছিলোঁ। মন্দিৰ ভিতৰতকৈ বাহিৰৰ দৃশ্যাৱলী আছিল অতি সুন্দৰ। নানা ধৰণৰ ফুলেৰে আৱৰা মন্দিৰটো চাবলৈ দৰ্শনাৰ্থীৰ ভিৰ হৈছিল। ৰাধা-কৃষ্ণৰ যুগল প্ৰতিমূৰ্তিৰে মন্দিৰৰ ভিতৰচ'ৰা জিলিকি থকা বিৰলা মন্দিৰত কিছু সময় কটাই আমি এলবাৰ্ট হ'ল চাবলৈ গ'লো। সেইটো এটা মিউজিয়াম আছিল। মিউজিয়ামটোৰ ভিতৰত যেন ৰাজস্থানৰ ইতিহাসে জিৰণি লৈছিল। বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ, পুৰণি অৰ্থাৎ এটা সময়ত প্ৰচলিত মুদ্ৰা, ৰাজ পোছাক, সাধাৰণ পোছাক, মুকুটৰ পৰা আদি কৰি বাদ্যযন্ত্ৰলৈকে সুন্দৰকৈ সজাই থোৱা তিনি মহলীয়া মিউজিয়ামটোৰ ভিতৰচ'ৰাত সংৰক্ষিত হৈ আছিল সম্পূৰ্ণ ৰাজপৰিয়ালৰ সা-সৰঞ্জাম।

মিউজিয়ামটোৰ ভিতৰতকৈ বাহিৰৰ দৃশ্যাৱলীয়ে আমাক আপোন পাহৰা কৰি তুলিছিল। হাজাৰ হাজাৰ পাৰ কেৱল পাৰ। পাৰৰ জাকে গোটেই মিউজিয়ামটো আৱৰি আছিল। একেলগে ইমানখিনি পাৰৰ জাক দেখি সঁচাকৈয়ে বহুত ভাল লাগিছিল। এনেদৰেই আমি জয়পুৰৰ মাজমজিয়াৰ পিংক চিটিয়েদি আহি হাওআ মহল চাইছিলো। ইয়াৰ পাছত চিটি পেলেচ চাবলৈ গৈছিলো। এক বিশাল ঠাই আগুৰা চিটি পেলেচ নামৰ ঠাইখনৰ সৌন্দৰ্য বৰ্ণনা কৰিব নোৱাৰা ধৰণৰ। বিশেষ কাৰুকাৰ্য খটোৱা দুৱাৰবোৰত ৰাজকীয়তা যেন জিলিকি আছিল। চিটি পেলেচত বহুত সময় কটাই আমি দুপৰীয়া আহাৰ খাই আমেৰ ফৰ্ট চাবলৈ গৈছিলোঁ। পাহাৰৰ ওখ ঠাইত আমেৰ ফৰ্টৰ পৰা জয়পুৰখন দেখি। অতি সুন্দৰ ঠাই আমেৰ ফৰ্টত চীচ মহল আদি কৰি ফুলৰ বাগিচালৈকে ইতিহাস জড়িত হৈ আছে। দেৱালবোৰত ঠায়ে ঠায়ে অতি সূক্ষ্ম কাৰুকাৰ্যৰে নানা চিত্ৰ অংকন কৰি থোৱা আছে। আমি যিজন গাইডৰ সহায় লৈছিলো তেখেতে অতি সুন্দৰকৈ বুজাই দিছিল। সেই সময়ছোৱাত ৰাণীসকলক বিশেষ মৰ্যাদা আৰু সন্মান দিয়া হৈছিল। গাইডজনৰ মুখত ৰাণীৰ আৰামৰ কথা শুনি আমি আচৰিত হৈ পৰিছিলো।



আমেৰ ফ'ৰ্টৰ সৌন্দৰ্যৰ লগতে প্ৰাকৃতিক সৌন্দৰ্যই আমাৰ মন ভৰাব পৰা নাছিল। যদিও সময়ৰ অভাৱৰ বাবেই আমি বেছি সময় থাকিবলৈ পোৱা নাছিলোঁ। ইয়াৰ পাছত আমি জলমহল চাবলৈ গ'লো। তেতিয়ালৈ সন্ধিয়া হৈছিল। পানীৰ মাজত জিলিকি থকা জলমহলটো বহুত সুন্দৰ আছিল। জলমহলৰ পাৰত থকা বজাৰখনত আমি বজাৰ কৰিলোঁ। সময়ো হৈছিলগৈ সেইবাবে সেইদিনালৈ ভ্ৰমণ শেষ হৈছিল। আমি পুনৰ বৈষ্ণৱী হোটেললৈ উভতি আহিছিলো। জয়পুৰৰ সেই দিনটো সঁচাকৈয়ে স্মৰণীয় হৈ আছে। যান্ত্ৰিক কোলাহল ভেদি এতিয়াও পাৰ জাকৰ ঋণবোৰ কাণত বাজে। জয়পুৰখন যেন কাৰোবাৰ এছোৱা ৰঙীণ সময় ইতিহাস হৈ আছে এনে লাগিল।


বৈষ্ণৱী হোটেললৈ আহি আমি অলপ জিৰণি লৈ ৰাতি আহাৰৰ বাবে ওলাই গৈছিলো। আহাৰ খাই উভতি আহোতে পাৰ্থ চাৰ আৰু শিৱম এটিএম বিচাৰি যোৱাত আমি আঠজন ৰীমা মেমৰ সৈতে হোটেললৈ উভতি আহিছিলো যদিও প্ৰায় একে ধৰণৰ গলিবোৰত হোটেল বিচাৰি পোৱাত অসুবিধা হৈছিল। তাতে তপনৰ মোবাইলৰ গুগোল মেপেও দিগদাৰী দিছিল। অৱশেষত আধাঘন্টাৰ ৰাস্তা এঘন্টা ঘুৰি হোটেল পাইছিলোগৈ। এই ঘটনাটো আমাৰ মাজত 'পৰুৱাই পোৱা' বুলি বিখ্যাত হৈ পৰিছিল।


পিছদিনা পুৱা আমি আগতীয়াকৈ নিৰ্দিষ্ট কৰি থোৱা 'উদয়পুৰ নগৰ' ঠাইখনলৈ ওলালো। লেক্ চিটি নামেৰে বিখ্যাত ঠাইখনলৈ আমি ট্ৰেইনেৰে গৈছিলো। ৬-১৫ বজাত থকা উদয়পুৰ অভিমুখী ট্ৰেইনখনত গোটেই দিনটো যোৱাৰ পাছতহে উদয়পুৰ পাইছিলোগৈ। হোটেল পায়হে দিনটোৰ ট্ৰেইন যাত্ৰাৰ ভাগৰে হেঁচা মাৰি ধৰিছিল। সেইদিনা আৰু ক'তো ফুৰিবলৈ যোৱা নহ'ল।

পিছদিনা পুৱা আমি উদয়পুৰৰ মনোৰম হ্ৰদ চাবলৈ গৈছিলো। ৰাজস্থানী গান শুনি শুনি আমি গাড়ীখনত হ্ৰদ চাবলৈ গৈছিলো। দুয়োকাষে পাহাৰে আৱৰা ৰাস্তাটো কেতিয়া শেষ হৈছিল গমকে নাপালো। হ্ৰদটোৰ পাৰত বলি থকা বতাহখিনি, হ্ৰদটোৰ নীলা নীলা পানী, পাহাৰে হ্ৰদটো আৱৰি আছিল। আমাৰ দহজনীয়া দলটিয়ে হ্ৰদটো নাও/ফেৰীৰে ফুৰিলো। উদয়পুৰত গোটেই দিনটো কেইবাটাও হ্ৰদ চালোগৈ। তাৰ পাছত 'ৰ'পৱে' কৰিলো। উদয়পুৰৰ বতাহখিনিয়ে, নীলা পানীখিনিয়ে, এতিয়াও মন আলোড়িত কৰে। সেইদিনা সন্ধিয়া উদয়পুৰৰ মাজমজিয়াৰ বজাৰকেইখনত ফুৰিলো।


সেইদিনাৰ ৰাতি আহাৰৰ ব্যৱস্থা হোটেলতে কৰা হৈছিল। কৃশাণুৰ আইডিয়াত হোটেলত কেণ্ডেল লাইটৰ ব্যৱস্থা কৰা হৈছিল। সকলোৰে সহায়-সহযোগত স্ফূৰ্তিৰে সেইদিনা ৰাতিৰ আহাৰ খাইছিলো।

সময়বোৰ খুব সোনকালেই পাৰ হৈছিল। পিছদিনা পুৱাতে আমি আমাৰ ভ্ৰমণৰ তালিকাত থকা শেষৰ ঠাইখন ফুৰিবলৈ ওলালো 'জেইচেলমেৰ'। উদয়পুৰৰ পৰা জেইচেলমেৰ বাছেৰে যাত্ৰা কৰিছিলো যদিও আমনি লগা নাছিল। ৰাস্তাৰ কাষৰ সৌন্দৰ্য বিশেষকৈ ম'ৰা চৰাইবোৰে মন ভৰাই তুলিছিল। জেইচেলমাৰ পায়হে অনুভৱ হৈছিল আমাৰ ভ্ৰমণ যে ক্ৰমাৎ শেষ হৈ আহিছে। জেইচেলমেৰ পায়ে এচ. এচ. হাৱেলী নামৰ হোটেলখনলৈ গ'লো। হাৱেলী বুলিলে এনেও ভয় লাগে তাতে ৰাতিটো ভালকৈ টোপনি যাবলৈ নাপাই অসুস্থ যেনো লাগিছিল। হোটেলখনৰ





দেৱালত ওলমাই থোৱা দোলাত গৈ থকা বিশেষ ভংগীৰ কইনাজনীক টোপনিৰ জালতে ভূতৰ দৰেহে লাগিছিল। সেইদিনা আবেলি আমি জেইচেলমেৰৰ মৰুভূমি চাবলৈ গৈছিলো। এটা স্মৰণীয় দিন আছিল আমাৰ বাবে। শুকান ঠাইখন চাবলৈও মনবোৰ জীপাল হৈ আছিল। মৰুভূমিলৈ বুলি গাড়ীত গৈ থাকোতে ৰাস্তাৰ কাষৰ শূন্য শুকান ঠাইবোৰত উটৰ জাক দেখিছিলো। ক্ৰমাৎ ওখৰ পৰা চাপৰলৈকে কোনোবাই যেন সজাইহে দিছিল এনে লাগিল। শুকান ঠাইখনত উটবোৰক অকলশৰীয়া যেনহে অনুভৱ হ'ল। যদিও সেই ঠাইখনহে উটৰ বসতিৰ বাবে উপযোগী। জেইচেলমেৰ ঠাইখনত আমি কেম্পৰ ব্যৱস্থা কৰিছিলোঁ। কেম্পৰ তত্ত্বৱধায়ক সকলেই আমাক জীপেৰে মৰুভূমি চাবলৈ লৈ গৈছিল। সুন্দৰ পৰিৱেশ আছিল। জীপগাড়ীৰ দুৰন্ত গতিবেগত মুখেদি আপোনাআপুনি চিঞৰ ওলাই গৈছিল। মৰুভূমিৰ বালিৰ মাজত দুৰন্ত জীপখনত উঠি সঁচাকৈয়ে বহুত ভাল লাগিছিল। সৰু-বৰ বালিৰ পাহাৰত জীপখনত উঠোতে-নামোতে ভয় লাগিছিল নে আনন্দ লাগিছিল বুজি পোৱা নাছিলো। মৰুভূমিৰ বালিত জীপ চাফাৰি কৰি পোৱা আনন্দ পাহৰিব নোৱাৰা আছিল। অৱশেষত আমি মৰুভূমিখন পাইছিলোগৈ। যান্ত্ৰিকতাৰ পৰা আঁতৰত এখন নিজান ঠাই। উটৰ জীৱনৰ দৰেই সাধাৰণ যেন লাগিল মৰুভূমিত লগ পোৱা মানুহবোৰৰ জীৱনো। সদায় কল্পনা কৰাৰ দৰে মৰুভূমিখন ধূসৰ অসুন্দৰ নাছিল।



বেলি লহিওৱাৰ সময়ছোৱাত মৰুভূমিখনে যেন এক সুন্দৰ ৰূপ লৈছিল। বালিৰ মাজত অচিনাকী মানুহসকলৰ মাজত আমাৰ দলটো আনন্দত যেন হেৰাই গৈছিল। ঘৰমুখী সূৰ্য্যৰ প্ৰান্তত থকা উটৰ দলবোৰ মানুহ উঠিব পৰাকৈ সজাই থৈছিল। আমি সকলোৱে উটত উঠি মৰুভূমি ফুৰিছিলো। উটত উঠা প্ৰথম অভিজ্ঞতা হৈছিল। ভয়ো লাগিছিল। ইমান ওখ জন্তুটো হঠাতে বহাৰ পৰা উঠি দিওঁতে পৰি যোৱাৰ ভয়ত চিঞৰি উঠিছিলো। এইদৰেই বেলি লহিয়াই সন্ধ্যা লাগিবৰ সময়ত আমি আগতীয়াকৈ ঠিক কৰি থোৱা কেম্পলৈ উভতি আহিছিলো। কেম্পৰ সন্মুখতে ৰাজসিক মৰ্যদাৰে আমাক স্বাগতম জনোৱা হৈছিল। তেওঁলোকৰ আতিথ্যত আমি সঁচাকৈয়ে আপ্লুত হৈছিলো। সেইদিনা সন্ধ্যা আমি কেম্পটোতে আছিলো। থলুৱা খাদ্য খাবলৈ দিয়াৰ লগতে তেওঁলোকে ৰাজস্থানীয় নৃত্য প্ৰদৰ্শন কৰিছিল। ৰাজস্থানী গীত গাইছিল। অচিনাকী ঠাই অচিনাকী মানুহ হ'লেও আমি তেওঁলোকৰ লগতে নাচিছিলো গাইছিলো। পাৰ্থ চাৰে সকলোকে অসমীয়া গান এটা গাই শুনাইছিল। কেম্পৰ মহিলা এগৰাকীয়ে কালবেলীয়া নৃত্য প্ৰদৰ্শন কৰিছিল। পৰিণীতা আৰু কাকুৱে ৰাজস্থানী পোছাক পিন্ধিছিল। সেইদিনা ৰাতিৰ আহাৰ কেম্পতে কৰিছিলো। জেইচেলমেৰৰ থলুৱা খাদ্য। বিভিন্ন আঞ্জাৰে পৰিবেষ্টিত থালখন চায়ে ভাল লাগিছিল। অৱশেষত আমি হোটেল অভিমুখে ৰাওনা হৈছিলো। যিহেতু ৰাতি হৈছিল। ৰীমা মেমৰ ভূতৰ কাহিনী শুনাৰ চখে আমাক কঁপাই তুলিছিল। যেতিয়া গাড়ীৰ ড্ৰাইভাৰজনে নিজৰ জীৱনত ঘটা ভূতৰ কাহিনী কৈছিল তেতিয়া সন্মুখতে ভূত আহি ওলোৱাৰ দৰেই

লাগিছিল। এইদৰেই এচ.এচ. হাৱেলী নামৰ হোটেলখন পাইছিলোহি। জেইচেলমেৰত লগ পোৱা মানুহখিনি বিশেষকৈ অকণমানি ল'ৰাটোৱে সৰু জীৱনটোত ঘটা কাহিনী কাকুৰ আগত কৈছিল আৰু আহিবৰ সময়ত আহিবলৈ দিয়া নাছিল। জেইচেলমেৰ নামই ঠাইখন ফুৰি বহুত ভাল লাগিছিল। পিছদিনা পুৱা আমি জেইচেলমেৰৰ ফ'র্ট চাবলৈ গৈছিলো। বিশাল আয়তনৰ ফ'র্টটোৰ ভিতৰ চ'ৰাত ইতিহাসে যেন জিৰণি লৈ আছিল। পদ্মাৱতী জেইচেল ফৰ্টৰ ৰাজকুমাৰী আছিল বুলি গাইডজনে কৈছিল। লগতে এটা সময়ত ব্ৰাহ্মণ আৰু ৰাজপুতসকল এই ফৰ্টটোতে আছিল বুলি বৰ্ণনা কৰিছিল। জেইচেলমেৰ ফৰ্টৰ মুখ্য দুৱাৰ ৪ খন আছিল। এই দুৱাৰ কেইখনৰ নামবোৰৰ বিশেষত্ব আছিল। সূৰ্যৰ পোহৰ পোনপটীয়াকৈ পৰা মুখ্য দুৱাৰখনক সূৰ্য দুৱাৰ বুলি গাইডজনে বৰ্ণনা কৰিছিল। ফৰ্টটো শত্ৰুৱে আক্ৰমণ কৰিব নোৱাৰাকৈ সংৰক্ষিত আছিল। ফৰ্টটোৰ শীৰ্ষস্তানত এটি ছাতিয়ে সেই পুৰণি কালৰ ইতিহাস ধৰি আছিল। ছাতিটো এটা ৰাজসিক প্ৰতীক বুলি গাইডজনে বৰ্ণনা কৰিছিল।


এইদৰেই আমি ফৰ্টটোৰ ভিতৰত থকা বজাৰখনৰ পৰা বজাৰ কৰিছিলো। আহাৰ খাই পুনৰ হোটেললৈ উভতি আহিছিলো। সেইদিনা আবেলি আমি দিল্লী অভিমুখে বাছত উঠিছিলো। ৰাজস্থান ভ্ৰমণ শেষ হৈছিল। এক বুজাব নোৱাৰা আনন্দৰেই ৰাজস্থানৰ দিনকেইটা পাৰ হৈছিল। জেইচেলমেৰৰ পৰা দিল্লী পাওঁতে আবেলি হৈছিলহি। বাছত এটা ৰাতি এটা দিন কটাই আমনি লাগিছিল। দিল্লী পাই আকৌ ট্ৰেইন লেট থকাত গোটেই ৰাতি ষ্টেচনত থাকিব লগা হৈছিল। ৰাতিপুৱাৰ সময়ত গুৱাহাটী অভিমুখে ট্ৰেইনত উঠিছিলো। দিনটোৰ অন্তত ফৰকাটিং ষ্টেচনত আমাৰ যাত্ৰা শেষ হৈছিল।

৬ ডিচেম্বৰৰ পৰা ১৭ ডিচেম্বৰলৈ এই বাৰটা দিন দৈনিকতাৰ পৰা আঁতৰি স্ফূৰ্তিৰেই পাৰ হৈছিল। নানা ভাল লগা, বেয়া লগা অভিজ্ঞতাৰেই ৰাজস্থানত সেই দিনকেইটা কটাই ছিলো। পাৰ্থ চাৰৰ বন্ধুসুলভ আচৰণ আৰু দায়িত্বশীলতাই আমাক সঁচাকৈয়ে আপ্লুত কৰিছিল। ৰীমা মেমৰ সময়ৰ প্ৰতি থকা নিষ্ঠা, বন্ধুসুলভ আচৰণ আৰু দায়িত্বশীলতাই আমাৰ যাত্ৰাটো মধুৰ কৰি তুলিছিল। আমাৰ দলটো সঁচাকৈয়ে বহুত ভাল আছিল। ইজনে সিজনৰ প্ৰতি থকা আন্তৰিকতা আৰু বন্ধুত্বই যাত্ৰাটো ৰঙীণ কৰি তুলিছিল।

২০১৮ চনৰ ডিচেম্বৰ মাহৰ ডায়েৰীৰ পাতবোৰ যেন ৰঙীণ শব্দৰে, স্মৃতিৰে ভৰি উঠিছিল। ভাল লগাৰ সংজ্ঞা হয়তো নাথাকে আৰু কৈয়ো, বুজাইয়ো শেষ কৰিব নোৱাৰি! সেইবাবে হয়তো ভ্ৰমণ কাহিনীটো লিখোতে ইমান ভালদৰে ৰাজস্থানখনক জীৱন্ত কৰিব পৰা নাই।

তথাপিও অনিপুণ হাতেৰে উচ্ছৃংখল স্মৃতিবোৰ ভাল লগাৰে একগোট কৰাৰ প্ৰয়াস কৰিছোঁ।

০০০



# বিশ্ব পৰিৱেশ দিৱস

■ দিগন্ত ফুকন
স্নাতক প্ৰথম ষাণ্মাষিক (ভূগোল বিজ্ঞান শাখা)

সৌৰজগতৰ আঠটা গ্ৰহৰ ভিতৰত একমাত্ৰ পৃথিৱীয়েই হৈছে বিভিন্ন জীৱৰ বাসস্থান। এই জীৱবোৰৰ লগতে আমি মানৱজাতিয়েও বসবাস কৰোঁ। মানৱ সভ্যতাৰ উন্নতিৰ লগে লগে পৃথিৱীৰ পৰিৱেশৰো পৰিৱৰ্তন ঘটিছে। পৃথিৱীৰ পৰিৱেশ আৰু যাতে অধিক ধ্বংসমুখী হৈ ইয়াৰ জীৱকুলৰ বিপৰ্যয় নঘটায় সেই বিষয়ে সজাগতা সৃষ্টিৰ বাবে ৫ জুনৰ দিনটো প্ৰত্যেক বছৰে সমগ্ৰ বিশ্বতে 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰা হয়। ১৯৭২ চনৰ ৫ জুনৰ পৰা ১৬ জুনলৈকে হোৱা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভা আৰু ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ মানৱ-পৰিৱেশৰ আলোচনা চক্ৰত বিশ্বজুৰি পৰিৱেশ সুৰক্ষাৰ সজাগতা আনিবৰ বাবে 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰাৰ সিদ্ধান্ত লোৱা হয়। ১৯৭৩ চনৰ পৰা প্ৰতি বছৰে ৫ জুন দিনটো 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰি অহা হৈছে। ১৯৭৩ চনত পালন কৰা বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় আছিল 'একমাত্ৰ এখন পৃথিৱী'। ১৯৭৪ চনৰ পৰা 'বিশ্ব পৰিৱেশ দিৱস' কোনো এখন দেশৰ কোনো এখন নগৰত কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই দিৱস পালনৰ জৰিয়তে ৰাজনৈতিক তথা স্বাস্থ্যৰ লগত সম্পৰ্ক থকা সংস্থাসমূহৰ যোগেদি পৰিৱেশ সংৰক্ষণৰ আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ চেষ্টা কৰা হয় আৰু তাৰ দ্বাৰাই আমাৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰা হয়।

'বিশ্ব পৰিৱেশ দিৱস' পালনৰ জৰিয়তে পৃথিৱীৰ পৰিৱেশ সুৰক্ষাৰ লগত জড়িত বিভিন্ন বিষয়সমূহ যেনে— খাদ্যৰ অনিষ্ট সাধন তথা অপব্যয় ৰোধ কৰা, বনানী সংৰক্ষণ, গোলকীয় উত্তাপৰ বিৰুদ্ধে ব্যৱস্থা আদি বিষয়সমূহৰ ক্ষেত্ৰত যথাযথ ব্যৱস্থা লোৱাৰ সপক্ষে প্ৰচাৰ চলোৱা, কাম-কাজ কৰা, কৰ্মসূচী নিৰ্ণয় কৰা ইত্যাদি বিষয়সমূহ সাঙুৰি লোৱা হয়। পৰিৱেশ দিৱসৰ যোগেদি জনসাধাৰণক পৰিৱেশ বিনষ্ট কৰিব পৰা বস্তুৰ ব্যৱহাৰ হ্ৰাস কৰাৰ পৰা বন্ধ কৰালৈকে জনজাগৰণ সৃষ্টি কৰা হয়। খৰনীয়াৰ প্ৰৱণতা থকা অঞ্চলত জৈৱিক ডিজেলৰ উৎপাদন কৰিব পৰা গছ ৰোপণ,


জলবিদ্যুৎ ব্যৱহাৰৰ বৃদ্ধিকৰণ আদিৰ উপৰি সৌৰশক্তি ব্যৱহাৰ আদিৰ যোগেদিও প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ কৰিব পাৰি।

পৰিৱেশ সংৰক্ষণৰ উদ্দেশ্য আগত ৰাখি প্ৰতিবছৰে ৰাষ্ট্ৰসংঘই 'বিশ্ব পৰিৱেশ দিৱস' বিশেষ একোটা বিষয়ৰ ওপৰত পালন কৰি আহিছে। ১৯৭৬ চনত 'বিশ্ব পৰিৱেশ দিৱস'ৰ বিষয় আছিল 'পানী আমাৰ জীৱনৰ কাৰণে এক অপৰিহাৰ্য উৎস'। ১৯৮১ চনত 'ভূ-গৰ্ভৰ পানী আৰু আমাৰ খাদ্যত বিষাক্ত পদাৰ্থ'ৰ ওপৰত ভিত্তি কৰি 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰা হয়। সেইদৰেই, ১৯৮৬ চনত 'গছ শান্তিৰ বাবে', ১৯৮৯ চনত 'গোলকীয় উষ্ণতা বৃদ্ধি আৰু গোলকৰ বাবে সাৱধানবাণী', ২০০৪ চনত 'ক্ষুদ্ৰ দ্বীপসমূহৰ বিকাশ', ২০১৫ চনত 'এখন বিশ্বৰ বাবে এক পৰিৱেশ', ২০১৬ চনত বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় আছিল 'প্লাষ্টিক প্ৰদুষণ'।

বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ দিনটো হ'ল মানৱ জাতিক সজাগ কৰি তোলা এটা গুৰুত্বপূৰ্ণ দিন। এই দিনটোৱে মানৱ জাতিক সোঁৱৰাই দিয়ে ধৰণীখনক বচাই ৰখাটো যে এক মহান কৰ্ম। পৰিৱেশৰ প্ৰতি সজাগতা বৃদ্ধিৰ বাবে আজিকালি প্ৰায়বোৰ বিদ্যালয়, মহাবিদ্যালয়, স্বেচ্চাসেৱী অনুষ্ঠান, চৰকাৰী, বে-চৰকাৰী কাৰ্যালয়ত এই দিৱস পালন কৰা হয়। পৰিৱেশৰ প্ৰতি সজাগতা বৃদ্ধি কৰিবলৈ প্ৰতিবছৰে এই দিনটোত সকলো ঠাইতে গছপুলি ৰোপণ কৰা হয়।

পৰিৱেশ হৈছে আমাৰ চৌপাশে থকা শক্তিপূৰ্ণ আৰু জড়বস্তুৰ সমষ্টি। বৰ্তমানৰ পৰিৱেশত সকলো জীয়াই থকা কষ্টকৰ হৈ পৰিছে। ইয়াৰ কাৰণ হৈছে গছ-বন কাটি, নদী-হ্ৰদৰ পানী লেতেৰা কৰি কল-কাৰখানাৰ পৰা ধোঁৱা উলিয়াই এই পৰিৱেশৰ অপকাৰ সাধিছে। নগৰ অঞ্চলত সজোৱা ডাঙৰ ডাঙৰ অট্টালিকাবোৰৰ পৰা ওলোৱা লেতেৰা পানী আৱদ্ধ হৈ কৃত্ৰিম বানপানীৰ সৃষ্টি হয় আৰু সেই বানপানীয়ে পৰিৱেশ বিনষ্ট কৰে। দ্ৰুতগতিত বৃদ্ধি পোৱা যান-বাহনৰ পৰা ওলোৱা ধোঁৱাই পৰিৱেশ বিনষ্ট কৰে। তদুপৰি গছ-গছনি কটাৰ ফলত মুক্ত বায়ুৰ অভাৱ ঘটিছে। ফলত বেমাৰ-আজাৰ বৃদ্ধি পাইছে। দেৱালীত ফুটুৱা বিভিন্ন ধৰণৰ ফটকা, আতচবাজীয়ে পৰিৱেশ বিনষ্ট কৰে। আমি এই পৃথিৱীত ভাল ধৰণে জীয়াই থাকিবলৈ হ'লে আমাৰ চৌপাশ প্ৰদুষণমুক্ত কৰি ৰাখিব লাগিব। ইয়াৰ বাবে আমি সকলো সজাগ হ'ব লাগিব। জাবৰ-জোঁথৰ নিৰ্দিষ্ট ঠাইত পেলাব লাগিব। গছ-গছনি কটাৰ সলনি গছ ৰুব লাগিব। বিভিন্ন উৎসৰ পৰা ওলোৱা লেতেৰা পানী নিৰ্দিষ্ট ঠাইত পেলোৱাৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে অনাগত দিনসমূহত মানৱজাতি তথা অন্যান্য জীৱকুলে প্ৰকৃতিৰ সৈতে সহবাস কৰি জীয়াই থাকিব পাৰিব।

০০০



# মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জোৰাম থাংগাৰ লগত অন্তৰংগ আলাপ

■ প্ৰণৱ পাঠৰী
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ



*১৫ এপ্ৰিল, ২০১৫ চনৰ ৰাতিপুৱা ঠিক ৬-৩০ বজাত আইজল নগৰস্থিত মিলেনীয়াম হোটেলৰ পৰা মটৰ বাইকেৰে আৰ. এল. কলনীস্থিত জোৰাম থাংগা চাৰৰ ঘৰলৈ ৰাওনা হ'লো। বাসগৃহত প্ৰৱেশ কৰি দেখো থাংগা চাৰ মিজো মানুহ এজনৰ লগত কথা পতাত ব্যস্ত। কথা পতা শেষ কৰি থাংগা চাৰে আমাৰ ফালে মুখ ঘুৰোৱাত আমিও বহা ঠাইৰ পৰা থিয় হৈ সন্মান প্ৰদৰ্শন কৰি আত্ম-পৰিচয় দাঙি ধৰি নিজ অভিপ্ৰায়ৰ কথা অৱগত কৰি আগদিনাই যুগুতাই ৰখা প্ৰশ্নৰে চাৰৰ লগত আলাপ আৰম্ভ কৰিলোঁ।*

**প্ৰশ্ন ঃ** চাৰ, অসমৰ যশস্বী লিখক হোমেন বৰগোহাঞিঃ চাৰৰ ভাষাৰে আপুনি উত্তৰ-পূৱ ভাৰত তথা সাম্প্ৰতিক সময়ৰ ৬.াটাইতকৈ সফল ৰাজনৈতিক নেতা, আপোনাৰ মতামত কি?

**উত্তৰ ঃ** তেখেতে কোৱা কথাষাৰ একেবাৰে সত্য বুলি মই ক'ব নিবিচাৰো। সফলতাৰ লগতে মোৰ জীৱনত অনেক বিফলতাও আছে। At present I am most unusual person. অৱশ্যে মই সম্পূৰ্ণ বিফল ব্যক্তি বুলি ক'লেও ভুল কোৱা হ'ব। কাৰণ যিকোনো সমস্যাৰ লগত অসীম সাহস আৰু সততাৰে যুঁজিব পৰা ধৈৰ্য মোৰ এতিয়াও আছে। উদাহৰণ হিচাপে ১৯৬৭ চনত MNF ত অংশগ্ৰহণ কৰাৰ পৰাই মিজোৰামক একত্ৰিত কৰিবৰ বাবে আৰু বিভিন্ন সময়ত ভাৰত চৰকাৰৰ লগত হোৱা সফল আৰু বিফল আলোচনাৰ উপৰি ভাৰত চৰকাৰক বশ কৰিবৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ লগত অসীম সাহস আৰু ধৈৰ্যৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাখনো আলোচনা চক্ৰত অংশগ্ৰহণ কৰি সফল হৈছিলো। তদুপৰি মিজোৰামক সমগ্ৰ ভাৰতৰ এখন মডেল ৰাজ্য হিচাপে মই চাব বিচাৰো। সেয়েহে ৰাজ্যখনৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে ছাত্ৰ কালৰ পৰা আজি পৰ্যন্ত আপ্ৰাণ চেষ্টা কৰি বহু দিশত ৰাজ্যখনক উন্নতিৰ মুখ দেখুৱাবলৈ সক্ষম হৈছোঁ। সেই অনুসৰি ৰাজ্যখনে অৰ্থনৈতিক, ৰাজনৈতিক আৰু শিক্ষাৰ দিশত যথেষ্ট অগ্ৰগতিও লাভ কৰিছে। অৰ্থনৈতিক দিশত আত্মনিৰ্ভৰশীল আৰু অগ্ৰগতি

লাভ কৰিব পৰাকৈ প্ৰয়োজনীয় সম্পদ যেনে— ফল-মূল, বাঁহ-বেত, কাঠ ইত্যাদিৰ পৰা আৰম্ভ কৰি কয়লা, ইউৰেনিয়াম মিজোৰামৰ ভু-ভাগত যথেষ্ট পৰিমাণে আছে। অন্যহাতে (হামুনিয়াহ এটা কাঢ়ি) বিফলতাৰ কথা ক'বলৈ হ'লে ২০০৮ চনৰ বিধানসভাৰ নিৰ্বাচনত দুয়োটা সমষ্টিত শোচনীয় পৰাজয়েই অন্যতম উদাহৰণ।

**প্ৰশ্ন ঃ** আপুনি MNF (Mizo National Front) দৰে সশস্ত্ৰ বাহিনীত কি কাৰণত যোগ দিছিল ক'ব নেকি?

**উত্তৰ ঃ** মই MNF ত আত্মনিয়োগ কৰাৰ কিছুমান সুনিৰ্দিষ্ট কাৰণ আছে। প্ৰথমতে, অসমত আহোমসকলৰ ৬০০ বছৰীয়া ৰাজত্বকালত কিম্বা ইয়াৰ পূৰ্বতেও বা বৃটিছসকলৰ ঔপনিবেশিক কালতো মিজোৰাম স্বাধীন আছিল। এজন সচেতন স্বাধীন দেশ প্ৰেমিক হিচাপে মিজোৰামক তেনেদৰে সদায় চাব বিচাৰো। দ্বিতীয়তে, স্বৰাজোত্তৰ কালত ভাৰত চৰকাৰে ৰাজনৈতিক, অৰ্থনৈতিক, শিক্ষা-দীক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত মিজোৰামক কোনোধৰণৰ গুৰুত্ব দিয়া নাছিল। মিজোৰামবাসীৰ আবেদন-নিবেদনকো ভাৰত চৰকাৰে সদায়ে অৱজ্ঞা কৰি অহা পৰিলক্ষিত হৈছিল। এয়ে অন্যান্য ঠাইসমূহৰ তুলনাত মিজোৰাম বহু পিছ পৰি ৰৈছিল। এই সমস্যাৰাজিৰ সম্পৰ্কত ভাৰত চৰকাৰক গুৰুত্ব দিয়াবলৈ আৰু ইয়াৰ বুজ ল'বলৈ বাধ্য কৰাবৰ বাবে সশস্ত্ৰ পন্থাই উত্তম বুলি ভাবি মই MNF ত ১৯৬৬ চনত যোগ দিছিলো। তদুপৰি মিজোসকলৰ অনগ্ৰসৰতা দেখি মই অতিকৈ মৰ্মাহত হৈছিলো। সেয়েহে সশস্ত্ৰবাদীৰ আদৰ্শৰে অনগ্ৰসৰ লোকসকলক সেৱা কৰাৰ মোহে মোক তেনে পন্থা ল'বলৈ বাধ্য কৰিছিল।

**প্ৰশ্ন ঃ** MNF ৰ এজন সাধাৰণ কৰ্মীৰ পৰা দুৰ্ধৰ্ষ সশস্ত্ৰ বিদ্ৰোহী নেতালৈ, তাৰ পাছত আকৌ বিদ্ৰোহী পথ ত্যাগ কৰি সকলোকে অস্ত্ৰ সমৰ্পণ কৰাই ৰাজনৈতিক নেতালৈ, এই যাত্ৰাত আপুনি কিদৰে সহযোগীসকলক পতিয়ন নিয়াইছিল?

**উত্তৰ ঃ** যি সময়ত মই সশস্ত্ৰ বিদ্ৰোহীৰ নেতৃত্বত আছিলো মোৰ নেতৃত্ব সকলোৱেই মানি চলিছিল। অৱশ্যে মই যিকোনো কামত মনোনিৱেশ কৰিলে অতি অন্তঃকৰণেৰে কাম কৰো।

**প্ৰশ্ন ঃ** ভাৰতৰ অন্যান্য ৰাজ্যতকৈ মিজোৰামৰ শিক্ষিতৰ শতকৰা হাৰ অধিক এই ক্ষেত্ৰত আপোনাৰ কিবা অৰিহণা আছে নেকি?

**উত্তৰ ঃ** শিক্ষাৰ অবিহনে প্ৰগতিৰ হাৰ শূন্য। ছাত্ৰকালৰ পৰাই এই বিষয়টো ভালদৰে উপলব্ধি কৰিছিলো। সেয়ে ছাত্ৰ কালতেই বেচৰকাৰী মজলীয়া শিক্ষানুষ্ঠান খুলি নিজে শিক্ষাদান ব্যৱস্থা কৰিছিলো। লাল ডেঙ্গাৰ নেতৃত্বাধীন চৰকাৰখনত যেতিয়া বিত্ত আৰু শিক্ষা দপ্তৰত আছিলো তেতিয়া ভালকৈ জ্ঞাত হৈছিলো যে ৰাজ্যৰ সৰ্বোচ্চ ক্ষমতা প্ৰশাসন বিভাগৰ হাতত ন্যস্ত থাকে আৰু প্ৰশাসনিক বিষয়া হ'বৰ বাবে উচ্চ শিক্ষিত হ'ব লাগে। মইও ব্যক্তিগতভাৱে এজন I.A.S. (Indian Administrative Service) বা I.P.S. (Indian Police Service) বিষয়া হোৱাৰ ইচ্ছা কৰিছিলো। সেয়েহে ৰাজ্যখনত প্ৰশাসনিক বিষয়া সৃষ্টি কৰিবৰ বাবে শিক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। বৰ্তমান মিজোৰামৰ শিক্ষাৰ হাৰ ৯০% ৰ ওপৰত। অৱশ্যে 'চাকমা' আৰু 'ব্ৰু' সম্প্ৰদায়ৰ লোকসকলৰ অনগ্ৰসৰতাৰ বাবে ১০০% হ'ব পৰা নাই।

**প্ৰশ্ন ঃ** সশস্ত্ৰ বাহিনীৰ এজন জোৱানৰ পৰা কিদৰে ৰাজনীতি জগতলৈ আহিল অলপ ক'ব নেকি?

**উত্তৰ ঃ** নিশ্চয়। মই যেতিয়া মহাবিদ্যালয়ত অধ্যয়ন কৰি আছিলো MNF ৰ প্ৰতিষ্ঠাপক লাল ডেঙ্গাৰ সংস্পৰ্শলৈ অহাৰ সুবিধা মিলিছিল। সংগ্ৰামী লাল ডেঙ্গাই MNF ৰ দৰে সশস্ত্ৰ বাহিনী খোলাৰ মুখ্য কাৰণ হ'ল ভাৰতীয় সংবিধান প্ৰদত্ত ৰাজনৈতিক, অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত উন্নতিৰ বাবে পৰ্যাপ্ত সুবিধা মিজো লোকসকলে পোৱা নাছিল আৰু সেইবাবেই লাল ডেঙ্গাই ন্যায্যতাৰ নীতি এই সশস্ত্ৰ MNF দলটোৰ জন্ম দিছিল। উল্লেখনীয় যে ভাৰতীয় সংবিধানৰ ২৪৪(২) ৰ ষষ্ঠ অনুসূচী

অনুসৰি মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰৰ দৰে লুচাই পাহাৰৰ অধীনস্থ মিজো লোকসকলেও সাংবিধানিকভাৱে জনজাতীয় মৰ্যাদা লাভ কৰি সাংবিধানিকভাৱে স্বায়ত্ত শাসনৰ ক্ষমতা অৰ্জন কৰিছিল। যদিও প্ৰকৃতাৰ্থত সেইবোৰ নামমাত্ৰ আছিল। এফালে ভাৰত চৰকাৰৰ শোষণমূলক নীতি আনফালে লাল ডেঙ্গাৰ ন্যায়সংগত আন্দোলনৰ উক্‌মুকনি— দুয়োটাই মোক সশস্ত্ৰ বাহিনীত যোগ দিবলৈ উৎসাহিত কৰিছিল। প্ৰথম অৱস্থাত গোপনীয়তা ৰক্ষা কৰি MNF ৰ লগত চলিছিলো যদিও পাছলৈ মুক্তভাৱে আন্দোলন কৰিছিলো। নিজৰ কৰ্মদক্ষতা আৰু বুদ্ধিমত্তাৰ বলত কম সময়ৰ ভিতৰতে লাল ডেঙ্গাৰ বিশ্বাসভাজন হোৱাৰ লগতে বাহিনীটোৰ সচিব প্ৰধানৰ দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছিলো। বিভিন্ন সময়ত ভাৰত চৰকাৰ আৰু MNF ৰে হোৱা বহুকেইখন দ্বিপাক্ষিক আলোচনাত ভাগ লৈছিলো। ১৯৮৭ চনৰ লাল ডেঙ্গা নেতৃত্বাধীন অন্তৰ্বতী চৰকাৰখনৰ বিত্ত আৰু শিক্ষা বিভাগৰ দপ্তৰৰ দায়িত্বত থকাৰো সৌভাগ্য লাভ কৰিছিলো। আকৌ ১৯৯৮ চনত প্ৰথমবাৰলৈ মিজোৰামৰ বিধানসভাৰ পৰা নিৰ্বাচিত হৈ নৱগঠিত চৰকাৰখনৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰিছিলো। উল্লেখনীয় যে একেৰাহে ১০ বছৰ কাল মুখ্যমন্ত্ৰীৰ দায়িত্বত থাকি মিজোবাসীক সেৱা কৰাৰ সুবিধা পাওঁ। মোৰ জীৱনৰ এই দীঘলীয়া ৰাজনীতিৰ ইনিংচটোৰ বাবে প্ৰয়াত লাল ডেঙ্গা চাৰক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**প্ৰশ্ন ঃ** জনপ্ৰিয়তাৰ শীৰ্ষত থকাৰ পাছতো আপুনি পৰাজিত হ'ব লগা হ'ল। কোনবিলাক কাৰণত MNF বাহিনীৰ পৰাজয় হোৱা বুলি আপোনাৰ ধাৰণা হয়?

**উত্তৰ ঃ** উত্থান হ'লে পতন অনিবাৰ্য, ই চিৰন্তন। শাসনাধীন MNF ক ক্ষমতাচ্যুত কৰাৰ মূলতে কেন্দ্ৰীয় চৰকাৰৰ বলপ্ৰয়োগ নীতি। কেন্দ্ৰীয় চৰকাৰৰ অভিসন্ধিমূলক নীতিৰে ৰাজ্যখনত বিভিন্ন ধৰণৰ কৃত্ৰিম সমস্যা সৃষ্টি কৰি জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণত বিফল কৰি জনৰোষত পেলাই এক দশকীয় শাসন কালৰ অন্ত পেলোৱাৰ ষড়যন্ত্ৰমূলক ৰাজনীতিত নামিছিল। ইয়াৰ উপৰি ৰাজনীতিৰ লগত খ্ৰীষ্টিয়ান ধৰ্মক সাঙুৰি প্ৰচাৰ চলোৱাত ব্ৰতী হৈছিল যে ক্ষমতা দখলৰ বাবে MNF এ নিজা নীতি-আদৰ্শ পৰিহাৰ কৰি ৰাজ্য চৰকাৰৰ সকলো অৰ্থ অপব্যৱহাৰ কৰি সন্ত্ৰাসবাদী কাৰ্যকলাপত বিনিয়োগ কৰি উন্নয়ন স্থৱিৰ কৰাৰ লগতে ৰাজ্যখনত অনেক ধৰণৰ সংকট সৃষ্টি কৰিছে। কিছুমান নতুন আঁচনিৰ প্ৰলোভন যেনে- Khawzawl and Hnahthial নামৰ দুখন নতুন জিলা গঠন, কেন্দ্ৰীয় চৰকাৰ (United Progressive Allience Congress-I)ৰ পৰা অধিক আৰ্থিক অনুদান পাব বিচাৰিলে MNFৰ চৰকাৰক ক্ষমতাৰ পৰা অপসাৰিত কৰিবই লাগিব। এনেধৰণৰ ৰাজনৈতিক agenda ৰে MNF বিৰোধী বিভিন্ন দল-সংগঠনক ঐক্যবদ্ধ কৰি ৰাজ্যখনৰ ৰাজধানী আইজলত প্ৰতিবাদী কাৰ্যৰে চৰকাৰ ব্যৱস্থাক অচল কৰি তুলিছিল। তদুপৰি MNF এ ক্ষমতাত অধিষ্ঠিত হ'বৰ বাবে পুনৰ সশস্ত্ৰ কাৰ্যকলাপত যোগদান কৰাৰ কিছুমান ভুৱা ভিডিঅ' ক্লিপ বনাই মিজোবাসীৰ মাজত ভাইৰেল কৰি দলটোৰ জনপ্ৰিয়তা হ্ৰাস কৰাৰ লগতে ৰাজ্যখনলৈ অশান্তিৰ বাতাবৰণ কঢ়িয়াই অনাৰ উৰাবাতৰি প্ৰচাৰেৰে শান্তিপ্ৰিয় মিজোসকলক এখন শান্তিকামী আৰু উন্নতকামী চৰকাৰ গঠনৰ বাবে জনোৱা আহ্বানক বাধা প্ৰদান কৰা কাৰ্যই দলটোৰ পতন মাতি আনিছিল। জনসাধাৰণক আস্থা প্ৰদান কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক হেঁচা প্ৰয়োগ কৰি তদানীন্তন ভাৰতৰ প্ৰধান মন্ত্ৰী মনমোহন সিং আৰু ৰাহুল গান্ধীৰ দৰে কেন্দ্ৰীয় পৰ্যায়ৰ নেতাৰ সমাহাৰে বিশেষ অৰিহণা যোগাইছিল। অৱশ্যে আৱেগপ্ৰৱণ মিজোসকলৰ পৰিৱৰ্তনৰ প্ৰতি থকা দুৰ্বলতায়ো MNF ক ক্ষমতাৰ পৰা অপসাৰিত কৰাত উৎসাহ যোগাইছিল। এই গোটেই পৰিঘটনাটো নীৰিক্ষণ কৰি নিজকে *most unusual person* বুলি অভিহিত কৰোঁ।

**প্ৰশ্ন ঃ** ইতিমধ্যে মিজোৰামৰ মুখ্যমন্ত্ৰীৰ গাদীত এটা দশক পাৰ কৰিলে। পুনৰবাৰ আপুনি ইয়াৰ প্ৰত্যাশি নেকি?

যদি পুনৰ ক্ষমতালৈ আহে তেতিয়া আপোনাৰ লক্ষ্য কি হ'ব?

উত্তৰ ঃ পূৰ্বৰ মন্ত্ৰীত্বৰ সময়ত ভাৰতৰ অন্যান্য ৰাজ্যসমূহৰ দৰে মিজোৰামকো উত্তৰ-পূৰ্বাঞ্চলৰ এখন ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰি ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত সৰ্বাধিক শিক্ষিত হাৰৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিলোঁ। বৰ্তমান মিজোৰামৰ শিক্ষাৰ হাৰ ৯৭%-৯৮%। অৰ্থনীতিৰ ক্ষেত্ৰতো একেধৰণৰ উন্নতি কামনা কৰো যদিও ই আধৰুৱা হৈ আছে। পুনৰবাৰলৈ মিজোৰামৰ মুখ্যমন্ত্ৰী হোৱাৰ প্ৰবল ইচ্ছা মোৰ আছে। কিয়নো অৰ্থনীতিৰ উপৰি মিজোৰামত কৰিব লগা বহুতখিনি আছে। পুনৰবাৰ ক্ষমতালৈ আহিলে ৰাজ্যখনৰ জনমূৰি আয় শিক্ষাখণ্ডৰ দৰেই দেশখনৰ অন্যান্য ৰাজ্যৰ ওপৰলৈ নিব পাৰিম। অৱশ্যে ক্ষমতাৰ গাদীত নথকাকৈও এই চেষ্টা অটুট ৰাখিছো যদিও পূৰ্বৰ অভিজ্ঞতাই বুজাই দিছে যে চৰকাৰৰ সৎ ইচ্ছাৰ অবিহনে ই সম্ভৱ নহয়। মিজোৰামত মুঠ ২১ হাজাৰ বৰ্গ কিলোমিটাৰ মাটিক মুঠ জনসংখ্যাৰে হৰণ কৰিলে প্ৰতিটো পৰিয়ালে ত্ৰিশ হেক্টৰকৈ ভাগত পাব। সেই ত্ৰিশ হেক্টৰ ভূমিৰ মাত্ৰ দুই হেক্টৰ মাটিত যদি প্ৰতিটো পৰিয়ালে বাঁহ খেতি কৰে তেন্তে মিজোৰামে অনাগত ১০ বছৰতে ভাৰতৰ ভিতৰত সবাতোকৈ সবল অৰ্থনীতিৰ গৰাকী হ'ব পাৰিব। এবছৰৰ ভিতৰতে বাঁহ গছে মাতৃত্বৰ গৰাকী হৈ উৎপাদনক্ষম হ'ব পাৰে। উল্লেখনীয় যে ৫ বছৰ কাল প্ৰতিপালনৰ বাবে কষ্ট কৰাৰ পাছত বিশেষ যত্ন লোৱাৰ প্ৰয়োজন নাথাকে। বাঁহখেতিৰ উন্নত উৎপাদনৰ বাবে বাটিয়া, জাৰ্মানী ইত্যাদি দেশলৈ গৱেষণাৰ বাবে প্ৰশিক্ষাৰ্থীৰ দল বিভিন্ন সময়ত প্ৰেৰণ কৰি থকা হৈছে। এই কাৰ্যৰ পৰা মিজোৰাম যথেষ্ট লাভবানো হৈছে। ইয়াৰ উপৰি মিজোৰামৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিভিন্ন সম্পদ যেনে- কয়লা, ইউৰেনিয়াম, ফল-মূল আৰু শাক-পাচলিৰ প্ৰাচুৰ্যতা মন কৰিবলগীয়া। এই সম্পদবিলাকৰ সৎ ব্যৱহাৰে অৰ্থনৈতিক বিকাশত নিশ্চয়কৈ অৰিহণা যোগাব।

প্ৰশ্ন ঃ উত্তৰ-পূব ভাৰতৰ লোকসকলে ভাৰতৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত থাকিও অন্যান্য ৰাজ্যসমূহৰ তুলনাত নিৰাপত্তাজনিত দিশত আৰু অৰ্থনৈতিক উন্নয়নত যথোপযুক্ত মৰ্যাদা নোপোৱাৰ অপবাদত সুকীয়া ৰাষ্ট্ৰৰ দাবী তুলি আহিছে। সুকীয়া ৰাষ্ট্ৰৰ ধাৰণাটো সম্ভৱ হ'ব পাৰেনে?

উত্তৰ ঃ "In politics every things is possible." উদাহৰণ হিচাপে ক'ব পাৰি ১৯৪৭ চনৰ ১৪ আগষ্টত ভাৰতৰ সমান্তৰালকৈ স্বাধীনতা লাভ কৰা পাকিস্তানৰ এখন অংগ ৰাজ্য পূব-পাকিস্তানে ১৯৭১ চনত স্বাধীনতা লাভ কৰি বাংলাদেশ ৰাষ্ট্ৰ হ'ল। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰতি প্ৰদৰ্শন কৰি অহা মাহী আইৰ দৃষ্টি যুক্তিসংগত হোৱা নাই। তাৰ বাবে ৰাইজ সচেষ্ট হোৱাটো উচিত। মই কিন্তু উত্তৰ-পূবৰ বাবে এখন সুকীয়া ৰাষ্ট্ৰৰ ধাৰণাটো সমৰ্থন নকৰো।

প্ৰশ্ন ঃ বৰ্তমান সমগ্ৰ বিশ্বতে পৰ্যটন উদ্যোগে অৰ্থনৈতিক বিকাশত অভাৱনীয় গুৰুত্ব লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ঠাইৰ দৰে মিজোৰামতো পৰ্যটনে পূৰ্ণাঙ্গ ৰূপত বিকাশ লাভ কৰিব পৰা নাই, এই ক্ষেত্ৰত আপোনাৰ ব্যক্তিগত মতামত কি?

উত্তৰ ঃ পৰ্যটন উদ্যোগ বৰ্তমান বিশ্বৰ লাভজনক ব্যৱসায়িক উদ্যোগ। ইয়াৰ বাবে মোহ নথকা নহয়, কিয়নো মিজোৰাম জৈব বিচিত্ৰতা আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ। মিজোৰামৰ থলুৱা কৃষ্টি-সংস্কৃতি আৰু সাজ-পাৰে বিশ্বৰ যিকোনো পৰ্যটকক অতি সহজে সম্মোহিত কৰে। কিন্তু পৰ্যটনৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হ'ল ৰাজ্যখনৰ দুৰ্গম বাট-পথ। যাৰ বাবে পৰ্যটকৰ খৰচৰ পৰিমাণ বেছি হয় আৰু সাধাৰণ শ্ৰেণীৰ পৰ্যটকৰ বাবে ই সম্ভৱ হৈ উঠা নাই। ৰেল আৰু বাছ পৰিবহন সুচাৰুৰূপে পৰিচালিত কৰিব পাৰিলে ই সম্ভৱ হৈ উঠিব। ইয়াৰ বাবে চেষ্টা কৰি থকা হৈছে।

ঠিক সেই সময়তে ওখ, লাহী দেহৰ বগা ৰঙৰ এগৰাকী সুন্দৰী মহিলাই ট্ৰে এখনত দুকাপ চাহ আনি আমাৰ সন্মুখৰ চাহৰ টেবুলখনত থলেহি। চাৰে আমাক চাহ খাবৰ

বাবে অনুৰোধ কৰিলে। চাৰকো চাহ খাবৰ বাবে অনুৰোধ কৰিছিলো যদিও চাৰে চাহ খাবলৈ অসন্মত হ'ল। হয়তো ইতিমধ্যে চাৰৰ চাহ খোৱা হৈছিল। ঠাণ্ডাৰ প্ৰকোপ আছিল বাবে চাহ খোৱাৰ tendency এটা আগৰ পৰাই হৈ আছিল। চাহ খোৱাৰ সমানে সমানে চাৰে অন্যান্য কিছুমান খুহুতীয়া কথা ৰস সানি অতি সুন্দৰকৈ কৈছিল। যাৰ বাবে পৰিবেশটো ৰসেৰে ভৰি পৰিছিল। ভবা নাছিলো যে সেই ব্যক্তিজনে আনক হঁহুৱাবও জানে।

চাহ খোৱা শেষ কৰি চাৰৰ লগত দুখনমান ফটো তুলিলো। চাৰৰ প্ৰচেষ্টাত গত দিনবোৰত মিজোৰামে লাভ কৰা বহুমুখী বিকাশ যাতে স্তিমিত নহওক আৰু জোৰাম থাংগা চাৰৰ সপোনৰ ৰাজ্যখনে সোনকালেই সফলতা লাভ কৰাৰ আশাৰে অদৃশ্যজনৰ ওচৰত প্ৰাৰ্থনা কৰি চাৰৰ পৰা বিদায় মাগি আমি appartment ৰ পৰা ওলাই আহোঁ। প্ৰায় এঘন্টা সময় চাৰৰ সংস্পৰ্শত থকাৰ সুযোগ পাইছিলো। জোৰাম থাংগা চাৰৰ বাকপটুতা, চিন্তাশীল, স্পষ্টবাদী আৰু যুক্তিবাদী প্ৰতিটো কথাই মোক আপ্লুত কৰিছিল। চাৰৰ লগত হোৱা এই বাৰ্তালাপৰ পৰা মিজোৰামৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষাব্যৱস্থা, জনগাঁঠনি আৰু প্ৰাকৃতিক সম্পদৰাজিৰ বিষয়ে অতি কম সময়ৰ ভিতৰতে ইমান স্পষ্টকৈ আয়ত্ত কৰিব পাৰিছিলো যে সেয়া মোৰ বাবে সদায়ে পাথেয় হৈ ৰ'ব। মই লগ পোৱা এই সাত্বিক গুণৰ মানুহজন কেৱল মিজোৰামৰে নহয় ভাৰতবৰ্ষৰ ভিতৰতে এজন অনুসৰণীয় ব্যক্তি বুলি মই নিঃসন্দেহে স্বীকাৰ কৰিছোঁ। ০০০

# দুখৰ অধিকাৰ

(লেখক ঃ যশপাল)



■ অমিয়া বৰা
স্নাতক প্ৰথম ষাণ্মাষিক (বাণিজ্য শাখা)

বজাৰখনৰ ফুটপাথত এগৰাকী বয়সিয়াল মহিলাই তৰমুজ অলপ লৈ বিক্ৰীৰ বাবে গ্ৰাহকৰ অপেক্ষাত বৈ আছিল। তৰমুজখিনিৰ কিছুমান মহিলাগৰাকীৰ সমুখত পাৰি থোৱা দলিচাত আৰু কিছুমান তেওঁৰ চাৰিওফালে সিঁচৰতি হৈ আছিল। তেওঁ তৰমুজ বিক্ৰীৰ বাবে আহিছিল হয়, কিন্তু তেওঁ কাপোৰে মুখখন ঢাকি, মূৰটো আঁঠুৰ ওপৰত থৈ খুউব জোৰেৰে কান্দি আছিল। বজাৰত সকলোৱে কেৱল মহিলাগৰাকীৰ কথাই আলোচনা কৰি আছিল। সকলোৱে মহিলাগৰাকীক ঘৃণাৰ ভাৱেৰে চাইছিল আৰু তেওঁৰ ওপৰত সকলোৱে ঘৃণাসূচক মন্তব্য প্ৰকাশ কৰিছিল। এজন লোকে ঘিণ ভাবেৰে এফালে থুই পেলাই মহিলাগৰাকীৰ ওপৰত মন্তব্য কৰিলে, "কি যে দিনকাল হ'ল আৰু ! ডেকা ল'ৰাটো ঢুকোৱা এদিনেই হোৱা নাই আৰু এই বুঢ়ীজনীয়ে বজাৰত দোকান খুলি বহি আছে।" আন এজনে [illegible] "হয় দেই! এইবোৰ মানুহৰনো কি আৰু। এওঁলোকৰ কাৰণে [illegible] জীয়াৰ লগত সম্পৰ্ক নাই। নহ'লেও, এওঁলোকে বেলেগ ধৰ্মৰ মান-মৰ্যাদাৰ প্ৰতিটো ধ্যান দিব লাগে। ডেকা ল'ৰাটোৰ মৃত্যুত তেৰ দিনলৈকে মানুহৰ চুৱা থাকে। আৰু এওঁ আহি বজাৰৰ ফুটপাথত তৰমুজ বেচিবলৈ বহি আছে। শ শ মানুহ আহি গৈ আছে। কোনে জানে কাৰ ঘৰত কি হৈ আছে? এওঁৰ ঘৰত যে চুৱা লাগি আছে সেইটোও বা কিমানে জানে? কোনোবাই যদি এওঁৰ পৰা তৰমুজ কিনি খাই, তেতিয়া তেওঁৰ ধৰ্মৰ কি হ'ব? হে ভগৱান! কি যে হৈছে এইবোৰ।"

এইবোৰ কৰ্ম-কাণ্ড দেখি শুনি লেখকৰ মন ব্যথিত হ'ল। তেওঁৰ মনত এটা খুদুৱনি লাগিল যে আচলতে কথাটোনো কি? কিয় সকলোৱে মহিলাগৰাকীৰ প্ৰতি এনে মন্তব্য কৰিছে। তেওঁ সহানুভূতিৰে মহিলাগৰাকীক সেই বিষয়ে সুধিবলৈ লওঁতেই তেওঁক তেওঁৰ পোছাক যোৰে বাধা প্ৰদান কৰিলে। কাৰণ, তেওঁ পোছাকেৰে সৈতে উচ্চবৰ্গৰ আছিল আৰু মহিলাগৰাকী নিম্নবৰ্গৰ। পোছাকে সমাজত মানুহৰ অধিকাৰ আৰু স্থান নিশ্চিত কৰে আৰু পোছাকেই মানুহক বিভিন্ন শ্ৰেণীত ভাগ কৰে। সেইবাবেই হয়তো উচ্চবৰ্গৰ মানুহখিনিয়ে নিম্নবৰ্গৰ মানুহৰ অনুভূতিক বুজি নাপাইছিল।

লেখকে তেতিয়া মহিলাগৰাকীৰ আশে-পাশে থকা মানুহখিনিক সোধ-পোছ কৰি গম পালে যে, সেই মহিলাগৰাকীৰ এটা তেইছ বছৰীয়া ডেকা ল'ৰা আছিল। যাৰ নাম আছিল ভগৱানা। সি তাৰ ঘৈণীয়েক, মাক আৰু

ল'ৰা-ছোৱালীকেইটাৰ লগত একেখন ঘৰতে বাস কৰিছিল। সি চহৰৰ কাষতে লাগি থকা প্ৰায় ডেৰ বিঘা মান মাটিত ফল-মূল আৰু শাক-পাচলিৰ খেতি কৰিছিল আৰু সেইবোৰ বিক্ৰী কৰি নিজৰ পৰিয়াল পোহপাল দিছিল।

এদিন ৰাতিপুৱা দোকমোকালি সময়ত ভগৱানাই পথাৰত পকা তৰমুজ ছিঙি আছিল। তৰমুজ ছিঙি থকা সময়তেই ভগৱানাই সাপ এডাল গছকি পালে। সাপডালত ভৰি দিয়াৰ লগেলগেই সাপডালে ভগৱানাক খোট মাৰি দিলে আৰু খোট মৰাৰ লগে লগে ভগৱানা ঠাইতে ঢলি পৰিল। ঘৰৰ মানুহে ভগৱানা ভাল হ'বলৈ বুলি নাগ দেৱতাৰ ওচৰত পূজা-পাতল কৰিলে, বেজ-ওজা আদিৰ দ্বাৰা জৰা-ফুকাও কৰিলে, বিভিন্ন লোকক দান-দক্ষিণা দিলে, তথাপি ভগৱানা জীয়াই থকাৰ আশা কমি আহিল। সাপৰ খোটৰ বিষত তাৰ গোটেই শৰীৰ ক'লা হৈ পৰিল আৰু সি চিৰদিনৰ বাবে নিদ্ৰাদেৱীৰ কোলাত শুই পৰিল।

মাকে তাৰ অন্তিম সংস্কাৰৰ কথা চিন্তা কৰিব ধৰিলে। কাৰণ অন্তিম সংস্কাৰৰ বাবে সমাজৰ নিয়ম অনুসৰি শৱটোৰ বাবে নতুন কাপোৰ-কানি লাগে। মানুহে জীৱিত অৱস্থাত নতুন কাপোৰ পিন্ধক নিপিন্ধক কিন্তু মৃত্যুৰ সময়ত গাত দিবলৈ নতুন কাপোৰ লাগিবই। ইয়াৰ বাবে যদি মাকৰ হাতৰ খাৰু পৰ্যন্ত বিক্ৰী কৰিবলগীয়া হয় তেতিয়াও কোনো কথা নাই। কাৰণ, এই নিয়ম সমাজত পূৰ্বৰে পৰা চলি আহিছে। প্ৰতিখন সমাজে তেওঁলোকৰ পূৰ্বৰ নীতি-নিয়ম অনুসৰি এই কাৰ্যসমূহ সমাধা কৰি আহিছে। ইফালে ঘৰত ভগৱানা বচাৰ আশাত দান-দক্ষিণা দি পূৰ্বেই সকলো শেষ হ'ল। অন্তিম সময়লৈ একোৱেই বাকী নাথাকিল। তথাপি মাকে তাৰ অন্তিম ক্ৰিয়া সম্পন্ন কৰিলে।

ইফালে, ৰাতিপুৱা ঘৰত ল'ৰা-ছোৱালীকেইটাই ভোকত কান্দিবলৈ ধৰিলে। উপায় নাপাই আইতাকে সিহঁতক তৰমুজকে খাবলৈ দিলে। ইফালে বোৱাৰীয়েকৰো গাটো জ্বৰত জুইৰ দৰে গৰম হৈ আছে। দৰৱ আনি খুৱাবলৈও তেওঁৰ হাতত পইচা নাই। তেওঁক পইচা ধাৰে দিবলৈও আজি কোনো নাই। সেয়ে শেষত উপায়ান্তৰ হৈ তেওঁ বজাৰলৈ তৰমুজ বিক্ৰী কৰিবলৈ আহিল, কিন্তু মৃত পুত্ৰৰ কথা মনত পৰিলেই তেওঁ কান্দি উঠে। এনেবোৰ কাৰণতেই বিক্ৰীৰ বাবে ৰাখি থোৱা তৰমুজো কিনিবলৈ কোনো লোক আগবাঢ়ি অহা নাই আৰু সকলোৱে তেওঁৰ প্ৰতি মাথো ঘৃণাসূচক মন্তব্যহে প্ৰকাশ কৰিছে। কিন্তু তেওঁৰ অভাৱগ্ৰস্ত জীৱন আৰু দুখৰ কথা কোনেও বুজি নাই পোৱা।

তেওঁৰ দুখটো অনুভৱ কৰাৰ বাবে লেখকে যোৱা বছৰ তেওঁৰ ঘৰৰ ওচৰৰ এগৰাকী মহিলাৰ কথা ভাবিবলৈ ধৰিলে। সেই মানুহগৰাকীয়ে পুত্ৰৰ মৃত্যুৰ পাছত প্ৰায় আঠ মাহ মান বিছনাৰ পৰা উঠিব পৰা নাছিল। পোন্ধৰ মিনিটৰ মূৰে মূৰে তেওঁ পুত্ৰ শোকত মূৰ্ছা গৈছিল আৰু বাকী সময়ছোৱাত তেওঁ অহৰহ কান্দিয়েই আছিল। তেওঁৰ শিতানত অহৰ্নিশে দুজন ডাক্তৰ বহি তেওঁক চোৱাচিতা কৰিছিল। সেই সময়ত চহৰৰ সকলোৱে সেই মহিলাগৰাকীৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছিল আৰু সকলো তেওঁৰ দুখৰ সমভাগী হৈছিল।

তেতিয়া লেখকে নিজৰ মানসপটত এই ঘটনা দুটাৰ কথা ভাবি ইটো পৰিস্থিতিৰ লগত সিটো পৰিস্থিতি মিলাই মনতে এটা কথা ভাবিলে যে "শোক কৰিবলৈ বা দুখ প্ৰকাশ কৰিবলৈও এটা স্থান আৰু অধিকাৰ লাগে।"

০০০



**Himashree Saikia**
*Attended Thal Sainik Camp in Delhi 2018*



Achieving Captain Jintu Gogoi memorial Trophy in Parade competition organised by Golaghat Administration in Republic day, 2018




Youth Voters' Festival-2018






**Swapna Sonar**
*Attended Thal Sainik Camp in Delhi 2018*



Principal with NCC Cadets of Golaghat Commerce College.



Independence Day celebration in Golaghat Commerce College

*View of College gate.....*






# STUDENTS' UNION MEMBERS OF GOLAGHAT COMMERCE COLLEGE : 2017-18



**Suhung Mung Sukapha**
*President*



**Ujjal Saikia**
*Vice-president*



**Bedanta Bora**
*General Secretary*



**Kakumoni Kotoky**
*Editor, Magazine*



**Ujjal Paul**
*Asstt. General Secretary*



**Bikash Gogoi**
*Cultural Secretary*



**Damayanti Gohain**
*Music Secretary*



**Promila Nath**
*Social Service Secretary*



**Anamika Gogoi**
*Debate Secretary*



**Rimpi Saikia**
*Girls Common Room*



**Nayanmoni Bora**
*Boys Common Room*



**Jisu Kalita**
*General Sports Secretary*



**Debojit Khaklari**
*Cricket & Football Secretary*



**Rishu Gupta**
*Indoor & Minor Games Secretary*

# Best in different fields



**Bikash Saikia**
*Handsome Commerce, 2018*



**Madhurjya Dhekial Phukan**
*Best in Weight Lifting, 2018*




**Debashish Saha**
*Best Singer, 2018*



**Kantapriya Phukan**
*Miss Commerce, 2018*

**Gitashree Saikia**
*Best Player, 2018*





**Mukul Gupta**
*First Prize in Spot Photography, 2017*

# चन्द्रगुप्त : ध्रुवस्वामिनी नाटक के आधार पर

■ हेमाश्री सैकीया
बी.ए. तृतीय सामान्सिक

बहुमुखी प्रतिभासम्पन्न जयशंकर प्रसादजी हिन्दी के सर्वश्रेष्ठ नाटककार माने जाते है। उन्होंने भारत के अतीत गौरव को अपने नाटकों का विषय बनाया है तथा नाटकों की कथावस्तु प्रायः इतिहास से ग्रहण की है, इसिलिए वे ऐतिगासिक नाटककार कहे जाते हैं। प्रसादजी की प्रमुख नाट्य रचनाएं है– सज्जन, चन्द्रगुप्त, स्कन्दगुप्त, अजातशत्रु, ध्रुवस्वामिनी, विशाख, राजश्री, जनमेजय का नागयज्ञ आदि

'ध्रुवस्वामिनी' ऐतिहासिक नाटक के नायक हाने के साथ ही समस्या नाटक भी हैं। इसमें सम्राट समुद्रगुप्त के अयोग्य उत्तराधिकारी रामगुप्त और उनकी पत्नी ध्रुवस्वामिनी तथा रामगुप्त के अनुज चन्द्रगुप्त की वीरता की क्या है। इसमें नारी तथा विवाह की समस्या और उसका समाधान भी है। यह एक नायिका प्रधान नाटक है। इस नाटक का नाम भी नाटक के मुख्य पात्र के आधार पर दिया गया है। फिर भी 'ध्रुवस्वामिनी' में पुरुष पात्रों में चन्द्रगुप्त, इस नाटक का नायक है और इनके अलावा रामगुप्त, शिखर स्वामी, पुरोहित और शकराज, खिगिल, मिहिरदेव आदि पात्र हैं।

'ध्रुवस्वामिनी' नाटक में नायक के रुप में अनेक लोग रामगुप्त को लेते है। परन्तु नाटक का अगर कोई नायक है तो वह चन्द्रगुप्त ही है। चन्द्रगुप्त को नायक मानने के कारण संक्षेप में ये हैं–

1. वह इस नाटक की कथा को गति देने का काम करता है।
2. नाटक के दर्शकों की रुचि चन्द्रगुप्त में सबसे ज्यादा रहती है। वह जीतता है तो दर्शक खुश होते हैं, वह कैद होता है तो सभी बैचेन बनते हैं।
3. वह नाटक की नायिका का प्रेमी है और बाद में उसका पति भी बनता है।
4. नाटक के मुख्य कार्यो के फल उसीको मिलते हैं। वह गुप्तकुल का सिंहासन पाता है। तथा वह अपनी प्रेमिका ध्रुवस्वामिनी को पत्नी के रुप में पाता है। इस तरह नाटक का नायक चन्द्रगुप्त ही है।

चन्द्रगुप्त इतिहास प्रसिद्ध गुप्त सम्राट समुद्रगुप्त का

पुत्र है। वह इस नाटक के एक पात्र रामगुप्त का छोटा भाई है। समुद्रगुप्त की मृत्यु के बाद राज्य उसीको सौंपा जाना चाहिए था। खुद समुद्रगुप्त का चन्द्रगुप्त पर बड़ा विश्वास था। परन्तु रामगुप्त राजा बनना चाहता था। राज्य में राज कलह न हो इसलिए उसने बड़े भाई रामगुप्त को राजा बनने दिया। खुद इतना बड़ा त्याग किया। चन्द्रगुप्त के चरित्र का विकास निम्न रुप में हुआ है–

**(क) कुल का रक्षक :** चन्द्रगुप्त गुप्तवंश के प्रति विशेष प्रेम रखता है। उसे गुप्त वंश की लाज और मर्यादा अत्यन्त प्रिय है। गुप्तवंश की मर्यादा या लाज जब भी खतरे में आती दिखाई दी चन्द्रगुप्त अपने प्राण देने के लिए तत्पर रहता। भाई रामगुप्त को राज का लालची देखकर अपने अधिकार की बात तक न की। साधारण मनुष्य जिस वैभव और विलास के लिए बड़े से बड़ा झगड़ा मोल लेता है। चन्द्रगुप्त उससे दूर रहता है। समुद्रगुप्त उसे गुप्तकुल का राज्य दे गया मगर उसने उस सिंहासन पर बड़े भाई को बैठने दिया। उसने यह त्याग केवल गुप्तकुल में कलह न हो और राज्य तथा कुल की लाज न जाये इसलिए किया था।

कुल के सम्मान की रक्षा के लिए वह हमेशा आतुर रहता है। रामगुप्त ने शकराज के साथ ध्रुवस्वामिनी का सौदा किया। यहाँ गुप्तकुल के सम्मान का सवाल था। इस बात को सुनते ही चन्द्रगुप्त बोल उठा –

"यह नहीं हो सकता। महादेवी जिस मर्यादा के लिए, जिस महत्व को स्थिर रखने के लिए मैंने राजदंड ग्रहण न करके अपना मिला हुआ अधिकार छोड़ दिया उसका यह अपमान! मेरे जीवित रहते आर्य समुद्रगुप्त के स्वर्गीय गर्व को इस प्रकार पददलित न होना बड़ेगा।"[1]

कुल की रक्षा के लिए ही वह ध्रुवस्वामिनी का यानी स्त्री का रुप धारण करने के लिए तैयार हो गया। इसलिए उसने शकराज का सामना किया। अपने प्राण कतरे में डाले और शकराज का वध किया। इस प्रकार चन्द्रगुप्त गुल का एक मात्र रक्षक है।

**(ख) वीर और साहसी :** चन्द्रगुप्त उच्च कोटि का वीर और साहसी है। उसकी वीरता और साहस को स्पष्ट करनेवाले प्रसंग इस प्रकार हैं –

1. ध्रुवस्वामिनी को शकराज के पास जाने से बचाने का प्रयत्न।
2. शकराज के वध का प्रसंग।
3. लोहे की बेड़ियां तोड़ने का प्रसंग।
4. रामगुप्त का विरोध करने का प्रसंग।

शकराज ने संधि का जो प्रस्ताव भेजा उसमें ध्रुवस्वामिनी की माँग की। रामगुप्त उसकी शर्त मानने के लिए तैयार हो गया। यह बात सुनकर चन्द्रगुप्त क्रोध से ऊबल उठा। वह इसमें गुप्तकाल का अपमान देखता है। इसी से वह ध्रुवस्वामिनी को शकराज के पास जाने से बचाने के प्रयत्न करता है। वह उसके बदले खुद वहां जाने के लिए तैयार हो जाता है।

रामगुप्त ने अपनी बात न मानी। रामगुप्त ने ध्रुवस्वामिनी और चन्द्रगुप्त दोनों को शकराज के पास भेजा। शकराज को उसी के किले में चन्द्रगुप्त मिला। वह उससे डरता नहीं है। वह एक वीर की तरह उसे ललकार कर कहता है, "मैं हूँ चन्द्रगुप्त, तुम्हारा काल, मैं अकेला आया हूँ तुम्हारी वीरता की परीक्षा लेने, सावधान।"[2] इन वचनों में उसका साहस भी दिखाई देता है। वह वीरतापूर्वक शकराज का वध कर पाता है।

चन्द्रगुप्त धैर्यवान है। रामगुप्त उसके हाथ में बेड़ियाँ डलवाता है। वह चुपचाप बेड़ियों के बंधन को सह लेता है। परन्तु जैसे ही रामगुप्त मद से भरकर ध्रुवस्वामिनी को कैद करवाने की कोशिश करता है। वह लोहे की बेड़ियाँ तोड़ देता है। एक वीर मनुष्य ही ऐसा काम कर सकता है।

नाटक के अन्त में वह रामगुप्त का विरोध करता है। वह वीरतापूर्वक रामगुप्त की क्षमा अस्वीकार करता है कि– "आज तुम राजा नहीं हो। तुम्हारे पाप प्रायश्चित की पुकार कर रहे हैं।"

**(ग) सच्चा प्रेमी :** चन्द्रगुप्त एक सच्चा प्रेमी है। उसे पहले से ही ध्रुवस्वामिनी के प्रति प्रेम है। उसका प्रेम इस नाटक में

दो रूपों से प्रकट होता है –

१. चन्द्रगुप्त के संवादों के द्वारा और

२. चन्द्रगुप्त के कार्यो द्वारा।

चन्द्रगुप्त अनेक बार अकेले में ध्रुवस्वामिनी के प्रति अपने प्रेम की बात प्रकट करता है। वह प्रेम के ज्वालामुखी को अपने हृदय में ही समाकर रखता है। कभी मुँह से किसी के आगे उस प्रेम को व्यक्त नहीं करता। परन्तु हृदय में जब तुफान चलता है और वह असह्य हो उठता है तो वह उसे प्रकट करता है। एक ऐसी ही घड़ी में वह बोल उठता है, "विधान की स्याही का एक बिन्दु गिरकर भाग्यलिपि पर कालिमा चढ़ा देता है। मैं आज यह स्वीकार करने में संकुचित हो रहा हूँ कि ध्रुवदेवी मेरी है... मेरी है। उसे मैंने आरंभ से ही अपनी सम्पूर्ण शक्ति से प्यार किया था। मेरे हृदय के गहन अन्तस्तल से निकली हुई वह मूक्त स्वीकृति आज बोल रही है।"[3]

चन्द्रगुप्त के सभी वीरतापूर्ण कामों के भूल में उसका प्रेम है। वह स्त्री का वेश धारण करता है तो ध्रुवस्वामिनी के लिए। वह अपने हाथों से बेड़ी तोड़ देता है तो ध्रुवस्वामिनी के लिए। इस तरह उसके सभी वीर कार्यो में प्रेम ने उसे प्रेरणा दी है।

(घ) **श्रेष्ठ पुरुष :** चन्द्रगुप्त एक श्रेष्ठ पुरुष है। उसकी श्रेष्ठता देखकर ही उसके पिता समुद्रगुप्त ने उसे अपने उत्तराधिकारी बनाया था। वह त्यागी, धैर्यवान, वीर साहसी और उत्तम चरित्रवाला है। उसमें पौरुष, बल तथा साहस है। तो दुसरी ओर धीरज और त्याग भी है। इन कारणों से सभी सामन्त तथा दुसरे लोग उसका आदर करते हैं।

इस प्रकार चन्द्रगुप्त के अनेक सुन्दर गुणों का इस नाटक में समावेश हुआ हैं। वही इस नाटक का नायक और वही हमारा सबसे प्रिय पुरुष पात्र भी है।

000

1. प्रसाद वाङमय (खण्ड-2) ध्रुवस्वामिनी, पृ. 697
2. प्रसाद वाङमय (खण्ड-2) ध्रुवस्वामिनी, पृ. 711
3. प्रसाद वाङमय (खण्ड-2) ध्रुवस्वामिनी, पृ. 715

# এক প্ৰয়াস

■ শিল্পী গগৈ
স্নাতক তৃতীয় যাণ্মাষিক



*আমি অসমীয়া নহওঁ দুখীয়া*
*বুলি সান্ত্বনা লভিলে নহ'ব*
*আজিৰ অসমীয়াই নিজক নিচিনিলে*
*অসম ৰসাতলে যাব।*

কৰ্মব্যস্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্চিতা তামুলীৰ মোবাইলত এই ৰিংটনটো বাজি উঠিল। ততাতৈয়াকৈ আধাখোৱা চাহকাপ থৈ ফোনটো ৰিচিভ কৰিলে। থানাৰ কুকমেন ৰামুকাইৰ ফোন। সিফালৰ পৰা ভাঁহি অহা মাতত যেন শুনিবলৈ পোৱা গৈছে ৰামুকাই বৰ বিপদত পৰিছে। ৰামুকাই ততালিকে সঞ্চিতাক তেওঁৰ ঘৰৰ কাষলৈ মাতিলে। সঞ্চিতাইও ততালিকে লগত দুজন কনিষ্টবল লৈ ৰামুকাইৰ ঘৰৰ দিশে গমন কৰিলে। ৰামুকাইৰ ঘৰ এক অতি পিছপৰা অঞ্চলত। যেন এই শতিকাটো সেই অঞ্চল ইতিহাসৰ কোনোবা পৃষ্ঠাতেই বন্দী হৈ আছে। প্ৰায় দুই কিঃমিঃ দুৰ্গম ৰাস্তা-ঘাট অতিক্ৰম কৰি সঞ্চিতা তামুলীয়ে ৰামুকাইক লগ কৰিলেগৈ। ৰামুকাইয়ে সকলো কথা বিৱৰি ক'লে — তেওঁৰ কাষৰ মানুহঘৰৰ মহিলাগৰাকী মানসিকভাৱে আজি অলপদিনৰ পৰা সুস্থ নহয়। গাঁৱৰ মানুহবিলাকে তেওঁক ডাইনী সজাই হত্যা কৰিবলৈ নিছে। ৰামুকাইয়ে হাজাৰবাৰ কাকুতি-মিনতি কৰিও গাঁৱৰ মানুহক বুজাব নোৱাৰিলে। কোনোবাই ক'লে — এই ডাইনী, এই আমাৰ কলংক, এই জীয়াই থাকিলে আমাৰ গাঁৱৰ অমংগল হ'ব। আকৌ কোনোবাই ক'লে — কালি মোৰ ল'ৰাটো মৰিল, এইৰ কাৰণেই মৰিল। সঞ্চিতাই ৰামুকাইক লগত লৈ গাঁৱৰ ৰাইজ যোৱা বাটেৰে গমন কৰিলে। অৱশেষত, তেওঁলোক সেই ঠাইত উপস্থিত হ'লগৈ য'ত মহিলাগৰাকীক হত্যা কৰিবলৈ লোৱা হৈছিল। সঞ্চিতাই সকলোকে এই হত্যাকাণ্ডৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিলে। কিন্তু, গাঁৱৰ ৰাইজে সঞ্চিতাকহে সেই স্থানৰ পৰা আঁতৰি যাবলৈ হুংকাৰ দিলে। সঞ্চিতাই নিজৰ ৰিভলভাৰ হাতত ল'বলৈ উদ্যত হ'ল। সকলোকে হুচিয়াৰ কৰি দিলে যদি কোনোবাই এক কদম আগবাঢ়ে, তেন্তে গুলী চলাবলৈ বাধ্য হ'ব। গাঁৱৰ মানুহেও সঞ্চিতাৰ এই ক্ৰোধান্বিত ৰূপ দেখি ভয়বিহ্বল হৈ পৰিল। সঞ্চিতাই কনিষ্টবল দুজনক মূল অপৰাধীকেইজনক গ্ৰেপ্তাৰ কৰিবৰ বাবে নিৰ্দেশ দিলে আৰু মহিলাগৰাকীক চিকিৎসালয়লৈ লৈ গ'ল।

"সঞ্চিতা, ভাতৰ যোগাৰ হ'ল, আহা।" ৰামুকাইৰ মাতত বহু সময় ধৰি নিস্তব্ধতাক আকোঁৱালি বহি থকা সঞ্চিতাৰ সম্বিত ঘূৰি আহিল। ভাত-পানী খাই উঠি দুয়ো জোনাকভৰা আকাশৰ তলত অলপ সময় বহিল।

কনিষ্টবলকেইজন টি.ভি. চোৱাত ব্যস্ত। কিন্তু, সঞ্চিতাই যেন এই মুকলি আকাশৰ তলতেই জীৱনৰ মাদকতা লাভ কৰিছে। দিনটোত হৈ যোৱা ঘটনাটোৱে সঞ্চিতাৰ দেহ-মন সকলো আজি উত্তেজিত কৰি ৰাখিছে। সঞ্চিতাই ৰামুকাইক অশেষ ধন্যবাদ জনালে। হয়তো, ৰামুকাইৰ দৰে এজন সুস্থ মানসিকতাসম্পন্ন ব্যক্তি নথকা হ'লে এগৰাকী নাৰীয়ে এখন সমাজৰ সন্মুখতে মৃত্যুক আকোৱালি ল'লেহেঁতেন। সঞ্চিতাৰ আজি বুকুত পুঞ্জীভূত হৈ থকা সকলো কথাই চিঞৰি চিঞৰি ক'বলৈ মন গৈছে। তাই এফালৰ পৰা সকলো কথা ৰামুকাইক ক'বলৈ ধৰিলে — ৰামুকাই, আজি বিংশ শতিকাতো আমি এনে এখন সমাজত বাস কৰি আছো, তাতকৈ হয়তো লজ্জাজনক কথা একোৱেই নাই। যিখন সমাজে নাৰীক সন্মান কৰিব নাজানে, যিখন সমাজে আপোন ভাই-ভনীক চিনি নাপায়, যিখন সমাজে ভুল-শুদ্ধ বিচাৰ কৰিব নাজানে, সেইখন সমাজত আমি একো একোটা অপদাৰ্থ। ৰামুকাই, তুমি আজি অসামাজিকতাৰ বিৰুদ্ধে মাত মাতি যি সাহস দেখুৱালা সেই সাহস যদি সমাজৰ প্ৰতিজন ব্যক্তিয়ে দেখুৱালেহেঁতেন মোৰ দেউতা হয়তো আজি জীয়াই থাকিলহেঁতেন। সঞ্চিতাৰ দুগালে দুধাৰি চকুলো বৈ আহিল। যেন অতদিনৰ পৰা বুকুৰ মাজত থকা ক্ষোভবোৰ চকুলো হৈ আজি বৈ আহিছে। ৰামুকাইয়ে আচৰিত হৈ সঞ্চিতাক তাইৰ দেউতাকৰ লগত হোৱা দুৰ্ঘটনাৰ কথা সুধিলে। তাই আৱেগ সামৰি ৰামুকাইৰ প্ৰশ্নৰ উত্তৰ আৰম্ভ কৰিলে — মোৰ দেউতা প্ৰতাপ তামুলী এজন কৃষক আছিল। ঘৰতে উৎপাদিত হোৱা শাক-পাচলি, ঘৰৰ হাঁহ-কুকুৰা আদি বজাৰত বিক্ৰী কৰি ঘৰখন চলাই থকা এজন মুৰব্বী। দেউতা প্ৰতি দেওবাৰে, বৃহস্পতিবাৰে বজাৰলৈ গৈছিল। মোৰ তেতিয়া বয়স ১২ বছৰ। এদিন সন্ধিয়া খবৰ আহিল দেউতা আৰু এই সংসাৰত নাই। মা আৰু মোৰ মূৰত যেন আকাশখনহে খহি পৰিল। সন্ধিয়া আমাৰ ঘৰলৈ আৰক্ষী আহিল। তেওঁলোকে জনালে যে কেইজনমান মাতাল যুৱকে বস্তু কিনাক লৈ দেউতাৰ লগত তৰ্কাতৰ্কি লাগি অৱশেষত দেউতাক নৃশংসভাৱে হত্যা কৰিলে। ৰামুকাই, সেইখন বজাৰত থকা মানুহবোৰ পুতলা আছিল নেকি? দেউতাৰ চিঞৰত সিহঁতৰ হৃদয়ে এবাৰো নাকান্দিলে, কোনেও সহায়ৰ হাত আগ নবঢ়ালে। আৰক্ষীয়ে অপৰাধী বুলি পাঁচজনমানক গ্ৰেপ্তাৰ কৰিলে। কিন্তু, সিহঁতিও পিছত আইনৰ সুৰুঙাৰে সাৰি গ'ল। আমি মুকবধিৰ দৰ্শক হৈ সকলোৰে উদ্দাম অভিনয় চাই ৰ'লো। দেউতা ঢুকোৱাৰ পিছত মায়ে বহু কষ্ট কৰি মোক পঢ়ুৱালে। দুচকুত সিঁচি দিলে অমানুহক মানুহ কৰোৱাৰ বীজ। আজি সমাজত হৈ থকা অনৈতিকতাক সবংশে নাশ কৰাৰ আদিপাঠ মই মাৰ পৰাই শিকিলো। ৰামুকাই, সমাজখনত পৰিৱৰ্তন বিচাৰিলে প্ৰথমে আমাৰ দুৰ্বল মনোভাৱৰ পৰিৱৰ্তন কৰিব লাগিব। আজি সমাজৰ ঠায়ে ঠায়ে যি দুষ্কাৰ্য ঘটি আছে এইয়া হঠাতে উদ্ভৱ হোৱা নাই। শতিকা শতিকা ধৰি এনে ঘটনা হৈ আহিছে আৰু হৈয়েই থাকিব। কিন্তু, ভৱিষ্যৎ এতিয়াও আমাৰ হাততেই আছে। আমাৰ মানসিকতা আমি সলনি কৰিব লাগিব। ডাইনী সজাই নাৰীক হত্যা কৰা দুষ্টহঁতৰ মানসিকতা সলনি কৰিব লাগিব। নাৰীৰ প্ৰতি থকা দুৰ্বল মানসিকতা আঁতৰাব লাগিব। কেৱল আইনৰ ওপৰতে সকলো জাপি দি আমি হাত সাৱটি বহি থাকিলে আমি সকলো হেৰুৱাম। ৰামুকাই, মই এটা কথা ভাবিছো, এই অঞ্চলৰ মানুহবিলাকৰ সুস্থ মানসিকতাৰ বৰ অভাৱ। যাৰ ফলত বছৰ বছৰ ধৰি এওঁলোক এনে দুষ্কাৰ্যত লিপ্ত হৈ আহিছে আৰু চামে চামে এনে ঘটনাৰ পুনৰাবৃত্তি হৈয়ে থাকিব। সেয়ে, মই এওঁলোকৰ মাজত সজাগতা সৃষ্টি কৰিব বিচাৰিছোঁ। নৱপ্ৰজন্মক সঠিক পথ দেখুৱাব বিচাৰিছোঁ। যিহেতু, এওঁলোকেই হৈছে এই অঞ্চলৰ ভৱিষ্যৎ। ৰামুকাই, মই এওঁলোকৰ কাষলৈ যাম, বন্ধুত্ব স্থাপন কৰিম। তেওঁলোকক শিক্ষা, সংস্কৃতি সকলো দিশৰ পৰাই আগবঢ়াই নি প্ৰতিযোগিতামুখী মানসিকতাৰ সৃষ্টি কৰিম। এদিন চাবা, তেওঁলোক ভাল হ'ব, সৎ নাগৰিক হ'ব, সুস্থ মানসিকতাৰ অধিকাৰী হ'ব, নাৰীক সন্মান কৰিব, সমমৰ্যাদা দিব। মই কাইলৈৰ পৰাই এই শুভকাৰ্যৰ আৰম্ভণি কৰিম। ৰামুকাই, তুমি মোক সহায় কৰিবানে এই কাৰ্যত? ৰামুকাইৰ চকুৰে চকুলো নিগৰি আহিল। নিশ্চয় কৰিম সঞ্চিতা। তুমি মোৰ বহুদিনীয়া এটি সপোন সাৰ্থক কৰিবলৈ ওলাইছা। সঞ্চিতাই আৱেগভৰা কণ্ঠেৰে ক'লে বহুত ধন্যবাদ ৰামুকাই। তোমাৰ দৰে এজন ব্যক্তিক লগ পাই মোৰ দেউতাৰ অভাৱ পূৰ্ণ হ'ল। হ'ব, এতিয়া শুই থাকাঁকৈ যোৱা। কাইলৈ সূৰুযৰ উদয়ৰ লগে লগে আৰম্ভ হ'ব আমাৰ ঈপ্সিত প্ৰয়াস। ০০০

# ANCIENT INDIAN SCIENTISTS ACHARYA PATANJALI

*Author of the famous "Patanjali Yoga Sutras"*
*He was born before 147 B.C.*

■ **Subhir Paul**
H. S. 1st year

Acharya Patanjali hailed from the district of Gonda in Uttar Pradesh and he is the profounder of yoga based on "Upanishads" and "Atharvaveda". He brought out elaborately the fundamentals and techniques of yoga which has drawn world wide attention through his glorious and famous "Patanjali Yoga Sutras".

These yoga sutras are the first document of its kind which enables a human being to bring control over the body and the mind. He prescribed the control of prana (life breath) as the means to control the body, mind and soul. Such yogic practice rewards a human being with good health and inner happiness. Acharya Patanjali's 84 yogic postures effectively enhance the efficiency of the respiratory, circulatory, nervous, digestive and endocrine systems and many other organs of the body.

According to Patanjali, there are channels called nadi and centres called "Chakra" in the human body. If these are tapped, the hidden energy in the body called – Kundalini can be released, enabling the body to acquire "Supernatural" powers. Patanjali describes eight stages of growth in Spiritual progress. Yama (universal moral commandments), Niyama (self purification through discipline), Asana (posture), Paranayama (Sense-control),

Pratyahara (withdrawal of mind from external objects), Dharana (concentration), Dhyana (meditation) and Samadhi (state of superconsciousness); which is the last difficult stage that enables one to attain "Godhood".

Patanjali gives a beautiful analogy to explain how God is attained through yoga. Our mind, he says, is like the surface of a pond. Just as we cannot see the jewel lying at the bottom of the pond because of the breeze and ripples we are unable to discover the truth since our mind is in constant agitation. If the mind is kept calm, with the door to the external world closed, one can see God within.

Acharya Patanjali will forever be remembered and revered as a pioneer in the yoga science of self-discipline, peace of mind, happiness and self-realization.

The simplest meaning of the word Sutra is "thread" of an exposition, the absolute minimum that is necessary to hold it together. Only essential words are used. Often, there is no complete sentence structure. There was a good reason for this method. Sutras were composed at a period when there were no books. The entire work had to be memorized and so it had to be expressed as tersely as possible. Patanjali's Sutras, like all others, were intended to be expanded and explained. The ancient teachers world repeat a sutra by heart and then proceed to amplify it with their own comments, for the benefit of their pupils. In some instances these, also, were memorized, transcribed at a later date and thus preserved for us.

**Yoga is the control of 'Thought Waves' in the mind.**

According to Patanjali, the mind (chitta) is made up of three components, manas, buddhi and ahamkara. Manas are the recording faculty which receives impressions got heard by the senses from the outside world. Buddhi is the discriminative faculty which classifies these impressions and reacts upon them. Ahamkara is the ego sense which claims these impressions for its own and stores them up as individual knowledge. +++



# REPORT FROM PRESIDENT

First of all I would like to convey my grattitude to all the students of Golaghat Commerce College for giving me the opportunity and love and support of doing work as a President of the students' union of Golaghat Commerce College for the session 2017-18.

I would like to thank our honourable Principal Dr. Jatindra Nath Saikia, honourable Vice-Principal Sir and the teachers of Golaghat Commerce College for their love and guidance in every path of my life and in every situation.

I was very glad and happy after winning the election as a President of students' union 2017-18. As this was my first experience in my life. As I tried my best for doing something new for the college.

After oath taking, the most important responsibility was presiding the meeting of the college. And in the journey of the session 2017-18. I got the opportunity and responsibility of the celebrating the Saraswati Puja in the college. I would like to thank my incharge and teachers and vice-president of students' union for their support and guidance in every situation. As a president, I would like to thank once again the entire family and friends for their love and support.

At last, I apologize for my mistake during my tenure.

***Suhung-mung Sukafa Borgohain***



# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিলৈ একাঁজলি গভীৰ শ্ৰদ্ধা আগবঢ়াইছোঁ যিসকলৰ ঐকান্তিক প্ৰচেষ্টা, কষ্ট আৰু ত্যাগৰ বিনিময়ত জন্ম হৈছিল আমাৰ সপোনৰ জ্ঞানৰ মন্দিৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

দ্বিতীয়তে, মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শইকীয়া চাৰ, সন্মানীয় প্ৰাক্তন উপাধ্যক্ষ ড° পৰমানন্দ শৰ্মা চাৰ, বৰ্তমানৰ উপাধ্যক্ষ লক্ষীধৰ শইকীয়া চাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ ৰূপে অধ্যয়ন কৰিবলৈ আহি গৌৰৱ বোধ কৰাৰ লগতে ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈ আনন্দ অনুভৱ কৰিছিলোঁ। মহাবিদ্যালয়ৰ আশা-আকাংক্ষাক বিগত দিনবোৰত আমি ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলে কিমান দূৰ আগবঢ়াই নিব পাৰিলো সেয়া বিবেচনাৰ দায়িত্ব আপোনালোকৰ হাতত এৰিলোঁ। এই ক্ষেত্ৰত মই উপ-সভাপতি হিচাপে মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক আদি ক্ষেত্ৰসমূহত দৃষ্টি ৰাখি এই সম্পৰ্কত কৰিব পৰা আৰু কৰিব লগা কাৰ্যসমূহ বিষয়-ববীয়াসকলৰ লগত আলোচনা কৰি মোৰ সাধ্যানুসৰি পৰামৰ্শ আগবঢ়াইছিলো।

কাৰ্যভাৰ হাতত লোৱাৰ কিছু দিনৰ পাছতেই শিক্ষানুষ্ঠানসমূহৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অতি আগ্ৰহেৰে বাট চাই ৰোৱা শ্ৰীশ্ৰী সৰস্বতী পূজাভাগ আগবঢ়াই নিয়াত ছাত্ৰ একতা সভাৰ সভাপতি আৰু সমূহ বিষয়-ববীয়াৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জনালোঁ। তদুপৰি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত দায়িত্বত থকা সকলো ক্ৰীড়া সুচাৰু ৰূপে চলাই নিয়াত মই সাধ্যানুসৰি চেষ্টা চলাইছিলো। এই ক্ষেত্ৰত মোক বিভিন্ন ধৰণেৰে সহায়-সহযোগিতা আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ কৃতজ্ঞতা থাকিল।

শেষত সকলোলৈ পুনৰবাৰ ধন্যবাদ জনোৱাৰ লগতে যোৱা ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি ৰূপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ যি সুবিধা প্ৰদান কৰিলে, তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিলো।

জয়তু বাণিজ্য মহাবিদ্যালয়।

জয় আই অসম।

**উজ্জ্বল শইকীয়া**

ছাত্ৰ একতা সভা ঃ গোলাঘাট বাণিজ্য মহাবিদ্যালয়



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

*ময়েই খাছিয়া ময়েই অসমীয়া*
*ডফলা আবৰ অঁকা*
*ময়েই চিংফৌ ভৈয়ামৰ মিৰি*
*সোৱনশিৰীয়া ডেকা।*
— জ্যোতিপ্ৰসাদ আগৰৱালা

ভাৰতীয় সভ্যতা সাংস্কৃতিক চিন্তা-চেতনাৰে মহিমামণ্ডিত। প্ৰাচীন কালৰে পৰাই ভাৰতৰ উৰ্বৰ ভূমিৰে বৈ যোৱা সিন্ধু, গংগা, লুইত, কাবেৰী, গোদাবৰী আদি নদ-নদীৰ পাৰত বিভিন্ন ঋষি-মুণিসকলে জ্ঞানচৰ্চা কৰি অহিংসা আৰু প্ৰেমৰ মন্ত্ৰৰে মুখৰিত কৰিছিল ভাৰতীয় সংস্কৃতি। বিভিন্ন সময়ত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক আহি ব্ৰহ্মপুত্ৰ, গংগা, সিন্ধুৰ পাৰত মিলিত হৈ বৃহৎ ভাৰতীয় জাতি আৰু সভ্যতা গঢ়ি তুলিছিল। এনেদৰেই বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সাধনাত ব্ৰতী হৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীসমূহ এক আৰু অভিন্ন পৰিচয়েৰে ভাৰতীয় ঐতিহ্যক বুকুত লৈ গঢ়ি তুলিলে বৃহত্তৰ অসমীয়া জাতি। সেই অসমীয়া জাতিক আমি বিশ্বৰ দৰবাৰত তুলি ধৰিব লাগিব আমাৰ নিজস্ব সাংস্কৃতিক চেতনাৰ মাজেৰে। এই ক্ষেত্ৰত নৱপ্ৰজন্মৰ কৰণীয় যথেষ্ট আছে।

ছাত্ৰ শক্তি এক প্ৰবল তথা বিৰাট শক্তি। আজিৰ ছাত্ৰ কাইলৈ দেশ তথা জাতিৰ কৰ্ণধাৰ। কৃষক ৰূপে আমি যদি হাতত খেতিৰ হাল লওঁ সেই একেই হাতেৰে প্ৰয়োজনত হেংদাঙ তুলি আমি জাতি ৰক্ষাৰ বাবে যুদ্ধলৈও আগুৱাই যাওঁ। জন্মভূমি অসমক লৈ আমি আৱেগিক হওঁ, আনন্দিত হওঁ, স্বাভিমানত আমি গৰ্বিত হওঁ। অসমক লৈ যিদৰে আমি গৰ্ববোধ কৰো একেদৰেই গোলাঘাটৰ এখন গৌৰৱোজ্জ্বল মহাবিদ্যালয় গোলাঘাট বাণিজ্য মহাবিদ্যালয়ক লৈও আমি গৌৰৱ অনুভৱ কৰো। এইখন মহাবিদ্যালয়ৰ সোণোৱালী ইতিহাসে আমাক আৱেগিক কৰি তোলে। কত জন ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত গোলাঘাটৰ কাষৰীয়া মৰিশালিত 'জেউতি চৰাই' যোৱাৰ প্ৰতিশ্ৰুতিৰে গঢ়ি উঠিছিল এই মহাবিদ্যালয়। সেইসকল মহান ব্যক্তিৰ অশেষ ত্যাগ তথা কষ্টৰ বিনিময়ত গোলাঘাট বাণিজ্য মহাবিদ্যালয় আজি এটা উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি আছে। বাণিজ্য মহাবিদ্যালয়ৰ আঁৰৰ সেইসকল মহান পুৰোধা ব্যক্তিলৈ এই ছেগতে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। প্ৰতিষ্ঠাপক অধ্যক্ষ পোনাৰাম নেওগ চাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ প্ৰতিজন প্ৰয়াত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ।

ছাত্ৰ একতা সভাৰ সম্পাদকৰ প্ৰতিবেদন লিখিবলৈ লৈ পোনতে বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক

সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰি মোৰ প্ৰতি দেখুওৱা মৰম-ভালপোৱাৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। এই হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিনিধি হিচাপে মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰসমূহত যি বিচাৰ-বিবেচনাৰে আগবাঢ়ি গৈছিলো এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শইকীয়া চাৰৰ পৰামৰ্শ, সহায়-সহযোগিতাই মোক অভিভূত কৰি তুলিছিল। তেখেতৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে উপাধ্যক্ষ ড° পৰমানন্দ শৰ্মা চাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলৰ সহায়-সহযোগ আৰু পৰামৰ্শই মোক অধিক দায়িত্বশীল আৰু সচেতন কৰি তুলিছিল। তেখেতসকলৰ সান্নিধ্যৰে মহাবিদ্যালয়ৰ গৰিমা অক্ষুণ্ণ ৰখাৰ লগতে প্ৰগতিশীল কৰি তুলিবৰ বাবে মই মোৰ সামৰ্থৰে যথাসাধ্য প্ৰয়াস কৰিছিলো।

সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোৰ দায়িত্বসমূহ আন্তৰিকতাৰে উপলব্ধি কৰি সেই সম্পৰ্কে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে ব্যৱস্থা কৰিছিলো। ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগ আন্তৰিকতাৰে অনুভৱ কৰি মহাবিদ্যালয়ৰ শৈক্ষিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনক আগবঢ়াই নিবৰ বাবে মোৰ সীমাবদ্ধ চিন্তাৰ মাজেৰে ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ সহযোগত আগবাঢ়িছিলোঁ। কিছু ক্ষেত্ৰত সফল হৈছিলো যদিও বহু কৰণীয় যে থাকিল সেয়া বিনাদ্বিধাই স্বীকাৰ কৰি লৈছোঁ।

জ্ঞানৰ শিখা অনিৰ্বাণ। এই অনিৰ্বাণ শিখাৰ জ্যোতিয়ে এখন সমাজক সুসভ্য সমাজলৈ আগবঢ়াই নিয়াত কেৱল পাঠ্যপুথি শিক্ষাই সৰ্বশেষ নহয়। লগতে শাৰীৰিক-মানসিক আদি বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীসকল সমৃদ্ধিশালী হোৱাটো বাঞ্চনীয়। তেতিয়াহে তেওঁলোক পূৰ্ণাংগ সংস্কৃতিবান হিচাপে নিজস্ব পৰিচয় দিব পাৰিব। এই ক্ষেত্ৰত শাৰীৰিক আৰু মানসিক উত্তৰণৰ বাবে মহাবিদ্যালয়সমূহত অনুষ্ঠিত কৰা হয় 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'। ২০১৮ বৰ্ষৰ ২৭ জানুৱাৰীৰ পৰা আমাৰ তত্বাৱধানত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। বিভিন্ন খেল-ধেমালিৰ লগতে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰসমূহৰ লগত সংগতি ৰাখি বহু প্ৰতিযোগিতাই আমি অনুষ্ঠিত কৰিছিলো। এইসমূহৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলে সৰ্বতোদিশৰ প্ৰতিভা বিকাশৰ বাবে যাতে সুযোগ পায় তাৰ প্ৰচেষ্টা কৰা হৈছিল। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰিছিল আৰু মহাবিদ্যালয় সপ্তাহ যথেষ্ট পৰিমাণে সফল হোৱা বুলি মোৰ অনুভৱ হয়। মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত আছিল প্ৰথিতযশা চিন্তাবিদ শ্ৰীযুত ময়ূৰ বৰাদেৱ। লগতে বহুকেইজন অগ্ৰণী তথা নমস্য ব্যক্তি সভাত উপস্থিত থাকি সভাখন সুন্দৰ কৰি তুলিছিল। লমহাবিদ্যালয় সপ্তাহ সামৰণি অনুষ্ঠানত গীতৰ শৰাই আগবঢ়াবলৈ আমন্ত্ৰণ কৰি আনিছিলো জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপক। তেখেতৰ গীতে আমাৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানটিক আকৰ্ষণীয় কৰি তুলিছিল।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত মোৰ কাৰ্যকালত ষষ্ঠ ষাণ্মাষিকত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক এক ব্যতিক্ৰমী প্ৰয়াসেৰে বিদায় সম্ভাষণ জ্ঞাপন কৰিছিলো। তদুপৰি মোৰ কাৰ্যকালতেই মহাবিদ্যালয়ত দ্বিতীয়বাৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে 'অনলাইন' যোগে নামভৰ্তি প্ৰক্ৰিয়া আৰু প্ৰথমবাৰৰ বাবে পৰীক্ষাৰ ফৰ্মফিলাপ প্ৰক্ৰিয়া সমাপন কৰা হৈছিল। এই ক্ষেত্ৰত ছাত্ৰ একতা সভাই সকলো ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়াইছিল।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে মোৰ কাৰ্যকালতেই শ্ৰেণীকক্ষসমূহত নম্বৰফলক লগোৱাৰ ব্যৱস্থা কৰিছিলো। ইয়াৰোপৰি অধ্যক্ষ মহোদয়ক মহাবিদ্যালয়ত উন্নতমানৰ ব্যায়ামগাৰৰ ব্যৱস্থা কৰি তুলিবলৈ আবেদন কৰি আমি সফলতা লাভ কৰিছিলো। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত মোৰ কাৰ্যকালত যিসকল ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল তেওঁলোকক এটি ক্ষুদ্ৰ উপহাৰ কলম প্ৰদান কৰি শুভেচ্ছা জনোৱাৰ লগতে তেওঁলোকক উৎসাহিত কৰাৰ প্ৰচেষ্টা হাতত লৈছিলো। কাৰ্যকালত বিভিন্ন অনুষ্ঠান যেনে-আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱ, সৰস্বতী পূজা আদি উদ্‌যাপন কৰাত বিভাগীয় সম্পাদকদ্বয়সকলক পাৰ্যমানে দিহা-পৰামৰ্শ আগবঢ়াইছিলো তথা অনুষ্টুপীয়াকৈ হ'লেও বিষ্ণু ৰাভা দিৱস, শিল্পী দিৱস, ভূপেন হাজৰিকাৰ জন্ম দিৱসৰ কাৰ্যসূচী পালনৰ ব্যৱস্থা কৰিছিলো।

নৱাগত আদৰণি সভাখন ৯ আগষ্ট, ২০১৮

তাৰিখে আটকধুনীয়াকৈ আয়োজন কৰা হৈছিল। উক্ত সভাত উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় উপ-সভাপতি শ্ৰীযুত মণিমাধৱ মহন্ত ডাঙৰীয়া। উক্ত সভাৰ অন্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল এক সাংস্কৃতিক অনুষ্ঠানৰ। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱাই গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰিছিল। ইয়াৰ লগতে বিভিন্ন সৰু-বৰ কাৰ্যসূচীৰে শিক্ষক দিৱস আৰু শংকৰদেৱৰ তিথি মোৰ কাৰ্যকালত উদ্‌যাপন কৰা হৈছিল।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতি কৰিব লগা অনেক সপোন বুকুৰ মাজতেই থাকিল। মহাবিদ্যালয়খনৰ প্ৰতি থকা ভালপোৱা, দায়িত্ব আৰু কৰ্তব্যই মোক প্ৰতিটো মুহূৰ্ততে আৱেগিক কৰি ৰাখিছিল। সাধাৰণ সম্পাদক হিচাপেই নহয় এজন ছাত্ৰ হিচাপে কৰিব লগা কৰ্তব্য মই সুচাৰু ৰূপে কৰি যোৱাৰ প্ৰয়াস কৰিছিলো। মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানসমূহ সাফল্যমণ্ডিত কৰি তুলিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো। সফলতা বা বিফলতাৰ হিচাপ সময়ৰ হাতত এৰিও এটা কথা দৃঢ়তাৰে ক'ব পাৰো যে মহাবিদ্যালয়ৰ ঐতিহ্য আৰু ভাৱমূৰ্তিক অধিক জ্যোতিষ্মান কৰাৰ প্ৰয়াসেৰেই সকলো সিদ্ধান্ত গ্ৰহণ কৰিছিলো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰত্যেকজন সদস্যৰ পৰা পোৱা সহযোগিতা মোৰ বাবে এক আনন্দদায়ক অভিজ্ঞতা আছিল। এই মহাবিদ্যালয়ৰ অগ্ৰগতিয়ে আমাক যিহেতু গৌৰৱান্বিত কৰি তোলে, গতিকে মহাবিদ্যালয়ৰ শৈক্ষিক তথা অন্য সকলো দিশৰ উন্নতি কামনা কৰি মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। শেষত পুনৰবাৰ সকলোলৈকে শ্ৰদ্ধা আৰু ধন্যবাদেৰে মোৰ কাৰ্যকালৰ চমু প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

"স্মৃতিৰ মণিকোঠত ওলমি ৰয় মোৰ কাৰ্যকাল/ সময়ৰ বাঢ়নীয়ে উটুৱাই নিয়া/ মোৰ মোহনা/ এদিন বিদায় দিম বাণিজ্য মহাবিদ্যালয়ক/ তোমাৰ অনুভূতিৰে ৰঙীণ কৰিম/ মোৰ সমগ্ৰ জীৱন/ ফুলিব ফুল সাতোৰঙী/ তোমাৰ বুকুত অচিনাকী এজাক পক্ষীয়ে আহি জিৰণি ল'ব/ নতুন দিনৰ নতুন জ্যোতিয়ে জিলিকি উঠিব আমাৰ মহাবিদ্যালয়।"

জয়তু ছাত্ৰ একতা সভা।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

**বেদান্ত বৰা**



# আলোচনী সম্পাদকৰ প্ৰতিবেদন

*সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখাৰ*
*উন্মাদ বাসনা আমাৰ নাই*
*আমি বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল।*

প্ৰতিবেদনৰ আৰম্ভণিতেই সেই সকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰো যিসকলে গোলাঘাট বাণিজ্য মহাবিদ্যালয় নামৰ বটবৃক্ষৰ পুলিটো ৰোপণ কৰিছিল। যিকেইজন পুৰোধা ব্যক্তিৰ ত্যাগ, কষ্টসহিষ্ণুতা, ঐকান্তিক প্ৰচেষ্টাৰ ফলত গোলাঘাটৰ জ্যোতি নগৰৰ দৰে সেইসময়ৰ পিছপৰা অঞ্চলত এটি উজ্জ্বল জ্যোতিষ্কৰ প্ৰতিষ্ঠা হ'ল। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ইতিহাসত এই কথা জিলিকি আছে। প্ৰতিষ্ঠাৰ কালৰে পৰা বৰ্তমানলৈকে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰগতিৰ ক্ষেত্ৰত সকলোৰে মহান দায়িত্ব আৰু বাণিজ্য মহাবিদ্যালয়খনিৰ প্ৰতি থকা আন্তৰিকতাৰ উমান পাব পাৰি। প্ৰয়াত পোনাৰাম নেওগ চাৰকে প্ৰমুখ্য কৰি শিক্ষক, কৰ্মচাৰী সকলোৰে অৰিহণা শলাগিবলগীয়া।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৭-১৮ বৰ্ষৰ 'আলোচনী সম্পাদক' ৰূপে নিৰ্বাচিত হৈছিলো। মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকলক মোৰ প্ৰতি দেখুওৱা আন্তৰিকতা আৰু ভালপোৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। অধ্যক্ষ মহোদয়ক সন্মান আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ যে তেখেতৰ দৰে এজন স্পষ্টবাদী পথপ্ৰদৰ্শক আমাৰ জীৱনত লগ পাইছিলো। সাহিত্যৰ দিশটোৰ লগত জড়িত থাকি ভালপোৱাৰ বাবেই আলোচনী সম্পাদকৰ পদটি বাছনি কৰি লৈছিলো। যদিও এখন আলোচনী সম্পাদনা কৰিবলৈ কিহৰ প্ৰয়োজন সেই কথাৰ অজ্ঞাত আছিলো। এই ক্ষেত্ৰত উপদেষ্টাৰ দায়িত্বত থকা অনামিকা হাজৰিকা বাইদেউ, নন্দনী বৰুৱা বাইদেউ, জোনটি দুৱৰা বাইদেউ আৰু অৰিন্দম বৰা চাৰৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতাক মই কেতিয়াও পাহৰিব নোৱাৰো। তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। আলোচনী সম্পাদনাৰ ক্ষেত্ৰত উপদেষ্টাৰ দায়িত্বত থকা চাৰ-বাইদেউসকলৰ সহযোগিতাই মোক অভিভূত কৰি তুলিছিল। নন্দনী বৰুৱা, জোনটি দুৱৰা বাইদেউৰ মৰমিয়াল উপদেশে কেতিয়াও হাৰ মানিবলৈ দিয়াৰ নাছিল। অনামিকা বাইদেউৰে সোঁৱৰাই দিয়া দায়িত্বৰ কথাইও মোক আলোচনী সম্পাদনাৰ ক্ষেত্ৰত অধিক সহায় কৰিছিল। আপোনালোকক এই ছেগতে শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। নন্দিনী বাইদেউ, জোনটি বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ।

মই সম্পাদকৰ দায়িত্বত থকা সময়ছোৱাত এনে এজন ব্যক্তিক লগ পাইছিলো যিজনাই হাজাৰ ব্যস্ততাৰ মাজতো আন্তৰিকতাৰে মোক প্ৰথমৰে পৰাই সহায় কৰিছিল। অকল দিহা-পৰামৰ্শ দিয়াই নহয় নিজেই সকলো দায়িত্বৰ কথা সোঁৱৰাই হাতে-কামে লাগি যিকোনো কাম সফল

হোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল। মহাবিদ্যালয় বাৰ্ষিক সপ্তাহৰ পৰা আলোচনী সম্পাদনাৰ সময়ছোৱালৈকে তেখেতৰ প্ৰচেষ্টা আৰু দিহা-পৰামৰ্শৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। ২০১৭-১৮ বৰ্ষৰ আলোচনীখনে পূৰ্ণ ৰূপ লাভ কৰাৰ ক্ষেত্ৰত অৰিন্দম চাৰৰ ভূমিকাই অতুলনীয়। তেখেতক 'জ্যোতিষ্মান' আলোচনীৰ যোগেদিয়েই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ভিতৰচ'ৰাৰ কথা ক'বলৈ গ'লে আৱেগিক হৈ পৰো। কাৰণ মই এনে কিছুমান সতীৰ্থ, দাদা, ভাইটি-ভন্টিক লগ পাইছিলো যিসকলে এটি পৰিয়ালৰ দৰেই মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠানতে মিলা-প্ৰীতিৰে দায়িত্বশীল মনোভাৱেৰে কাম কৰিছিল। সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদককে কেন্দ্ৰ কৰি প্ৰতিজন সদস্যৰেই বন্ধুসুলভ মনোভাৱ আৰু প্ৰত্যেকেই ইজনে সিজনৰ প্ৰতি দেখুওৱা আন্তৰিকতা আৰু সহায়ে সকলোকে সকলোৰে বাবে প্ৰিয় কৰি তুলিছিল। ইমান ভাল সতীৰ্থ লগ পাই সঁচাকৈয়ে আপ্লুত হৈ পৰিছিলো। তোমালোক সকলোকে মোৰ আন্তৰিকতা আৰু মৰম যাঁচিলো।

দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ঠাইতে লিখা গল্প, কবিতা, ৰচনা, শ্লোগান, নীলা খামৰ চিঠি প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি সফলতা লাভ কৰিবলৈ সক্ষম হোৱা দেখা গৈছিল। ইয়াৰোপৰি কবিতা আবৃত্তি বিচাৰকৰ বাবে দীপাৰাণী গগৈ বাইদেউ আৰু পাপৰি শইকীয়া বাইদেউক আমন্ত্ৰণ কৰি অনা হৈছিল। তেখেতসকলৰ ওচৰত জ্যোতিষ্মানৰ জৰিয়তেই কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। বিভাগীয় প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা অতি সুন্দৰকৈ অনুষ্ঠিত কৰা হৈছিল। বিচাৰকদ্বয়ৰ সুন্দৰ বিচাৰে আমাক মোহিত কৰিছিল। এইখিনিতে উল্লেখ কৰিবলগীয়া কথা যে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনি সময়তকৈ বহুত পাছত প্ৰকাশ কৰিবলগীয়া হ'ল। কাৰণ মহাবিদ্যালয়ৰ কাণ্ডাৰী স্বৰূপ অধ্যক্ষ মহোদয়ে অকালতে প্ৰাণ হেৰুওৱাত মহাবিদ্যালয়খনি যেন পিতৃহাৰা হয়। তেখেতৰ অনুপস্থিতিত মহাবিদ্যালয়ৰ কাম-কাজত যথেষ্ট সমস্যা হ'ল। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ কামো স্থগিত ৰখা হ'ল। সেইবাবে আলোচনীখন নিৰ্দিষ্ট সময়ত প্ৰকাশ কৰিব পৰা নহ'ল।

'জ্যোতিষ্মান' আলোচনীখনে প্ৰকাশ লাভ কৰা মূলতে উপদেষ্টা মণ্ডলীৰ সুন্দৰ প্ৰচেষ্টা আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰ লিখনীসমূহ। জ্যোতিষ্মান আলোচনীখনলৈ যিকোনো লেখা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলকো জ্যোতিষ্মানৰ যোগেদিয়ে শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰেৰণ কৰিলোঁ।

আশাকৰোঁ প্ৰত্যেক বছৰেই জ্যোতিষ্মানৰ জ্যোতিয়ে পোহৰাই ৰাখক গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ইতিহাসৰ লগতে সকলোৰে মনৰ অনুভৱৰ ভঁৰাল।

কাকুমণি কটকী

# REPORT FROM ASSISTANT GENERAL SECRETARY



At the very outset, I would like to thank all the stu adents of Golaghat Comerce College for giving me the opportunity andhappiness to do my duties as the Assistant General Secretary of the Students' Union of Golaghat Commerce College for the Session 2017-18.

I would like to thank our respected principal Dr. Jatindra Nath Saikia, and also the teachers of the college for their constant guidance given to me.

I won the election and was very happy to serve for my college. I wished to do the needful works for my college and help the students when they needed me.

The important Annual College Week and responsibilities started and with the help of teachers and friends each and every competition was done properly. I would like to appreciate all the studens who took part in the events.

Lastly, I would like to apologize for any mistake during by tenure.

Long live Golaghat Commerce College.

***Ujjal Paul***



# সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

ভাষা আৰু শব্দৰ গাঁঠনিৰে প্ৰত্যয় আৰু সন্ধিৰ উপযুক্ত প্ৰয়োগে এখনি প্ৰতিবেদনৰ ৰূপ লোৱাৰ প্ৰাক্‌মুহূৰ্তত অসমৰ শিল্প সাংস্কৃতিক জগতৰ লগত জড়িত যিসকল মহান ব্যক্তিয়ে নিয়তিৰ নিষ্ঠুৰতাক মানি লৈ নেদেখাজনৰ ওচৰলৈ গমন কৰিলে, সেই প্ৰত্যেকগৰাকী ব্যক্তিলৈ জয়জয়তে মই মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। অতীত আৰু বৰ্তমানৰ সন্ধিক্ষণত যিসকলে অসমৰ সাংস্কৃতিক জগতখনক নিজৰ অভূতপূৰ্ব অৱদানেৰে চহকী কৰি ৰাখিছে, সেই প্ৰত্যেকগৰাকী মহান পুৰোধালৈ মোৰ আন্তৰিক অভিবাদন জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শইকীয়া চাৰ, উপাধ্যক্ষ ড° পৰমানন্দ শৰ্মা চাৰকে প্ৰমুখ্য কৰি বিভাগীয় উপদেষ্টা ড° নৰমী গগৈ বাইদেউ আৰু ড° দিপালী গগৈ বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দলৈও মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছোঁ।

সংস্কৃতিৰ ক্ষেত্ৰখনৰ প্ৰতি সৰুৰে পৰা একপ্ৰকাৰৰ দুৰ্বলতা মোৰ হৃদয়ত বিৰাজমান। তেনে এক ক্ষেত্ৰত মোক গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক তথা চাৰুকলা বিভাগৰ সম্পাদকৰ দৰে ইমান এক গধুৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ। বিভিন্ন সময়ত প্ৰাক্তন ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আগবঢ়োৱা সহায়-সহযোগিতাবোৰো মোৰ বাবে আশীৰ্বাদ আছিল। বিভাগীয় কাৰ্যসূচীত সকলো ফালৰ পৰা সম্ভৱপৰ সহায়েৰে মোক কৃতাৰ্থ কৰা বিভাগীয় কেউগৰাকী উপদেষ্টাৰ ওচৰতো মই চিৰঋণী হৈ ৰ'ম।

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিপুল ভোটত জয়লাভেৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া হিচাপে নিৰ্বাচিত হৈছিলো। কাৰ্যভাৰ গ্ৰহণৰ পাছৰে পৰা নিজৰ কৰণীয়খিনিক নিঁখুতভাৱে পালন কৰাত কোনোদিনেই কুণ্ঠাবোধ কৰা নাছিলোঁ। বিভিন্ন সময়ত নানান কাৰ্যসূচীৰ জৰিয়তে নিজৰ দায়িত্বখিনিক নিষ্ঠা আৰু সততাৰে পালন কৰি গৈছিলো। তলত তেনে কিছু কাৰ্যসূচীৰ আভাস দাঙি ধৰা হ'ল।

১) বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত থলীতে ফটো তোলা প্ৰতিযোগিতা আৰু সংগ্ৰহ কৰা ফটো প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা আৰু মিছ বাণিজ্যিয়ান প্ৰতিযোগিতা আয়োজনৰ সৌভাগ্য লাভ কৰিছিলোঁ

আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছিলো। সেয়েহে এই ছেগতে মই সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২) শিৱসাগৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়েও অংশগ্ৰহণ কৰিছিল। উক্ত মহোৎসৱত সতীৰ্থ মুকুল গুপ্তাই থলীতে তোলা ফটোগ্ৰাফী প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। এই ছেগতে মুকুল গুপ্তালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

এনেদৰেই আৰু নানান সৰু-সুৰা কাৰ্যসূচীৰে মোৰ কাৰ্যকালৰ দায়িত্বভাৰ আখৰে আখৰে পালন কৰিছিলো। মহাবিদ্যালয়ৰ সন্মান আৰু মৰ্যাদা অক্ষুণ্ন ৰখাৰ ক্ষেত্ৰত সদায়েই মই বদ্ধপৰিকৰ। অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

শেষত, ছাত্ৰ একতা সভা তথা মহাবিদ্যালয়ৰ গৌৰৱ আৰু সন্মান অক্ষুণ ৰখাৰ ক্ষেত্ৰত ভৱিষ্যতৰ দিনতো সকলোৰে সম-অংশীদাৰ কামনাৰে—

বিকাশ গগৈ



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক প্ৰয়াত পুনাৰাম নেওগ ছাৰৰ লগতে যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত জ্ঞানৰ মন্দিৰ ঐতিহ্যমণ্ডিত 'গোলাঘাট বাণিজ্য মহাবিদ্যালয়' প্ৰতিষ্ঠা হ'ল, সেইসকল মহান ব্যক্তিলৈ পোনতে মই আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। লগতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল, মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকল তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ মোক সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এক গুৰুত্বপূৰ্ণ পদ তৰ্ক বিভাগৰ সম্পাদিকা ৰূপে মই সদায়ে গৌৰৱ অনুভৱ কৰোঁ। কিয়নো ছাত্ৰ একতা সভাৰ মাধ্যমেৰে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ বহু হেঁপাহ মনৰ মাজত অনুভৱ কৰিছিলো। সেই হেঁপাহ সফল কৰিব পাৰি যথেষ্ট আনন্দ অনুভৱ কৰিছোঁ। একতা সভাৰ মাধ্যমেৰে বহু নজনা কথা শিকিবলৈ সুযোগ পালো। কাৰ্যকালত প্ৰতিটো সময়ত মহাবিদ্যালয়ৰ সন্মান, নিয়মানুৱৰ্তিতা তথা উন্নতিৰ হকে কাম কৰি যাবলৈ সদায় চেষ্টা কৰিছিলো। কিন্তু কিমানদূৰ সফল হ'ব পাৰিলো সেয়া সময়ে নিশ্চয় বিচাৰ কৰিব।

তৰ্ক বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি তৰ্ক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলো। তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আদি মোৰ দায়িত্বত পৰিছিল। মোৰ কাৰ্যকালত মোৰ বিভাগীয় উপদেষ্টা অধ্যাপক ভাস্কৰজ্যোতি কাকতি ছাৰ আৰু ৰাজেশ জয়ছোৱাল ছাৰে যিদৰে প্ৰতিটো ক্ষেত্ৰতে মোক দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ।

সদৌ শেষত, অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমাপ্ৰাৰ্থী। মহাবিদ্যালয়ৰ ভৱিষ্যৎ গৌৰৱোজ্জ্বল হোৱাৰ লগতে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।
জয়তু ছাত্ৰ একতা সভা।
জয়তু জ্যোতিষ্মান।

অনামিকা গগৈ



# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰাত যিসকল নমস্য ব্যক্তিয়ে অশেষ কষ্ট আৰু ত্যাগেৰে বৰঙণি যোগাই ছিল তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি জ্ঞাপন কৰিছোঁ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় তথা উপাধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়খনিৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু মৰম যাঁচিলো।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকা পদটিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে কাৰ্যভাৰ গ্ৰহণ কৰোঁ। মহাবিদ্যালয় সপ্তাহতেই মোৰ কাৰ্যাৱলীৰ প্ৰথম পদক্ষেপ গ্ৰহণ কৰোঁ। মহাবিদ্যালয় সপ্তাহত সংগীতৰ বিভিন্ন বিভাগ — আধুনিক গীত, জ্যোতি সংগীত, বিষুওৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, বৰগীত, লোকগীত আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। অৱশ্যে অতি দুখজনকভাৱে সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীৰ সংখ্যা আছিল অতি সীমিত। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংগীত চৰ্চাৰ প্ৰতি আগ্ৰহ কমি অহাটো মই মোৰ কাৰ্যকালত লক্ষ্য কৰিছিলোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয়ত সংগীত সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক সংগীতৰ প্ৰতি আগ্ৰহী কৰিব পৰা যাব বুলি মই অনুভৱ কৰোঁ। অৱশ্যে এই ক্ষেত্ৰত বিভিন্ন কাৰণবশতঃ মই বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰিলোঁ। আশাকৰোঁ। মহাবিদ্যালয় কৰ্ত্তৃপক্ষই তথা পৰৱৰ্তী সংগীত বিভাগৰ সম্পাদকে এই সম্পৰ্কে বিবেচনা কৰিব।

শেষত বিনয়েৰে ক'ব বিচাৰিছোঁ যে মোৰ কাৰ্যকালত মই কি কৰিব পাৰিলো সেয়া আপোনালোকে বিচাৰ কৰিব। মোৰ কাৰ্যকালত বিভাগীয় উপদেষ্টা অধ্যাপিকা মন্দিৰা বৰা বাইদেউ আৰু ৰিংকী দাস বাইদেৱে যিদৰে মোক দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে মই সদায়ে কৃতজ্ঞ হৈ ৰ'ম। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়-ববীয়ালৈ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু অজানিতে কৰা ভুলৰ-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিলোঁ।

মহাবিদ্যালয়ৰ ভৱিষ্যৎ গৌৰৱোজ্জ্বল হোৱাৰ কামনাৰে মই প্ৰতিবেদন সামৰণি মাৰিলোঁ।

**দময়ন্তী গোহাঁই**



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত পুনাৰাম নেওগ চাৰ তথা মহাবিদ্যালয়ৰ সদ্যপ্ৰয়াত উপাধ্যক্ষ ড° ৰাজীৱ লোচন বৰা চাৰলৈ প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শসকীয়া চাৰ, সন্মানীয় উপাধ্যক্ষ ড° পৰমানন্দ শৰ্মা চাৰ, ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকল প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ পাই মই অতিকৈ আনন্দিত হৈছিলোঁ। মই মোৰ দায়িত্বসমূহ সুচাৰুৰূপে চলাই যাবলৈ প্ৰয়াস কৰিছিলো। এই ক্ষেত্ৰত কিমান দূৰ সফলতাৰে আগবাঢ়িব পাৰিলো নাজানো। কিন্তু যিমান পাৰো মোৰ দায়িত্বসমূহ পালন কৰিবলৈ চেষ্টা কৰিছিলো। কাৰ্যকাল আৰম্ভ হোৱা কিছুদিন পাছত ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ক্ৰীড়া সপ্তাহত মই চৌহদ পৰিষ্কাৰ কৰা প্ৰতিযোগিতা সম্পূৰ্ণ সুচাৰুৰূপে কৰিছিলো। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আন্তৰিকতাৰে আহি মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰাত অংশগ্ৰহণ কৰিছিল। মোৰ কাৰ্যকালত দীপাৱাণী বাইদেউ আৰু মনোৰমা বাইদেউ বিভাগীয় উপদেষ্টাৰ দায়িত্বত আছিল। দুয়োগৰাকী বাইদেউৰ সহায়-সহযোগ আৰু সু-পৰামৰ্শই মোক উৎসাহিত কৰি তুলিছিল। তেখেতসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে প্ৰতিযোগিতাখনি সুচাৰুৰূপে হৈ যোৱাত সাধাৰণ সম্পাদক বেদান্ত বৰা আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক ৰিম্পী শইকীয়াই বিশেষভাৱে কৰা সহায়ৰ শলাগ ল'লো।

শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে মোৰ সহপাঠী আৰু শুভাকাংক্ষীসকলক মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা যাচিছো।

ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

**প্ৰমিলা নাথ**

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কৰাত যিসকল নমস্য ব্যক্তিয়ে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি জ্ঞাপন কৰিছোঁ। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টি আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আদিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম জনালোঁ।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি আপোনালোকে যি সুবিধা প্ৰদান কৰিলে তাৰ বাবে আপোনালোক সকলোৰে প্ৰতি মই কৃতজ্ঞ হৈ ৰ'ম। আপোনালোকে আগবঢ়োৱা দায়িত্ব মোৰ সাধ্যানুসৰি পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। এই ক্ষেত্ৰত মোক বিভাগীয় উপদেষ্টা অধ্যাপিকা নাজিয়া বাইদেৱে বিভিন্ন পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়াইছিল। এই ছেগতে বাইদেউক মোৰ সেৱা আগবঢ়ালোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই ছাত্ৰী জিৰণি কোঠাৰ বিভিন্ন ধৰণৰ কাম কৰিবলৈ প্ৰচেষ্টা হাতত লৈছিলো। এই ক্ষেত্ৰত পানী যোগানৰ ব্যৱস্থা, আচবাব-পত্ৰ মেৰামতি কৰা বিশেষভাৱে উল্লেখযোগ্য। ছাত্ৰী জিৰণি কোঠা পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত মই বিশেষ গুৰুত্ব আৰোপ কৰিছিলোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শসকীয়া ছাৰে এই ক্ষেত্ৰত কৰা সহযোগ মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

মোৰ কাৰ্যকালত ছাত্ৰীসকলৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে ল'ব লগা সকলো পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰচেষ্টা চলাইছিলো। বিভাগীয় উপদেষ্টা নাজিয়া বাইদেউৰ পৰামৰ্শই এই ক্ষেত্ৰত মোক যথেষ্ট সহায় কৰিছিল।

মোৰ কাৰ্যকালতে ছাত্ৰীসকলৰ খেলা-ধূলাৰ দিশটো অধিক গতিশীল কৰি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিলো। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰক্ষা কৰি মই খেলাৰ বিভিন্ন দিশবোৰত চকু দিছিলো। লগতে ছাত্ৰীসকলৰ মাজত আনন্দদায়ক খেল টেকেলি ভঙা প্ৰতিযোগিতা, মিউজিক চেয়াৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিছিলো। ছাত্ৰীসকলৰ সহযোগে মোক মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ প্ৰতি আৰু অধিক কিবাকিবি কৰাৰ মন আছিল যদিও সময়ত মই সকলোবোৰ সম্পাদন কৰিব নোৱাৰিলো। শেষত মোৰ কাৰ্যকালত হৈ যোৱা সকলো ভুল-ত্ৰুটিৰ বাবে সদৌৱে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

ৰিম্পী শইকীয়া

# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল, মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকল, দাদা-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। উপদেষ্টা ড° চিঞ্জাখুম ভাইপেই চাৰলৈ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰতে তেখেতে আগবঢ়োৱা সহায়-সহযোগ আৰু দিহা-পৰামৰ্শৰ বাবে বিশেষভাৱে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল ভোটদানেৰে জয়যুক্ত কৰি ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই ছেগতে মই কৃতজ্ঞতাৰে শলাগিছো। সম্পাদকৰ দায়িত্ব লৈ যথেষ্ট নিষ্ঠা সহকাৰে মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাটো ছাত্ৰসকলৰ বাবে উপযোগী কৰি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিলোঁ। এই ক্ষেত্ৰত মোক সাধাৰণ সম্পাদক বেদান্ত বৰা, উপ-সভাপতি উজ্জ্বল শইকীয়া, সভাপতি চুহুংমুং চুকাফা বৰগোহাঁইয়ে যথেষ্টখিনি সহায় কৰিছিল। কাৰ্যকালত মোৰ কৰিবলগীয়া বহুতো কাম হয়তো আধৰুৱা হৈ ৰ'ল। কিন্তু এই বিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে মহাবিদ্যালয়ৰ সকলো দিশতে কাম কৰি যাম বুলি মই প্ৰতিশ্ৰুতিবদ্ধ।

শেষত, বিভিন্ন সময়ত অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। পুনৰবাৰ সকলোকে ধন্যবাদ জনাই আৰু মহাবিদ্যালয়খনৰ উন্নতি কামনাৰে ইমানতেই মোৰ প্ৰতিবেদনৰ সামৰিলোঁ।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

**নয়নমণি বৰা**



# গুৰুক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে মুখ্য কৰি সমূহ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টী, দাদা-বাইদেউ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই গুৰুক্ৰীড়া বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ দৰে মহাবিদ্যালয়ৰ ক্ৰীড়াৰ ক্ষেত্ৰখনত কাম কৰাৰ সুবিধা লাভ কৰিলোঁ।

ক্ৰীড়া বিভাগৰ সম্পাদক হৈ মোৰ বহু অভিজ্ঞতা হ'ল। মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ এটি দলে সোৱণশিৰি মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয়ৰ কাবাডী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। তাত ময়ো অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছিলো। বোকাখাতত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় এথলেটিকচ্ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে এটা সোণৰ, এটা ৰূপৰ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি মহাবিদ্যালয় সপ্তাহত ক্ৰীড়া বিভাগত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুবিধা লাভ কৰিছিলোঁ।

ক্ৰীড়াই শাৰীৰিক-মানসিক বিকাশ কৰাৰ উপৰি এজন ব্যক্তিক দিব পাৰে বিশ্বব্যাপী খ্যাতি আৰু প্ৰচুৰ অৰ্থসম্পদ। ক্ৰীড়া হ'ল এটা জাতি, এখন দেশ বা ৰাষ্ট্ৰৰ এক অবিচ্ছেদ্য অংগ। সেয়েহে বিদ্যালয়-মহাবিদ্যালয়সমূহত ক্ৰীড়াক অতি গুৰুত্ব দিয়া প্ৰয়োজন। খেলৰ প্ৰতি থকা আগ্ৰহৰ বাবেই ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগটোৰ লগত জড়িত হৈ পৰিছিলো। নাজানো মোৰ কাৰ্যকালত কিমান সফল হৈছিলো। মোৰ কাৰ্যকালত সকলো দিশত সহায় কৰি তথা গঠনমূলক দিহা-পৰামৰ্শৰে উপকৃত কৰা ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকল, বন্ধু-বান্ধৱী, বিভাগীয় উপদেষ্টা আৰু চিৰনমস্য শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত আৰু প্ৰতিবেদন লিখোতে যদি কিবা ভুল-ভ্ৰান্তি হৈছে তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু বাণিজ্য মহাবিদ্যালয়।
জয়তু ছাত্ৰ একতা সভা।
জয় আই অসম।

যীচু কলিতা

# ক্ৰিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমূহ ছাত্ৰ-ছাত্ৰীক সুবিধা তথা উপকাৰ কৰিলে তেওঁলোকক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটটি দি মোক ২০১৭-১৮ বৰ্ষৰ ক্ৰিকেট-ফুটবল বিভাগৰ সম্পাদক পদত জয়যুক্ত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সু[illegible]ণ দিলে তেওঁলোকক মই অশেষ ধন্য যাঁচিছোঁ।

খেল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। এজন খ্যাতিসম্পন্ন খেলুৱৈ হ'ব পৰাটো কেৱল খেলুৱৈজনৰে গৌৰব নহয়, আমাৰ জাতি তথা দেশৰো গৌৰৱ। সেয়েহে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে খেলক সময়ৰ অপব্যৱহাৰ বুলি নাভাবি খেলৰ অনুশীলন আৰু প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা নিতান্তই প্ৰয়োজন। ক্ৰিকেট-ফুটবল খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে অনুষ্ঠিত হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয়ৰ সপ্তাহত মই ক্ৰিকেট আৰু ফুটবল খেল অনুষ্ঠিত কৰিছিলো। প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰাত দুয়োধৰণৰ খেলতে যি সুন্দৰ খেল অনুষ্ঠিত হৈছিল তাৰ মাজেদি আমাৰ মহাবিদ্যালয়ত যে ক্ৰিকেট আৰু ফুটবলৰ যথেষ্ট সংখ্যক প্ৰতিভাশালী খেলুৱৈ আছে সেয়া প্ৰমাণিত হৈছিল। আশাকৰো খেলুৱৈসকলে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। শেষত মোৰ কাৰ্যকালত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়োৱা উপদেষ্টা আৰু তত্ত্বাৱধায়ক ক্ৰমে শ্ৰদ্ধাৰ শ্ৰীমন্ত প্ৰসাদ হাজৰিকা আৰু মানসপ্ৰতীম শৰ্মা ছাৰক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই ক্ৰিকেট-ফুটবল খেল বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ আগত আৰু পাছত মোৰ প্ৰতিটো কাৰ্যতে বিশেষ সহায়-সহযোগিতা আগবঢ়োৱা মোৰ সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। শেষত মহাবিদ্যালয়ৰ শিক্ষা আৰু ক্ৰীড়াৰ উত্তৰণ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু বাণিজ্য মহাবিদ্যালয়।

দেৱজিৎ খাকলাৰী

First prize in submitted photography.
(By Mukul Gupta)







First prize in on the spot photography.
(By Bikash Gogoi)

First prize in Collection of photography of teachers 2017.
(By Swadhinata Gogoi)





চিৰসেউজ চিত্ৰশিল্পী ৰাণা কলিতাৰ তুলিকাত “শৰতৰ শেৱালি”।